হেমচন্দ্ৰ দেৱগোস্বামী

# কলঙ অলচৰী




[illegible]নাতি

মধুস্মিতা [illegible] বৰুৱা

H.C.D.G. COLLEGE LIBRARY
No.........................
Date.......................
Nitaipukhuri, Sibsagar, Assam

H.C.D.G. COLLEGE LIBRARY
No.....................
Date
Nitaipukhuri, Sibsagar, Assam

# হেমচন্দ্ৰ দেৱগোস্বামী কলেজ আলোচনী

নিতাইপুখুৰী

প্ৰথম সংখ্যা ১৯৮৭-৮৮ চন

প্ৰতি ঃ

........................................................................................................লৈ হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ সোৱাদ লবলৈ এই সংখ্যাৰ আলোচনী শ্ৰদ্ধাৰে/প্ৰীতিৰে আগবঢ়ালোঁ।

মধুস্মিতা দিহিঙ্গীয়া বৰুৱা
সম্পাদিকা

( অসমীয়া শাখা )

তত্বাৱধায়কদ্বয় ঃ
অধ্যাপিকা শ্ৰীভদ্ৰাৱতী গগৈ
অধ্যাপক শ্ৰীসুধীৰ দাস

সম্পাদনাত ঃ
মধুস্মিতা দিহিঙ্গীয়া বৰুৱা

Hemchandra Devagoswami College Magazine, Annual publication for the session 1987-88. Published by the students union of the College and edited by Miss Madhusmita Baruah, Editor for the magazine and Printed at M/s. Printworks, Sibsagar.

সম্পাদনা সমিতি—

| | | |
|---|---|---|
| শ্ৰীদেৱেশ্বৰ চাংমাই | ঃ | সভাপতি, ছাত্ৰ একতা সভা |
| শ্ৰীভদ্ৰাৱতী গগৈ | ঃ | তত্বাৱধায়ক, অসমীয়া বিভাগ |
| শ্ৰীসুধীৰ দাস | ঃ | তত্বাৱধায়ক, ইংৰাজী বিভাগ |
| শ্ৰীমধুস্মিতা বৰুৱা | ঃ | সম্পাদিকা |
| শ্ৰীৰেখা কোঁৱৰ | ঃ | সদস্যা |

বেটুপাতৰ শিল্পী ঃ শ্ৰীসূৰ্য্য বুঢ়াগোহাঁই

প্ৰকাশক ঃ ছাত্ৰ একতা সভা, নিতাইপুখুৰী।

মুদ্ৰণত ঃ মেচাৰ্চ প্ৰিন্টৱৰ্কস,
শঙ্কৰ মন্দিৰ পথ, শিৱসাগৰ-৭৮৫৬৪০ (অসম)

# সূচী

## হেমচন্দ্ৰ দেৱগোস্বামী কলেজ আলোচনী

বাৰ্ষিক প্ৰকাশন ঃ ১৯৮৭-৮৮ চন

সম্পাদনা সমিতি—
সম্পাদিকাৰ কলমৰ পৰা

॥ প্ৰবন্ধ ॥

শঙ্কৰদেৱৰ সাহিত্যত এভূমুকি—সন্ধ্যালী গগৈ/পৃষ্ঠা ১—৩
কবীৰ ঃ এটি চমু পৰিচয়—টুটুমণি চেতিয়া/পৃষ্ঠা ৪—৫
ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা—উষাৰাণী দত্ত/পৃষ্ঠা ৬—৯
অসমৰ জনজাতি সমস্যা আৰু ইয়াৰ সমাধানৰ পথ—বাণীকান্ত গগৈ/পৃষ্ঠা ২৪—৩০
দিহিংপৰীয়া কবি দেৱেশ্বৰ দিহিঙ্গীয়া বৰুৱা—দেৱেশ্বৰ চাংমাই/পৃষ্ঠা ৪১—৪৬

॥ কবিতা ॥

প্ৰত্যাশাত—কল্যাণী গগৈ/পৃষ্ঠা ১০
নিৰ্জনতাৰ সতে—আৰতি ৰাজখনিকৰ/পৃষ্ঠা ১০
নৱ জনম—ৰেখা কোঁৱৰ/পৃষ্ঠা ১১
আহ্বান—অঞ্জুমণি ফুলকোঁৱৰ/পৃষ্ঠা ১২
প্ৰাৰ্থনা মোৰ ঃ শীতৰ শেষ লগ্নত—অধ্যাপিকা ক্ষীৰপ্ৰভা গগৈ লাহন/পৃষ্ঠা ৪০
গীত—উদ্ধৱধৰ নেওগ/পৃষ্ঠা ৪৭

॥ একাংকিকা নাটক ॥

পোহৰৰ বাট—জ্যোতি দুৱৰা/পৃষ্ঠা ৩১—৩৯

॥ গল্প ॥

বাইদেউৰ মৃত্যু দিনত—নিৰোদ গোহাঞি/পৃষ্ঠা ১৩—১৬
চিকিৎসা—অসীম কুমাৰ ওজা/পৃষ্ঠা ১৭—১৯
উপহাৰ—শৈলেন দিহিঙ্গীয়া/পৃষ্ঠা ২০—২৩

॥ ছাত্ৰ একতা সভাৰ ভিতৰ চ'ৰা ॥

সাধাৰণ সম্পাদক প্ৰমুখ্যে বিভাগীয় সম্পাদক/সম্পাদিকাসকলৰ প্ৰতিবেদন
(পৰিশিষ্ট ১ পৃষ্ঠাৰ পৰা ৮ পৃষ্ঠালৈ)
১৯৮৭-৮৮ চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ
(পৰিশিষ্ট ৯ পৃষ্ঠাৰ পৰা ১২ পৃষ্ঠালৈ)

●●●

## সম্পাদিকাৰ কলমৰ পৰা—

**শিক্ষা ব্যৱস্থা সম্পৰ্কত—** এখন দেশৰ এটা জাতিৰ উন্নতিৰ খতিয়ান শিক্ষিত লোকসকলেই দাঙি ধৰে। কাজেই শিক্ষা হ'ল জাতিৰ মেৰুদণ্ড, শিক্ষাৰ বাবে সদায় প্ৰয়োজন এটা অনুকূল পৰিবেশৰ। আমাৰ দেশত পৰিবেশ থাকিলেও শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন সমস্যা আছে। পাঠ্যক্ৰমৰ সঘন পৰিবৰ্ত্তন, বাস্তৱৰ লগত সম্পৰ্ক নথকা শিক্ষাই হ'ল আমাৰ শৈক্ষিক ক্ষেত্ৰখনৰ প্ৰধান সমস্যা। এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে স্নাতক ডিগ্ৰী লোৱাৰ পিছতো ভাবিব লগীয়া হৈছে 'এতিয়া মই কি কৰিম' অথবা বিভিন্ন কাৰ্য্যালয়ত মকৰল হ'লে কাৰ্য্যালয়ৰ কাম কেনেকৈ কৰিম আদি। আমাৰ এই অক্ষমতাৰ কেৱেলবোৰ এতিয়া নহয়, শুৰিতেই। ভেটি এটা মজবুত কৈ গঢ়িলেহে ঘৰটো মজবুত হয়। জীৱনৰ বুনিয়াদ গঢ়ি তুলিবৰ বাবে সৃষ্টি হোৱা প্ৰাথমিক বিদ্যালয় সমূহত যদি এজন শিশুক ভবিষ্যত সম্পৰ্কে জ্ঞান দি গঢ়ি তোলা হয় তেতিয়া হলে সেইজন শিশু কৰ্মক্ষম হলে কৰ্মক্ষেত্ৰখন তেওঁৰ বাবে বোজাৰ ক্ষেত্ৰ নহৈ আনন্দৰ হে ক্ষেত্ৰ হব। সেয়ে আজিৰ শিক্ষা ব্যৱস্থা, শিক্ষা পদ্ধতি সম্পূৰ্ণ ভাবে সলনি হোৱাটো বাঞ্চনীয়। বিজ্ঞানৰ এই শিখৰ চোৱা সভ্যতাৰ দিনত কাৰিকৰী বা বিজ্ঞান শিক্ষাৰ প্ৰতি ছাত্ৰ সমাজক আগবঢ়াই নিয়াটো শিক্ষা বিভাগৰ শীৰ্ষস্থানীয় সকলৰ বাবে এটা গধুৰ দায়িত্ব।

**মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলাৰ প্ৰসংগত—** আমাৰ মহাবিদ্যালয়খন গ্ৰামীন অঞ্চলত অৱস্থিত যদিও শিক্ষা আৰু খেল-ধুলাৰ ক্ষেত্ৰত অসমৰ ভিতৰতে এখন আগশাৰীৰ মহাবিদ্যালয়। এই মহাবিদ্যালয়ত বহুৱে বিজ্ঞান শিক্ষাৰ প্ৰতি ধাউতি থকা অথচ আৰ্থিক দুৰৱস্থাৰ বাবে দূৰলৈ যাব নোৱৰা বহুতো ছাত্ৰ-ছাত্ৰীয়ে ক'লা শাখাত নাম ভৰ্ত্তি কৰে। মহাবিদ্যালয়ৰ প্ৰশাসনীয় মুৰব্বী বিষয়া তথা এই অঞ্চলৰ কেইগৰাকী মহৎলোকৰ প্ৰচেষ্টাত এই মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলা লৈ আলোচনা হয়। এই লৈ বিভিন্ন দান বৰঙণি সংগ্ৰহ কৰা হয়, অধিক ধন সংগ্ৰহৰ বাবে লটাৰী খেলৰ ব্যৱস্থা কৰা হ'ল। এটা মাংগলিক চিন্তাৰ পূৰ্ণতা পোৱাৰ পথতেই, কেইগৰাকীমান ব্যক্তিৰ অশুভ চিন্তাই ক্ৰিয়া কৰাত লটাৰী খেলে মহাবিদ্যালয়ত এক অস্বস্তিকৰ পৰিবেশ সৃষ্টি কৰিলে যাৰ পৰিপ্ৰেক্ষিতত আমি সাময়িক ভাবে শিক্ষা গ্ৰহণ কাৰ্য্য স্থগিত ৰাখি আন্দোলনৰ পথ লবলৈ বাধ্য হৈছিলো। অৱশেষত, সুকলমে অনুষ্ঠিত হৈ যোৱা খেলখনে আমাৰ সমস্যাৰ ওৰ পেলালে। মই আশাকৰো যে মহাবিদ্যালয়ৰ কতৃপক্ষই অনতি পলমে ছাত্ৰ-ছাত্ৰীৰ অভাৱ দূৰ কৰি বিজ্ঞান শাখা খোলাৰ ক্ষেত্ৰত অগ্ৰণী হয়।

মহাবিদ্যালয় প্ৰসংগত— স্থাপিত হোৱাৰ দিনৰে পৰা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশত বহুতো অসুবিধা ভোগ কৰি আহিছে। এই বিষয়ে সম্পাদকীয়ৰ ভিতৰত সোমোৱাই বহলাব বিচৰা নাই। এই সম্পৰ্কত আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত এটাই দাবী, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ যিখিনি অভাৱ অভিযোগ ছাত্ৰ একতা সভাৰ যোগেদি প্ৰতিবছৰে কৰ্তৃপক্ষৰ ওচৰত অৱগত কৰি অহা হৈছে সেইখিনিৰ প্ৰতি যেন সুব্যৱস্থা গ্ৰহণ কৰে।

আলোচনী প্ৰসংগত ব্যক্তিগত একাষাৰ— সম্পাদকীয় লিখিবলৈ লৈ বাৰে বাৰে থমকি ৰৈছো। এই কাৰ্য্যত মোৰ অভিজ্ঞতা নিচেই সীমিত হৈ আছে। সেয়ে নিতাইপুখুৰীৰ দৰে বৃহৎ অঞ্চলৰ একমাত্ৰ মহাবিদ্যালয় হিচাবে মহাবিদ্যালয়ৰ 'মুখপত্ৰ' খন যেনেকৈ সৰ্বাংগ সুন্দৰ কৰি প্ৰস্তুত কৰিব লাগিছিল, সেয়া কৰিব নোৱাৰিলো। সাহিত্য, তৰ্ক আৰু আলোচনী বিভাগৰ সম্পাদিকা হোৱাৰ পিচতে বহু আশাৰে উৎসাহি হৈ প্ৰস্তুতিৰ পথত খোজ পেলাইছিলো কিন্তু ইয়াৰ মাজমজিয়ালৈ যিমানেই সোমাই গলো সিমানেই বহু অসুবিধাৰ সন্মুখীন হব লগা হ'ল।

নানান অসুবিধাৰ বাবে সময় মতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ হাতত আলোচনীখন তুলি দিব নোৱাৰি মই নিজেও দোষী অনুভৱ কৰিছো। আলোচনী এখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিবলৈ হ'লে উচ্চ মানদণ্ডৰ লিখনিৰ নিত্যান্তই প্ৰয়োজন। এটা কথা স্বীকাৰ কৰিছো এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ উদাসীনতাই মোক যথেষ্ঠ হতাশ কৰিছিল। তথাপি এইখনও উচ্চ মানদণ্ড হৈছে বুলি কব খোজা নাই। তাৰোপৰি এখন আলোচনী কেৱল সম্পাদক বা সম্পাদিকাই উলিয়াব নোৱাৰে। যদিহে ছাত্ৰ বন্ধু বান্ধৱীয়ে তাত সহযোগ আগনবঢ়ায়। এটা গধুৰ দায়িত্বভাৰ অৰ্পন কৰিলেই ছাত্ৰ-ছাত্ৰীৰ কৰ্ত্তব্য শেষ নহয়। দায়িত্বভাৰ অৰ্পন কৰোঁতাজনক সৰ্বতো প্ৰকাৰে সহায় আগবঢ়াই কাম কৰি যাবলৈ অনুপ্ৰেৰণা দিয়াৰ কৰ্ত্তব্যও তেওঁলোকৰ আছে। কাৰ্য্যকালছোৱাৰ অভিজ্ঞতাৰ পৰা কব খুজিছো এই ক্ষেত্ৰত মই যথেষ্ট কষ্ট ভোগ কৰিব লগা হ'ল। সেয়ে ছাত্ৰ বন্ধু বান্ধৱীলৈ মোৰ এটাই অনুৰোধ— মোৰ কাৰ্য্যকালত ভূগি অহা কষ্টখিনি যেন পৰৱৰ্তী আলোচনী বিভাগৰ বাবে দায়িত্ব ভাৰ অৰ্পন কৰোঁতাজনে ভোগ নকৰে তাৰ প্ৰতি যেন সচেতন হয়।

আলোচনী এখন উলিওৱাটো মুখেৰে সহজ কাম যেন লাগিলেও কাৰ্য্যতঃ সেয়া নহয়। আলোচনীখন ন-ন শিতানেৰে সজাই উলিওৱাৰ পৰিকল্পনা কৰিছিলো যদিও পুঁজিৰ অভাৱত আলোচনীখনে গতানুগতিক ভাৱে গতি কৰিলে, তদুপৰি আলোচনীখনৰ কলেৱৰ যথেষ্ঠ সৰু কৰিব লগা হ'ল। স্থানৰ অভাৱত বহুতো লিখনি প্ৰকাশ কৰিব নোৱাৰাত ক্ষমা বিচাৰিছো। যি সকলৰ লিখা প্ৰকাশ হোৱা নাই সেই সকলক হতাশ হবলৈ নকওঁ। বিখ্যাত লিখকৰ লিখাও বহুত সময়ত অনাদৃত হৈ প্ৰকাশ নাপায়। যদি সফল সাহিত্য হয় তেতিয়া হলে এদিন নহয় এদিন সেইয়া জনচক্ষুৰ আগলৈ আহিব আৰু বিশ্বদৰবাৰত সমাদৃত হব। আমাৰ এইখন মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ ড° প্ৰহ্লাদ বৰুৱা এতিয়া অসমৰ এজন শ্ৰেষ্ঠ গাল্পিক। অথচ তেখেতৰ ৰচনাও বহুত সময়ত স্থানাভাৱত বা মানদণ্ডৰ অভাৱত প্ৰকাশিত হোৱা নাছিল। আন এক দিশৰ পৰা কবলৈ গলে সাহিত্য হ'ল এটা জাতি এটা যুগৰ খতিয়ান। "অভিজ্ঞতাৰ উন্মোষণত সঁচা সাহিত্যৰ সৃষ্টি হয়"। অভিজ্ঞতা বুলি কওঁতে বিশেষতঃ বাস্তৱ অভিজ্ঞতাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। পাঠকৰ মন পৰশা সাহিত্যহে সফল সাহিত্য হৈছে বুলি কব পাৰি। বৰ বেছি দূৰলৈ নগৈ আমাৰ পিচপৰা, ক্ষয়িষ্ণু সমাজখনতে পটভূমি বিচাৰিলে পোৱা যায়। এইবোৰকে লৈ লেখক লেখিকাই সাহিত্য কামলৈ বৰঙণি যোগাব পাৰে।

মোৰ কাৰ্য্যকালৰ এটা স্মৰণীয় কাৰ্য্য হ'ল 'প্ৰাচীৰ পত্ৰিকা' এখন উলিওৱাটো। বহুত চেষ্টাৰ মূৰকত এই পত্ৰিকাৰ (১৫/৯/৮৮) জন্ম হ'ল। মই ভাবো এই পত্ৰিকাখন বোৱতী নদীৰ নিছিগা ধাৰ হৈ আমাৰ মহাবিদ্যালয়ৰ সমূহ বন্ধু বান্ধৱীৰ মানসিক উৎকৰ্ষ সাধন কৰিব।

আলোচনীখনৰ দায়িত্ব লৈ সুন্দৰৰূপে সকলোৰে আগলৈ দিব পৰাটো এটা গধুৰ কাম আদি যথাসাধ্য চেষ্টা কৰিছিলোঁ। ইয়াৰ বিচাৰ্য্যৰ ভাৰ আপোনালোকৰ হাতত অৰ্পণ কৰিছো।

আন্তৰিক কৃতজ্ঞতা জনাইছোঁ ঃ—

সৰ্বশেষত আলোচনীখন প্ৰকাশ কৰিবলৈ অনুমতি দি প্ৰেৰণা যোগোৱাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত চিত্ৰসেন ৰাজকুমাৰ চাৰলৈ কৃতজ্ঞতা জনালোঁ। মোৰ সকলো কামতে সুপৰামৰ্শৰে সহায় কৰি অহা উপাধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওঁগ চাৰৰ ওচৰত মই ঋণী হৈ ৰ'লো। কাৰ্য্যকাল ছোৱাৰ বিভিন্ন কামত তথা আলোচনীৰ বিভিন্ন দিশত সহায় কৰি অহা ছাত্ৰ একতা সভাৰ সভাপতি অধ্যাপক শ্ৰীযুত দেৱেশ্বৰ চাংমাই চাৰক মই সদায় শ্ৰদ্ধাৰে সোঁৱৰিব। আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰ পথত সৰ্বোপৰি সহায় কৰা আলোচনী বিভাগৰ তত্বাৱধায়কদ্বয় অধ্যাপক শ্ৰীযুত সুধীৰ দাস চাৰ আৰু অধ্যাপিকা শ্ৰীযুতা ভদ্ৰাৱতী গগৈ বাইদেউৰ ওচৰত কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

পাণ্ডুলিপিৰ ওপৰত চকু ফুৰাই দিয়াৰ বাবে অধ্যাপিকা শ্ৰীযুতা ক্ষীৰ প্ৰভা গগৈ বাই-দেউলৈ গভীৰ কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ উপৰি যিসকলক কৃতজ্ঞতা নজনালে মোৰ সম্পাদকীয় আধৰুৱা হৈ ৰ'ব সেয়া হ'ল—মাননীয় শিক্ষাগুৰু শ্ৰীযুত মাধৱ মহন্ত চাৰ, শ্ৰীযুত বাণী গগৈ চাৰ, শ্ৰীযুতা অঞ্জলী গগৈ বাইদেউ, আৰু শ্ৰীযুত নোমল কোঁৱৰ চাৰ, শ্ৰীযুত অৰুণ গোহাঁই চাৰলৈ কৃতজ্ঞতা জনাইছোঁ।

বিশেষভাৱে কৃতজ্ঞতা জনাইছো ঃ—

* উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকৰ ছাত্ৰ ভাইটি, দেৱব্ৰত, ৰনজিত, ইন্দ্ৰজিত, আব্দুল, দীপক, বিপুল, হিৰণ্য, হেৰম্ব, ভন্তী, অনজু, সান্তনা, পুৰবী, ৰনজু, মনজু, গনজনা, বৈজয়ন্তী, ৰীতামণি, ইনুলৈ। ০ ০

* উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিকৰ ছাত্ৰ ভাইটি, স্মীথ, চুচেন, ৰচিদ আলি, বুবুল, কৰুণ,

নিৰোদ, চন্দ্ৰ ৰাজ খনিকৰ, ভণ্টী, আৰতি, ৰূপা, প্ৰতিভা, স্মৃতি, কল্পনা, মনজুশ্ৰী, ৰুমী, ডালিমী, অপৰাজিতালৈ । ০ ০

* স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ বন্ধু সৰ্বশ্ৰী বুবুল, মুকুট, মনোৰঞ্জন, নিৰঞ্জন, ৰজনী, ভদ্ৰ কেশৱানন্দ, আদিত্য, পূৰ্ণ, ছাত্ৰী বান্ধৱী—ৰেখা, জ্যোতি, যামিনি, সন্ধ্যা-হেমা, বীণা, ৰীতু, অঞ্জু, পঞ্চমী, দীপাঞ্জলী, মণিষা, লক্ষ্মী, জ্যোতি, প্ৰেমদালৈ । ০ ০

* স্নাতক ২য় বাৰ্ষিকৰ ছাত্ৰ অঞ্জন, হৰেশ, দীপক, ছাত্ৰী, ভুজিকা পুৰ্ণিমা, লক্ষ্মী, দিপালী উষা সন্দিকৈলৈ । ০ ০

* স্নাতক ৩য় বাৰ্ষিকৰ ছাত্ৰ অগ্ৰজ প্ৰতীম সৰ্বশ্ৰী শৈলেন দিহিঙ্গীয়া, ভেনিচ ৰাজবিকা, হিৰণ্য গগৈ, মন বুঢ়াগোহাঁই, (ভুতপূৰ্ব সাধাৰণ সম্পাদক) বসন্ত চেতিয়া, ছাত্ৰী শেৱালী ভুঞা, মিনতি ৰাজখনিকৰলৈ ।

ইয়াৰ উপৰি যিসকলে বহু সাহাৰে মোক এই দায়িত্ব ভাৰ লবলৈ আগবঢ়াই দিছিল । যিসকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ নাম স্থানৰ অভাৱত আলোচনীৰ পাতত সন্নিবিষ্ট কৰাব নোৱাৰিলো সম্ভৱপৰ নহ'ল, সেইসকল হিতাকাংক্ষী ছাত্ৰ-বন্ধু বান্ধৱীলৈ ও মোৰ আন্তৰিক কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো ।

এই সুযোগতে বেটুপাতৰ পৰিকল্পনা আৰু অংকণৰ ভাৰ লৈ কৰা শিল্পী সূৰ্য্য বুঢ়াগোহাঁই দেৱলৈ ব্যক্তিগত ভাৱে সহস্ৰ কৃতজ্ঞতা জনালোঁ ।

লগতে প্ৰিন্টৰ্কসৰ কৰ্মীবৃন্দলৈ, আমাৰ মহাবিদ্যালয় কাৰ্যালয়ৰ কৰ্মীবৃন্দ তথা গ্ৰন্থাগাৰ প্ৰধান শ্ৰীযুত নকুল শৰ্মাদেৱলৈ, কম সময়ৰ ভিতৰতে পাণ্ডুলিপি প্ৰস্তুত কৰি দি সহায় কৰা বন্ধু দিলীপ হাজৰীকালৈ মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো ।

সৰ্বোপৰি, মোৰ সকলো কৰ্মতে সুপৰামৰ্শৰে অনুপ্ৰেৰণা যোগাই অহা স্নাতক ১ম বাৰ্ষিকৰ ছাত্ৰ বন্ধু শ্ৰীশৈলেন ৰাজখনিকৰ (ভাৰ প্ৰাপ্ত সাঃ সঃ) লৈ মোৰ ব্যক্তিগত কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো ।

শেষত, নৱনিৰ্বাচিত আলোচনী বিভাগৰ সম্পাদক তথা ছাত্ৰী একতা সভাৰ সমুহ বিষয়ববীয়ালৈ অভিনন্দন জনালোঁ ।

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সোণালী ঐতিহ্য যুগমীয়া হওঁক এই কামনাৰে সম্পাদকীয় সামৰিছো । ❁

মধুস্মিতা দিহিঙ্গীয়া বৰুৱা

# শংকৰদেৱৰ সাহিত্যত এভুমুকি

সন্ধ্যালী গগৈ

১৪৪৯ খৃষ্টাব্দত মহাপুৰুষ শংকৰদেৱৰ জন্ম হয় । বৈষ্ণৱ ধৰ্ম্ম প্ৰচাৰেই তেওঁৰ মূল উদ্দেশ্য আছিল যদিও প্ৰকৃতাতে তেওঁ অসমীয়া সাহিত্যলৈ যিখিনি অৱদান দি থৈ গ'ল সেইখিনিয়ে তেওঁৰ নাম চিৰদিন উজ্জ্বলাই ৰাখিব পাৰিছে । গীত, পদ, নাট আদিয়ে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত যথেষ্ঠখিনি ইন্ধন যোগাইছে ।

শঙ্কৰদেৱে অসমীয়া সাহিত্যলৈ এটি নতুন যুগক আদৰি আনিলে—সেয়াই হৈছে নৱবৈষ্ণৱ যুগ । এই নৱবৈষ্ণৱ যুগতেই কলা-সাহিত্যৰ প্ৰচুৰ উন্নতি দেখা যায় । মহাপুৰুষ শঙ্কৰদেৱে ধৰ্ম্ম গ্ৰন্থবোৰৰ যোগেদি যিদৰে মানুহৰ ধৰ্মৰ প্ৰতি বিশ্বাস জন্মাব খুজিছিল, ঠিক সেইদৰে এই গ্ৰন্থবোৰৰ জৰিয়তে কলা সাহিত্যৰ প্ৰচুৰ উন্নতি কৰিব বিচাৰিছিল । অসমীয়া নাট্য সাহিত্যৰ জনক হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ । তেওঁৰ প্ৰথম নাট আছিল চিহ্ন যাত্ৰা । এই নাটখন প্ৰথম অভিনয় কৰা হয় ১৪৬৮ চনত বৰদোৱাত । অসমীয়া নাট্য-সাহিত্যলৈ তেওঁৰ অৱদান সমূহ হ'ল—

১) পত্নী প্ৰমাদ ২) কালিয়দমন ৩) কেলি গোপাল ৪) ৰুক্মিণীহৰণ ৪) পাৰিজাত হৰণ ৬) ৰামবিজয় ।

কাব্য সাহিত্যলৈ অৱদান সমূহ হ'ল—

১) হৰিচন্দ্ৰ উপাখ্যান ২) ৰুক্মিণীহৰণ কাব্য আৰু ৩) উত্তৰাকাণ্ড ৰামায়ণ ।

গীতসমূহ হ'ল— ১) বৰগীত ২) ভটিমা ৩) টোটয় ৪) চপায় । অসমীয়া ভাষা-সাহিত্যৰ আচল ৰূপটো প্ৰতিষ্ঠা কৰি থৈ গ'ল শঙ্কৰদেৱে তেওঁৰ ৰচনাৱলীৰ মাজেৰে । তৎসম, তদ্ভৱ, অৰ্ধতৎসম আদি শব্দৰ ব্যৱহাৰেৰে ৰচনাসমূহ ইমান সহজ সৰল আছিল যে প্ৰত্যেকজন অসমীয়াই অধ্যয়ন কৰিব পাৰে । শ্ৰীমন্ত শঙ্কৰদেৱৰ গ্ৰন্থসমূহে অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ লগতে অসমীয়া সাহিত্যকো সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছে । শঙ্কৰদেৱে প্ৰথম ৰচনা কৰা কাব্যখন হ'ল হৰিচন্দ্ৰ উপাখ্যান । এই কাব্যখনৰ মাজেৰে গুৰুজনাই বিষ্ণুৱেই যে শ্ৰেষ্ঠ তাকে প্ৰতিপন্ন কৰিব বিচাৰিছে । ৰজা হৰিচন্দ্ৰই বিঘ্ননাশক গনেশক পুজা নিদি বিষ্ণুক আৰাধনা কৰি অশেষ কাৰ্য্যৰ মাজেৰে বিষ্ণুক কিদৰে লাভ কৰিছিল তাৰ এটা সৰল ব্যাখ্যা পোৱা যায় ।

জগতৰ নাথ সংসাৰৰ আদি মূল ।
বিষ্ণুকে যে পুজি প্ৰথমতে দিবো ফুল ॥
বিষ্ণুত আপিবো যত পুজা যজ্ঞ দান ।
বিষ্ণু বিতিৰেকে দেৱ নজানোহো আন ॥

শঙ্কৰদেৱৰ ৰচনা ভক্তিৰস প্ৰধান হলেও তাত নৱৰসৰো প্ৰয়োগ ঘটিছে । শঙ্কৰদেৱে অসমীয়া সাহিত্যত কৰুণ, বীৰ, শৃংগাৰ আদি ৰসৰ প্ৰয়োগ ঘটায় । আজিৰ পৰা প্ৰায় পাঁচশ বছৰ

আগতেই শঙ্কৰদেৱে অসমীয়া সাহিত্যত (কাক) বিশেষকৈ কাব্যৰ এই উপাদান, যেনে— অলঙ্কাৰ, ছন্দ, ৰূপক, উপমা আদি ব্যৱহাৰ কৰি অসমীয়া সাহিত্যিক উন্নত কৰি থৈ গৈছে।

শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বৰগীতসমূহ অসমীয়া সাহিত্যৰ আপুৰুগীয়া সম্পদ। এক বৰগীত সমূহক এক প্ৰকাৰৰ প্ৰাৰ্থনা বুলিয়েই কব পাৰি। শঙ্কৰদেৱৰ বৰগীত সমূহত পাৰমাৰ্থিক তত্ব আৰু সংসাৰৰ প্ৰতি বিৰক্তি ভাৱ প্ৰকাশ পাইছে। ব্ৰজাৱলী ভাষাত ৰচিত বৰগীত সমূহত বাৎসল্য, শান্ত আৰু দাস্যভাৱৰ প্ৰাধান্য দেখা যায়। মানুহৰ জীৱন ক্ষণস্থায়ী, কিন্তু দুৰ্লভ। এই ক্ষণস্থায়ী আৰু দুৰ্লভ মনুষ্য জীৱন সাৰ্থক কৰিব পাৰি হৰি ভক্তিৰে। অসমীয়া সমাজলৈ তেওঁৰ মহৎ অৱদান হ'ল— ১) নামঘৰ ২) সত্ৰ। এই সত্ৰ আৰু নামঘৰবোৰে সমাজক নৈতিকতাৰ শিক্ষা দিয়ে। আনহাতে সমাজক একত্ৰিত কৰা দুটা মহামন্ত্ৰ। সত্ৰই হ'ল অসমীয়া জাতিৰ সংস্কৃতি আৰু সাংস্কৃতিক ঐক্যৰ প্ৰতীক। অসমৰ সকলো নামঘৰ আৰু সত্ৰই অসমীয়া সংস্কৃতিৰ ধ্বজা উৰাব লাগিছে। শঙ্কৰদেৱে পোনতে বৰদোৱাত সত্ৰ পাতি নাম-ধৰ্ম্ম প্ৰচাৰ কৰিছিল। তাৰ পাছতহে তেওঁ কুমাৰকুছি, গণককুছি, পাটবাউসী আদিত সত্ৰ পাতে। শঙ্কৰদেৱে সত্ৰসমূহত কিছুমান নৃত্য প্ৰচলন কৰিছিল আৰু সেই বিলাকক সত্ৰীয়া নৃত্য বুলি জনাজাত। শংকৰদেৱৰ দিনতেই শাস্ত্ৰীয় সংগীতৰ বহল প্ৰচলন অসমত হয়। যদিও এই গীত আগৰ পৰাই প্ৰচলন আছিল তথাপিও ই এক বিশেষ শ্ৰেণীৰ মানুহৰ মাজতে আবদ্ধ আছিল। শংকৰদেৱে সকলোকে এটা মাধ্যমলৈ আনে। শংকৰদেৱৰ সত্ৰীয়া নৃত্যক অসমীয়া কলাৰ এটা প্ৰধান অংগ বুলি কব পাৰি। শংকৰদেৱ আছিল অসমীয়া সাংস্কৃতিৰ জনক। তেওঁৰ লিখনিসমূহ আছিল অমূল্য আৰু উচ্চ মানদণ্ডৰ। শংকৰদেৱৰ দিনত অসমত কুসংস্কাৰে ভৰি আছিল। যেনে— উচ্চবৰ্ণ লোকে নিম্নবৰ্ণৰ লোকক স্পৰ্শ কৰিলে জাত যায় বুলি ভাবিছিল। কিন্তু শংকৰদেৱে এই বৈষম্য দূৰ কৰিবলৈ অপ্ৰাণ চেষ্টা চলালে। গীতা ভাগৱত আদিৰ পৰা সাৰমৰ্ম থিনি গোটাই লৈ নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰাৰ লগতে সাহিত্যৰ সোৱাদো অসমবাসীক দিলে। যেতিয়া সমাজত শৃংখলা নাথাকে তেতিয়াই একতাৰ অভাৱত মানুহৰ মনত বিৰাগ ভাৱ জন্মে। হয়তো সেই বিৰাগভাৱ আঁতৰ কৰিবলৈকে শংকৰদেৱে অসমৰ ইমূৰ পৰা সিমূৰলৈ নামঘৰ, সত্ৰ আদি পাতি মানুহৰ মনত ধৰ্মৰ ভাৱ জগাই তুলিবলৈ অপ্ৰাণ চেষ্টা কৰিলে। আনহাতে ধৰ্মগ্ৰন্থবোৰৰ জৰিয়তে অসমীয়া ভাষা সাহিত্যৰ উন্নতি কৰিব বিচাৰিলে। তেওঁ ধৰ্ম প্ৰচাৰৰ জৰিয়তে অসমীয়া জাতিটোকো একত্ৰিত কৰিলে। তেওঁৰ উদ্দেশ্য আছিল যাতে সকলোৱে একেটা ধৰ্ম গ্ৰহণ কৰি তেওঁলোকে নিজৰ দেশৰ কাৰণে নিজৰ ভাষা সাহিত্যৰ উন্নতি কল্পে অপ্ৰাণ চেষ্টা কৰিব। শংকৰদেৱৰ গুণানুকীৰ্ত্তন আমি প্ৰতি মুহূৰ্ত্ততে স্মৰণ কৰো বুলি কলেও বঢ়াই কোৱা নহব। পুৱাৰ পৰা গধূলিলৈকে গুৰু জনাকেই স্মৰণ কৰা হয়। পুৱাগীত, বৰগীত





ভাগৱত পাঠ, ভাওনা সবাহ আদি যিহেতু তেওঁৰে মহৎ অৱদান, সেয়েহে তেওঁক কোৱা হৈছে—

'তোমাৰ জীৱনীদেৱ লিখে এনে সাধ্যকৰে।
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ ॥'

শংকৰদেৱে প্ৰচাৰ কৰা নৱবৈষ্ণৱ ধৰ্ম্মৰ জৰিয়তে বিষ্ণুক শ্ৰেষ্ঠতম বুলি প্ৰতিপন্ন কৰিব বিচাৰিছে। এই মায়াময় সংসাৰৰ পৰা মুক্তি পাবলৈ হলে আমি এজনকে উপাসনা কৰিব লাগিব, তেওঁ হল "শ্ৰীকৃষ্ণ"।


শংকৰদেৱে কৈছে—

একদেৱ একসেৱ
একত বিনে নাই কেৱ।

শংকৰদেৱে আমাক দি থৈ গ'ল সাহিত্য, সংস্কৃতি, ধৰ্ম, নামঘৰ, সত্ৰ ভাওনা, নাট, আৰু বহুতো। শংকৰদেৱৰ অসমীয়া সাহিত্যলৈ এই অৱদান সঁচাকৈয়ে অতুলনীয়। গতিকে এই মহান ব্যক্তিজনক আমাৰ মাজত জীয়াই ৰাখিব লাগিব। তেওঁক আমি বিচাৰি ক'ত পাম তেওঁ নিজেই কৈ গৈছে—

কীৰ্ত্তন দশম পুথি থাকিব যথাৎ।
ময়ো নিশ্চয় থাকিম তথাৎ ॥

সেয়ে নিঃসন্দেহে কব পৰা যায় যে অসমীয়া ভাষা আৰু সাহিত্য যি যিমান দিন-লৈকে থাকিব শংকৰদেৱৰ সাহিত্য ৰাজিও সিমান দিনলৈকে থাকিব। শংকৰদেৱৰ কীৰ্ত্তন-দশম যিমান দিনলৈকে থাকিব শংকৰদেৱো আমাৰ মাজত সিমান দিনলৈকে থাকিব। ● ❁





হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয় কলেজ আলোচনী

# কবীৰ : এটি চমু পৰিচয়

শ্ৰীটুটুমণি চেতিয়া

মধ্যযুগত ভাৰতৰ বিভিন্ন প্ৰদেশত কেইবাগৰাকীও উদাৰ ধৰ্ম্ম প্ৰচাৰক জন্ম হয়। তাৰ ভিতৰত্ত ৰামানন্দ, কবীৰ, নানক আৰু শঙ্কৰদেৱ ভাৰতীয় সাধনাৰ উজ্জ্বল ৰত্ন। ধৰ্ম্ম আৰু সামাজিক জীৱনৰ সকলো প্ৰকাৰৰ কু-সংস্কাৰ দূৰ কৰি ভাৰতবাসীৰ অন্তৰত সাম্য, মৈত্ৰী আৰু সত্যৰ বাণী প্ৰচাৰ কৰিবলৈ তেওঁলোকে চেষ্টা কৰিছিল।

ভক্তই জাতৰ বিচাৰ নকৰে। ভক্তিয়েহে তেওঁলোকৰ যথাৰ্থ পৰিচয়। এই কথা কবীৰৰ জন্ম বৃত্তান্ততে প্ৰকাশ পাইছে। ১৩৯৮ খৃষ্টাব্দৰ জেঠ মাহৰ শুক্ল পক্ষৰ সোমবাৰ পূৰ্ণিমা তিথিত কবীৰৰ জন্ম হয় কাশীৰ এঘৰ ব্ৰাহ্মণৰ ঘৰত। তেওঁৰ পিতৃৰ নাম নীৰু আৰু মাতৃৰ নাম নীমা। কিন্তু জন্মৰ পিছত মাকক পৰিত্যাগ কৰাত মুছলমান তাঁতী এঘৰে তুলি লয়। তেওঁলোকেই তেওঁৰ নাম কবীৰ থলে। কবীৰ আৰবী শব্দ ইয়াৰ অৰ্থ হৈছে মহান।

কাশী হিন্দু প্ৰধান ঠাই' কবীৰৰ পালক পিতা যদিও মুছলমান, তেওঁৰ ওচৰ চুবুৰীয়াসকল আছিল হিন্দু। গতিকে কবীৰে সৰুৰে পৰা সমবয়সীয়া হিন্দু ল'ৰা ছোৱালীৰ লগতে ধেমালি-ধুমূলা কৰিছিল। কবীৰ ব্যক্তিগত জীৱনতে হিন্দু আৰু মুছলমান জীৱন ধাৰাৰ এক অপূৰ্ব সমন্বয় সংঘটিত হৈছিল। সেই কাৰণেই জীৱন ব্যাপী হিন্দু মুছলমান মিলনৰ ব্ৰতত ব্ৰতী হবলৈ কবীৰৰ সুযোগ ওলাইছিল। তেওঁ কৈছিল— "খোদা যদি মছজিদতে থাকে, তেন্তে বাকীবোৰ ঠাই কাৰ? তীৰ্থত আৰু মূৰ্তিত যদি ঈশ্বৰ বাস কৰে' তেন্তে বাহিৰখন কোনে দৰ্শন কৰিব? হাঁয় পূবত হৰিৰ বাস পশ্চিমত আল্লাৰ মোকাম ভালকৈ বিচাৰি চোঁৱা, নিজৰ অন্তৰৰ ভিতৰতে ৰাম ৰহিম দুয়োকে পাবা।"

কবীৰে উপলব্ধি কৰিছিল যে ভাৰতবৰ্ষ কেৱল হিন্দু বা মুছলমানৰ দেশ নহয়। এই দুই প্ৰধান ধৰ্ম্ম সম্প্ৰদায়ৰ মিলনৰ দ্বাৰাইহে শক্তিশালী হব। হিন্দু মুছলমান দুয়ো একতাৰ সূত্ৰেৰে বান্ধ খাবলৈ হলে নিজ ধৰ্ম্মৰ গোড়ামি এৰিব লাগিব; জাতি ধৰ্ম ভেদাভেদ পাহৰি সমদৃষ্টি ভাবাপন্ন হব লাগিব। বহুতো মনোমোহা উপমাৰে কবীৰে হিন্দু মুছলমানৰ ঐক্যৰ আভাস দিছে। তেওঁ এটি দোহাত কৈছে, মুছলমান বেজী, হিন্দু সূতা. পৰমেশ্বৰে, তাৰে মনোমোহা ফুলবছা কাপোৰ চিলায়— "অনুৰক্ত ভক্তই সেই কাপোৰ পিন্ধিব বুলি।" অন্য দোহাত কৈছে, মুছলমান তেল-হিন্দু শলিতা, তাৰে বন্তি জ্বলোৱা হৈছে। সেই বন্তীয়ে মন্দিৰত আৰতি আৰম্ভ হৈছে। পৰমেশ্বৰ তাতে তৃপ্ত।"

সম্প্ৰদায় ভেদৰ মাজতো যে অভেদ স্থাপন কৰিব পাৰি এই তত্ত্ব কবীৰে নানা উপমা আৰু দৃষ্টান্তৰে প্ৰচাৰ কৰিছিল। বিভিন্ন সম্প্ৰদায়ত অথবা বিভিন্ন বৰ্ণত জন্ম হলেও কবীৰৰ মতে সকলো মানুহ অভেদ, এক ঈশ্বৰৰে সন্তান। তেওঁলোক এক মানুহ সংজ্ঞাৰহে অধীন। তেওঁ উপমা দি কৈছে— "ক'লা গাই বা হালধীয়া গাই দুয়োৰে গাখীৰ একে বৰণৰ, সেই দুই গাখীৰৰ বিভিন্নতা কৰিব পাৰি জানো?"

কবীৰে লিখা পঢ়া নাজানিছিল। কিন্তু অতুলনীয় প্ৰতিভা আৰু নিজ অভিজ্ঞতাৰ সমুদ্ৰ মন্থন কৰি অপূৰ্ব তত্ত্বকথা আহৰণ কৰি মধুৰ ভাষাত প্ৰচাৰ কৰি গৈছে। কবীৰে কৈছে— "বহী কাগজ মই কেতিয়াও চোৱা নাই। কলম হাতত নাই; হে নাথ, তথাপি কৃপা কৰি তুমি মোক সৰ্বকালৰ তত্ব কথা জনাইছা।" কবীৰক সকলোৱে সোধে, নীচকুলত জন্মহৈ তুমি এইবোৰ ক'ত পালা? কবীৰে কয়, "বৰষুণ দিলে পানী ওখ ঠাইত থাকিব নোৱাৰে; সকলো পানী তললৈ বৈ আহে।"

মধ্যযুগৰ সাধকসকলৰ চৰিত্ৰৰ এইখিনিতে এটা বিশেষ মন কৰিবলগীয়া কথা যে কবীৰ আদি সাধকসকলে যি জ্ঞান লাভ কৰিছিল, তাক জন-গণৰ মাজত প্ৰচাৰ কৰিবলৈ তেওঁলোকে নিজেই যথা শক্তিৰে চেষ্টা কৰিছিল। ইয়াক ভাৰতৰ চিৰন্তন জন শিক্ষা প্ৰচাৰ প্ৰথা বুলিব পাৰি; কিয়নো ভাৰতৰ সাধনাত জ্ঞান ব্যক্তিবিশেষৰ সম্পত্তি নহয়; সি সৰ্ব মানৱৰ।

সেই দেখিয়েই আমাৰ দেশৰ প্ৰাচীন মহাপুৰুষ সকলে মঠ-মন্দিৰ, সত্ৰ দেৱালয় পাতি সকলো প্ৰজাৰ মাজত বিনা মূল্যে জ্ঞান প্ৰচাৰ কৰিছিল।

ত্যাগ সেৱা আৰু বৈৰাগ্যই হ'ল ভাৰতীয় আদৰ্শ। কবীৰৰ জীৱনত তাৰেই উজ্জ্বল পৰিচয় আছে। কবীৰ আছিল অলপতে তুষ্ট। তেওঁ ভগৱানক প্ৰাৰ্থনা কৰিছিল, "প্ৰভু মই তোমাৰ ভৃত্য, তুমি মোৰ প্ৰভু।" তোমাৰ পৰা মই দুটা ৰুটি আৰু এডোখৰ লেংটি পালেই সন্তুষ্ট থাকিম।" এনে আদৰ্শত অনুপ্ৰাণিত হৈ কবীৰে নিতৌ এখন মাত্ৰ কাপোৰ বৈছিল; আৰু সেই কাপোৰ বেচি যি ধন পাইছিল, তাৰেই জীৱিকা নিৰ্বাহ কৰিছিল। এদিন কবীৰে নিজে, বোৱা কাপোৰখন বজাৰত বেচিবলৈ নিছে, এনেতে এজন ভিক্ষাৰীয়ে ওচৰ চাপি কাপোৰখন ভিক্ষা খুজিলে। কাপোৰখন দান কৰি কবীৰ শুদা হাতে ঘৰলৈ ওভতি গ'ল আৰু সেই নিশা অনাহাৰত থাকিব লগা হ'ল। এয়ে আছিল তেওঁৰ ত্যাগ। মানৱ জীৱনত সন্তোষেই মূলধন; হাতী, ঘোৰা, ধন, সোণ তাৰ আগত ধূলিৰ সমান।

কবীৰৰ দোহাৱলীৰ মাজত্ত সাধাৰণ জীৱনৰ আশা আকাংক্ষা আধ্যাত্মিক কামনা-বাসনাৰ স্ফুৰণ হৈছে। সেই কাৰণে কবীৰৰ বাণী কেৱল হিন্দীৰ নহয় ভাৰতীয় সাহিত্যৰে অমূল্য সম্পদ। দোহা বা সাখী নামৰ এই অমৰ বাণী সমূহৰ সংখ্যা প্ৰায় পোন্ধৰ শ। কবীৰৰ দুজন শিষ্য শ্ৰুত গোপাল আৰু ভগৱান দাসে "মুখানি ধান" আৰু "বীজক" নামৰ দুখন সংগ্ৰহ পুথিত এই দোহাৱলী সন্নিৱিষ্ট কৰিছে। কবীৰৰ জীৱন আৰু দোহাৱলী সমসাময়িক আৰু পিছৰ যুগৰ (৮ পৃষ্ঠাত চাওঁক)

# ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা

শ্ৰীউষাৰাণী দত্ত

অসমৰ কলা জগতৰ অদ্বিতীয় নাট্যকাৰ, গীতিকাৰ, সুৰকাৰ, সমালোচক, শিশু-সাহিত্যিক তথা বৈপ্লৱিক কবি জ্যোতিপ্ৰসাদৰ বিষয়ে লিখিবলৈ যোৱাটো ধৃষ্টতাহে মাথো। জ্যোতিপ্ৰসাদে কি লিখিছিল বা কি কৰিছিল তাক কোৱাতকৈ কি কৰা নাই সেইটো কোৱাহে ভাল হ'ব।

এইজন মহান কলাকাৰৰ জন্ম হয় ১৯০৩ চনৰ ১৭ জুনত, তেজপুৰৰ তামোল-বাৰীৰ পৰমানন্দ আগৰৱালাৰ ঔৰসত আৰু কিৰণময়ী আগৰৱালাৰ গৰ্ভত। এজন পুৰুষৰ গাত যিবোৰ লক্ষণ থাকিব লাগে, জ্যোতিৰ গাত তেনেকুৱা বহুত গুণ আছিল। পঢ়া-শুনাৰ ফালৰ পৰাও তেওঁ এজন মেধাবী ছাত্ৰ হিচাপে পৰি গণিত।

সকলো ক্ষেত্ৰতে জ্যোতিপ্ৰসাদৰ সুন্দৰৰ প্ৰতি এটা সুকীয়া আকৰ্ষণ আছিল। সুন্দৰে তেওঁক অহোৰাত্ৰে হাত বাউল দি মাতিছিল। 'শোণিত কুঁৱৰী' 'কাৰেঙৰ লিগিৰী,' আৰু 'লভিতা,' মাথোন এই তিনিখন নাটক তেওঁ ছপাই উলিয়াবলৈ সমৰ্থ হৈছিল। দ্বিতীয় দশকত গুৱাহাটী কামৰূপ নাট্য সমিতিৰ নৱনিৰ্মিত মঞ্চটোৰ "কুমাৰ ভাস্কৰ নাট্য মন্দিৰ" নামটো জ্যোতিয়ে আগবঢ়াইছিল, তেওঁৰ শিল্পী বন্ধু স্বভাৱ-বিজ্ঞানী লক্ষীনাথ দাসদেৱৰ যোগেদি। গুৱাহাটীত আকাশবাণী প্ৰতিষ্ঠা হোৱাত মহিলা অনুষ্ঠানটো 'আইদেউৰ বুলনি' নামেৰে নামকৰণ কৰিছিল জ্যোতিপ্ৰসাদে। এনে বহুত কথাত জ্যোতিপ্ৰসাদে তেওঁৰ অসম-প্ৰেমী শিল্পী-মনৰ স্বাক্ষৰ এৰি থৈ গৈছে। যথাৰ্থতে তেওঁ ৰূপৰ পূজাৰী ৰূপকোঁৱৰহে আছিল।

জ্যোতিপ্ৰসাদ সৰুৰে পৰা আছিল সাহসী আৰু সংগীতানুৰাগী। সৰুতেই তেওঁ দেউতাকক এটা বিলাতী বাঁহী লাগে বুলি কাকুতি-মিনতি কৰিছিল। বিলাতী বাঁহীৰ পৰিবৰ্তে দেউতাকে এখন অৰ্গেন কিনি দিছিল। তেতিয়াৰ পৰাই জ্যোতিপ্ৰসাদে একান্তমনে অৰ্গেনত আঙুলি বুলাই গীত গোৱা আৰম্ভ কৰিলে। এইদৰেই সৃষ্টি হ'ল তেখেতৰ থলুৱা সুৰেৰে মালা গথাঁ নিভাজ অসমীয়া গীতৰ শৰাই—

"গছে গছে পাতি দিলে ফুলৰে শৰাই—
কি ৰাম ৰাম ফুলৰে শৰাই"

ইয়াৰ পিছতে গুৱাহাটীত বহিল অসম সাহিত্য সভাৰ সপ্তদশ অধিবেশন। ইয়াৰ সভাপতি সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা। অধিবেশনত গাবলৈ বুলি প্ৰফুল্ল চন্দ্ৰ বৰুৱাই "গছে গছে পাতি দিলে" আৰু "ৰূপহ কোঁৱৰৰ চুমা পৰশত" এই দুটা অসমীয়া সুৰীয়া গীত থিৰ কৰিলেই। সভাত গীত কেইটা গোৱাৰ পিছত পণ্ডিত লক্ষীনাথ শৰ্ম্মাদেৱে, অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে আবেগময়ী ভাষাত বক্তৃতা দি কৈছে—"আজিৰ সভাত য'তবোৰ গান শুনিলো একাণেদি সোমাই আনকাণেদি ওলাই গ'ল। কিন্তু এই অসমীয়া সুৰ মোৰ প্ৰাণৰ ভিতৰলৈ সোমাল" ইত্যাদি। অসমীয়া সুৰে সকলোৰে প্ৰাণত অভিনৱ স্পন্দন তুলিবলৈ ধৰিলে।

নাট্যকাৰ জ্যোতিপ্ৰসাদৰ অভিনেতা আৰু নাট্য শিল্পী হিচাপে জগতত সুখ্যাতি আছিল। ৰূপকোঁৱৰে ৰূপায়িত কৰা স্ত্ৰী চৰিত্ৰৰ ভিতৰত কৰ্ণাৰ্জুনৰ 'নিয়তি,' জয়মতী কুঁৱৰীৰ 'ডালিমী.' আৰু শোণিত কুঁৱৰীৰ 'চিত্ৰলেখা,'। পুৰুষ চৰিত্ৰৰ ভিতৰত মিচৰ কুমাৰীত ছাহজাহানৰ নাম ভূমিকাত অভিনয় কৰি দৰ্শকৰ পৰা ভূয়সী প্ৰসংশা লাভ কৰিছিল।

১৯২৬ চনৰ চেপ্তেম্বৰ মাহত তেওঁ বিলাত যাত্ৰা কৰে। নিজকে প্ৰতিষ্ঠা কৰাৰ সপোনলৈ ৰূপকোঁৱৰ উঠিলগৈ বৃটিছৰ দেশত। আশাৰ বুকুত নিজৰ মনক বিলাই দি তেওঁ হৈ পৰিল এডিনবৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ। প্ৰথমে তেওঁ অৰ্থনীতি, সংস্কৃত, পাব্লিক ল' আৰু পিছত দৰ্শন আৰু অৰ্থনৈতিক ইতিহাস অধ্যয়ন কৰে।

১৯৩০ চনত বিলাতৰ পৰা আহি অধিক সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। তেওঁ সমাজ পৰিবৰ্ত্তনৰ বাবে সাংস্কৃতিক বিপ্লৱক পৃথক কৰি দেখুওৱা নাই। বৰং স্পষ্টভাৱেই ব্যাখ্যা কৰিবৰ যত্ন কৰিছে।

জীৱনত পোৱা তিতা-কেহাঁৰ অভিজ্ঞতাৰ মাজতেই তেওঁৰ দৃষ্টি গোচৰ হ'ল সমাজৰ নিমাতী কইনাজনীক। তেওঁ নিমাতীৰ মাত বিচাৰি ওলাল। ৰূপকোঁৱৰে ত্যাগ বিচাৰি ওলাল। তেওঁ লিখিবলৈ ললে এখনি গীতি-নাট। কাহিনী ককাদেউতাৰ মুখ বাগৰি ফুৰা প্ৰচলিত সাধুকথা "নিমাতী কইনা"।

জ্যোতিপ্ৰসাদৰ বিভিন্ন ৰচনাৰ সময় ১৯১৭ চনৰ পৰা ১৯৫৩ চনৰ ভিতৰত। তাৰে ভিতৰত আটাইকেইখন নাটক ১৯৪৭ চনৰ ভিতৰত।

বিপ্লৱীৰ তেজ দেহত লৈয়ে হয়তো জন্ম হৈছিল জ্যোতিপ্ৰসাদৰ! সেয়ে তেওঁ কৈছে—

"অগ্নিৰে মই খেলা কৰিছো মোৰ অগ্নিৰে খেমালী,
মোৰ তেজৰ এটি দ্বীপেই তোক কৰিব সোণালী।"

ধনৰ মায়া, ঘৰৰ মায়া এৰি তেওঁ জপিয়াই পৰিছিল স্বাধীনতা আন্দোলনত।

ৰূপকোঁৱৰ তামোলবাৰী বাগিচাত থকা সময়তে এদিন ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। বৃটিছ চৰকাৰ গুচি গ'ল কিন্তু এৰি থৈ গ'ল শাসনৰ চাবুকডাল। যাৰ বাবে কমিনিউষ্টবিলাকে এই স্বাধীনতাক স্বাধীনতা বুলি কবলৈ টান পালে। তেওঁ উপলব্ধি কৰিলে, আজি কংগ্ৰেছ কৰ্ম্মীয়ে গান্ধীজীৰ লগতে তেওঁৰ নীতিকো গুলিয়াই হত্যা কৰিলে। সেয়ে ক্ৰোধতে লিখিলে—

"সুবিধাবাদীৰ দল
তোৰ মিছা হ'ব কৌশল।"

জ্যোতিপ্ৰসাদে এহাতে অসমীয়া শিল্প সংস্কৃতিৰ বিশিষ্টভাৱে গঢ়ি তোলাৰ আৰু আনহাতে তাক বিশ্ববোধৰ চেতনাৰে উদ্দীপ্ত

কৰাৰ আন্তৰিক কামনাৰে যত্ন কৰিছিল। জ্যোতিপ্ৰসাদৰ দৃষ্টি আৰু দৰ্শনত সৌন্দৰ্য্যৰ স্থান অন্যান্য সকলো তত্বতকৈ ওপৰত। ৰূপ-কোঁৱৰে শিল্পীৰ পৃথিৱীৰ শেষ লক্ষ্যৰ বাবে যিদৰে তেওঁ ভাৰতীয় ঐতিহ্য তথা গান্ধীৰ হৃদয় বৃত্তিৰ শোধনাতত্বৰ ওপৰত ভৰ দিছে, তেনেকৈ মাৰ্ক্সৰ শ্ৰেণী-সংগ্ৰামৰ প্ৰয়োজনীয়-তাকো অনাবিল দৃষ্টিৰে গ্ৰহণ কৰিছে। সেই-বাবেই মানুহৰ প্ৰাণত প্ৰতিটো ভবিষ্যতৰ মূহ-ৰ্ত্তক সুন্দৰ ৰূপলৈ ৰূপায়িত কৰিবৰ বাবে ৰাস্তৱদণ্ডৰ সন্মুখীন হোৱাৰ প্ৰয়োজনীয়তাকো দ্বিধাহীন ভাবে প্ৰকাশ কৰিছে।

সমাজৰ প্ৰতি দৃষ্টি, সাংস্কৃতিক বিপ্লৱৰ কামনা, অবিচাৰৰ বিৰুদ্ধে সংগ্ৰাম, নিপীড়িত মানবৰ উদ্ধাৰৰ সংকল্প, ৰক্ষণশীলতা, সংকীৰ্ণতা আদি চিন্তাধাৰাবোৰ আছিল 'লভিতা' নাটকৰ বিষয়বস্তু। তেওঁ সেই সময়তে 'সুন্দৰ কোঁৱৰ,' 'কনকলতা,' খনিকৰ' আদি নাট, বহুতো গল্প, উপন্যাস আৰু নৃত্য-নাটিকা, "সোণ-পখিলী" লিখি উলিয়াইছিল। তেওঁৰ শাৰিৰীক অসুস্থতা কিম্বা অকাল মৃত্যুৰ বাবেই হয়তু সোণ পখিলী, কনকলতা, মানৱ দিনৰ 'অগ্নিসুৰ,' আদিবোৰ আধৰুৱা হৈ ৰয়।

তামোলবাৰী চাহ বাগিছাতে জ্যোতি-প্ৰসাদৰ জীৱনলৈ পৰাজয়ৰ গ্লানি নামি আহিল। ইপিনে শৰীৰ অসুস্থ, তাতে বিষাক্ত পৰিবেশ। তেওঁ ভাতৃ হৃদয়ানন্দলৈ চিঠি লিখি সকলো-বিলাক জনাই তেওঁক তাৰ পৰা লৈ আহিবলৈ ক'লে আৰু ১৯৫০ চনৰ অক্টোবৰ মাহত তেওঁ ভাৰ্য্যাৰে সৈতে গুৱাহাটীলৈ যায়। তাতো একো ঠিক নোহোৱাত ডাক্তৰৰ পৰামৰ্শ মতেই এইবাৰ শ্বিলঙৰ ৱেলমিশ্যান হস্পিতালত ভৰ্ত্তি কৰোৱা হয়। তাত দুমাহ দিন ধৰি পূৰ্ণগঠিত চিকিৎসা চলোৱাৰ পাচতো কোনো পৰিবৰ্ত্তন নহ'ল; বৰং

৫ পৃষ্ঠাৰ পিচৰ পৰা

সন্তসাধকসকলৰ জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। কবীৰৰ গীত সকলো ধৰ্মস্থানতে যে সৰবৰহী হৈ পৰিছিল, তাৰ উল্লেখ মহাপুৰুষ শঙ্কৰদেৱৰ কীৰ্ত্তনৰ 'পাষণ্ড মৰ্দ্দন' আখ্যানত আছে—

"উৰেষা বাৰাণসী ঠাৱে ঠাৱে।
কবীৰ গীত শিষ্টসবে গাৱে॥"

শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে কবাৰৰ মঠ দৰ্শন কৰিছিল বুলি তেওঁৰ চৰিত পুথিৰ পৰা জনা যায়। কবীৰৰ ভক্তি তত্ব ব্যাখ্যাত তেওঁ মুগ্ধ হৈছিল। গুৰু নানকে কাশীলৈ আহি কবীৰৰ নিজ মুখৰ পৰা অমৃতময়ী বাণী শুনিছিল। শিখৰ "গ্ৰন্থ চাহেবো" কবীৰৰ দোহাৰে পৰিপূৰ্ণ।

সকলো সম্প্ৰদায়কে এক কৰি গঢ়ি তুলিবলৈ কবীৰে নিজৰ সাধনাৰ নাম দিছিল "ভাৰত পন্থ।" এই ঐক্যকৰণৰ পথ দুৰ্গম; উৎপীড়ক অত্যাচাৰেৰে সমাকীৰ্ণ তথাপি ভাৰতৰ সাধক আৰু সত্যান্বেষীসকলে যুগে যুগে এই পথ বীৰৰ দৰে অনুসৰণ কৰি আহিছে। বৰ্ত্তমান যুগত মহামানৱ মহাত্মাই তাৰ উজ্জ্বল প্ৰমাণ। ●

[ ছাঁ লৈ ]



ৰোগীৰ অৱস্থা বেয়াৰ ফালেহে ঢাল খাব ধৰিলে। অস্ত্ৰোপচাৰৰ পাচত ডাক্তৰে ক'লে, "মিঃ আগৰৱালা,—মোৰ চেষ্টা বিফল হ'ল।" ৰোগীৰ কেন্সাৰ হৈছে আৰু ৰোগটো পাক-স্থলীৰ তিনিভাগতেই বিয়পি পৰিছে। ৰূপ-কোঁৱৰে মৰমৰ সৰু বাপুক মাতি আনি ক'লে, 'মোক তহঁতে ঘৰলৈ লৈ ব'ল। ইয়াত আৰু মোৰ ভাল নহয়।"

তেওঁৰ কথা মতেই ১৫ জানুৱাৰীৰ দিনাখন শ্বিলঙৰ পৰা তেজপুৰলৈ লৈ অনা হ'ল। তেওঁৰ পকীঘৰলৈ মানুহৰ সোঁত বব ধৰিলে। তেওঁ বুজি পালে এই সোঁত কিহৰ বাবে। তথাপিও মানি লব পৰা নাই মৃত্যুৰ বিভিষীকাক। তেওঁৰ মনত যেন এটি আশা "মই ভাল হৈ উঠিম।"

সেইদিনা ভবা নাছিল তেওঁক ৰখি থকা মানুহবোৰক কন্দুৱাই তেওঁ যে আঁতৰি যাব।

১৯৫১ চনৰ জানুৱাৰী। দোকমোকালিতে জ্যোতিপ্ৰসাদে পোহৰ বিচাৰিলে। ভাতৃ কমলা-প্ৰসাদে খিৰিকীখন খুলি দিলে। গোটেই দিনটো হৰি নামেৰে পকী এক তীৰ্থত পৰি-ণত হ'ল। আবেলি ৩ বাজি ১৫ মিনিটত তেওঁ মৃত্যুক নমস্কাৰ জনালে। সুন্দৰৰ পূজাৰী জ্যোতি চিৰসুন্দৰ দেশলৈ গুচি গ'ল। মৃত্যুৰ আগমূহুৰ্ত্তত তেওঁ নিজৰ ভাষাৰেই যেন আকৌ এবাৰ সুঁৱৰিলে—

"হে মৃত্যু নমস্কাৰ!
চকুৰ পানীৰে তোৰ পূজাৰ শৰাই
ইমান জাতিস্কাৰ।"

জ্যোতিপ্ৰসাদে তেওঁৰ জীৱনৰ আৰু সমাজৰ ঐতিহাসিক পটভুমিত অসমীয়া মানুহৰ নমস্য স্ৰষ্টা আৰু দ্ৰষ্টা স্বৰূপে স্বীকৃত হৈ থাকিব।

ৰূপকোঁৱৰৰ জ্যোতিপ্ৰসাদে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গ'ল। ● ●



# কবিতা

## প্ৰত্যাশাত

কল্যাণী গগৈ

বিশ্বাসৰ মাজতে,
কেতিয়াবা ......
আতংক ভৰা মনন বনত
সংঘাতৰ টোকৰ পাৰিলেই
কঠিন শিলনিৰ দৰে
দুবু দুবু কঁপি উঠে।
প্ৰাত্যাহিক হৃদয়ত মোৰ
নিঃসংগতাৰ পৰ্বত
উভতি চাওঁ
ধৰ্মক ৰওঁ
তেতিয়া —
অন্ধকাৰত ধাৱমান হোৱা
মন আকাশত আশাৰ তৰাবোৰে
মুক্তিৰ প্ৰত্যাশা কৰে।
মোৰ কল্লোল নদীৰ
গতিৰ প্ৰত্যাশাত
এখন দৃঢ় গতিশীল নাৱত
উঠিব খোজে,
প্ৰগতিৰ প্ৰভাতে প্ৰভাতে। ●●

## নিৰ্জনতাৰ সতে

আৰ্যাত ৰাজখাঁনিকৰ

নিৰ্জনতাৰ নিঃসংগ
বুকুত
উচ্ছ্বলিত বিহাৰ
আঁচল
হিম্ চেঁচা বতাহত থোঁকি-বাথে
মনৰ নিভৃত কোণত
সাঁচি থোৱা
হিয়াৰ আবেশ
মিশ্ৰিত কৰি দিয়া হ'ল—
ইন্দ্ৰমালতীৰ মধু মিশ্ৰিত গোন্ধ
শুভ্ৰ পাহিৰ সতে
দলিয়াই দিয়া হ'ল—
গোলাপৰ উগ্ৰ-মসৃন গোন্ধ
কাঁইটৰ সতে
কৃষ্ণচূড়াৰ পাতত
নিষ্কম্প সংগীত ভাহি আহিছিল-বতাহৰ সতে
আকুল সুৰে-আলিংগন কৰিছিল
ধৰিত্ৰীৰ ধূলিময় বুকুত
মাঘৰ হিম শীতল বতাহত
গীত, প্ৰতিধ্বনিত হৈছিল
নিৰ্জনতাৰ নিঃসংগ বুকুত
সাৰঁতি লৈছিল মোক
নিঃসংগতা ইমান আপোন
আত্মাৰ সতে মোৰ ‼ ● ●

## নৱজনম

বৃপা কৌৰৱ

সূৰ্য্যটো উদয় হ'ল
ক্ৰমান্বয়ে ......
আঁতৰি আহিছে
পূৱ আকাশৰ পৰা
দিগন্ত ব্যাপি
মনবোৰ কল্লোলিত হ'ল
ভাৱৰবোৰ আঁতৰিল
ক্ৰমান্বয়ে !
(কোনোবাই) খুলি পেলালে
কলুষিত পোছাকবোৰ
নিকা...... পবিত্ৰ !
উদ্ভাসিত হ'ল,
নিস্প্ৰভ হোৱা ম্লান হোৱা
এখন নিস্পেষিত সমাজ।
আৰু ......
লহ্ পহ্কৈ বাঢ়ি আহিল
সীৰলুৰ মাজেদি
সেউজ আশাবোৰ....
ৰঙীন স্বপ্নৰ মাধুৰ্য্যতা লৈ
ৰংমন ৰঙীলিইঁতে হিয়া ঢালিলে (ৰাঙলী)
প্ৰাণ-পণে।
ওঁঠৰ নিভৃত কোণ
জিলিকি উঠিল
কিবা এটি পোৱাৰ আশাত।
ছিৰাল ফটা পথাৰত
সজীৱতা পাই
সিঁচি দিলে আশাৰ কণিকা......
আৰু....
উদং বুকুৰ, শুভ্ৰ সাজৰ
কত মাতৃৰ
নিশ্বাসত স্ফুলিংগ হ'ল
পুঞ্জীভূত হা-হুমুনিয়া !
তথাপিও....
দৃঢ়তা আনিলে বুকুৰ মাজলে
ন- সূৰ্য্যৰ উত্তাপ পায়,
কিজানি বা
মবুত মৰিচীকা
বিচাৰি পায়। ● ●

## ॥ আঘোণ ॥

অনজুমণি ফুলকোঁৱৰ


আঘোণ ! তই মোৰ অতি
বুকুৰ আপোন
সোণ গুটিৰে ভৰা
বিপুল সম্ভৰা
আঘোণৰ পথাৰখনি
মোৰ চিৰ পৰিচিত !
স্নেহৰ স্বাক্ষৰৰূপে
লিপিকাৰ বোল সানিলো
বগা বগা কাগজৰ বুকুত

আঘোণ !
তই মাথো এটা মাহ নহয়
শীতৰ সৈতে কুঁৱলী অহা বতৰত
তই সার্থকময় মোৰ সোণালী
পথাৰখনিৰ উৎস !
তই নাহিলে পথাৰৰ সোণগুটিবোৰে

কেচা সোণৰ দৰে ৰং নেপায়
তৰাগাই সৰুমাই
দাৱানিহঁতে
মন জুৰ কৰিব নোৱাৰে
ৰামধন সৰুধনহঁতে
বাট চাই থাকে মাথো তোলৈকে
শাওনৰ ৰ'দত কেঁচা ঘাম পেলাই
হাল বোৱাৰে পৰা

কেৱল —
সোণ গুটিৰে ডাঙৰি বান্ধিবলৈ
শস্য শ্যামলা প্ৰকৃতিৰ নিৰ্মালি
বুকুত সাৱটি লবলৈ ।

তই আকৌ আহিবি আঘোণ !
হিয়াখন জুৰ পেলাই
(আমাৰ) জীৱন যৌৱনৰ হাঁহি ফুলাবলৈ ।



॥ গল্প ॥

## বাইদেউৰ মৃত্যু দিনত

নিৰোদ গোহাঁই

আজি কেইবাদিনো বাইদেউহঁতৰ ঘৰলৈ যোৱা নাই । সপ্তাহ দহ দিনৰ মূৰত গৈ থকা বাইদেউহঁতৰ ঘৰলৈ আজি পোন্ধৰ দিনৰ মূৰতো যাব পৰা নাই । সময়ো নাই । মনতে ভাবিলো গাঁৱলীয়া হলো বুলিয়েই অকল মৰঘাম উলিয়াই কাম কৰিলেই হয়নে ? জেওবাখনৰ শেষৰ কামিটো বৈ ঘৰলৈ আহি আইক ক'লো, "আই, বাইদেউহঁতৰ ঘৰৰ পৰা আঁহোগৈ ।" আয়ে আমন জিমনকৈ ক'লে—"যা আক,' নিজৰ বায়েৰ নায়েই, তাইৰ ঘৰলৈকে নগৈনো কলৈ যাবি ?" কথাকেইটা কোৱাৰ লগে লগে আইৰ চকুৰেদি চকুলো ওলাই আহিল । চকু পানী-খিনি মচি লৈ আগদিনাখন খনা মিৰি আলু কেইটামান, বাৰীৰ পৰা বেঙেনা কেইটামান, তামোল দহ অঁৰামান মোনাত ভৰাই দিলে । মই ভৰিকেইটা ধুই আহি চাইকেলখন উলিয়ালো । চাইকেলখনৰ অৱস্থা দেখি বেয়াই লাগিল । মালাই দেখিলে ছাগে...... চোলাটো যেনিবা নতুন । উলহ-মালহো সেইবাবেই কিজানি ? আঁয়ে দিয়া জলপানকেইটা খাই ল'লো । চোলাটোৰ জেপত হাত ভৰাই চালো— পইচা...... "আৰে চাঙ্গা, জহনীমৰাই নিব পায় । "ভোৰভোৰাই উঠিলো । পইচা এটাও থব নোৱাৰি । এবাৰ চোলাটোলৈ চাই; এবাৰ জেপত হাত ভৰাই....'চেঃ, নতুন চোলা, তাতে আকৌ পইচা এটা নহলে" ........ভোৰভোৰাই ওলাই গ'লো । আয়ে কথাটো লক্ষ্য কৰি আছিল । আয়ে ক'লে "কি হ'লনো, তই ভোৰভোৰাই গ'লি যে ?" কথাটো আইক কওঁ নকওঁকৈ ক'লো "কালি বজাৰৰ পৰা ঘূৰি অহা টকাকেইটা জেপত নাই ।" মোৰ খংভাৱ দেখি আয়ে লাহেকৈ ক'লে—"ভাইটিয়ে ফিজ দিবলৈ নিলে ।" মই কি কৰো কি নকৰোকৈ চাইকেলত উঠিলো । মনত অনেক ভাবে খলকনি লগালে । মালাক বাইদেউৰ ঘৰত লগ নাপালে ভালেই, লগ পালে...... । ভাগিনকেইটাই নতুন চোলা দেখি মিঠাই বিচাৰিব । ভিনিহিয়েও কব—"খলাশ, নতুন চোলা ল'লা দেখোন ।" বহুতবোৰ ভাবি চাইকেলৰ পৰা নামিলো । ভাবিলো নৰেনৰ ঘৰলৈকে যাওঁ । নৰেনক চোতালতে দেখি ক'লো, "ঐ নৰেন, টকা দুটামান দেচোন । বাইদেউহঁতৰ ঘৰৰ পৰা আঁহোগৈ ।" সি সংকোচ নকৰাকৈ জেপত হাত ভৰাই টকা পাঁচটা উলিয়াই দিলে । "কালিলৈ হ'লে বজাৰ কৰিবলৈ লাগিব ।" কথাটো কৈ সি ভিতৰলৈ সোমাই গ'ল । মই 'অ' বুলি কৈ চাইকেলত উঠিলো ।

বাইদেউহঁতৰ চোতালত চাইকেলখন থৈ পিৰালিত উঠিলো । পৰিস্থিতিটো দেখি মোৰ ভয়েই লাগি গ'ল । পকাঘৰৰ ভিতৰত গুম-গুমনি উঠি আছে । বাইদেৱে কৈছে "সি এটা চৰিত্ৰহীন অশিক্ষিত । তাৰ লগত মালাৰ

মিলামিচা। লাজো নাই—ঘৰৰ অৱস্থা তেনেকুৱা, ইফালে ছোৱালীৰ লগত প্ৰেম। মই স্পষ্টকৈ কৈছো পলাশে যদি আমাৰ ঘৰত ভৰি দিয়েহি মই তাক এই হাতেৰে গতিয়াই উলিয়াই দিম।" কথাবোৰ শুনি মোৰ নিজৰ কাণ দুখনকেই বিশ্বাস কৰিবলৈ টান লাগিল। আজি এমাহৰ আগত যি গৰাকী বাইদেৱে মৰমৰ মাতেৰে 'ভাইটি' বুলি মালাৰ লগত চিনাকি কৰি দিছিল, সেই গৰাকীক আজিৰ বাইদেউ নহয় যেন বুলি ভাবিবলৈ মই বাধ্য হলো। মালা আৰু মোৰ মাজত হোৱা সামান্য কথা-বতৰাকে তেওঁ প্ৰেম বুলি সন্দেহ কৰিছে। মোক ইমান নীচ, দুখীয়া বুলি নিন্দা কৰাত মই বৈ থাকিব নোৱাৰিলো। চাইকেলৰ ষ্টেণ্ডডাল তুলিলো আৰু ভিনিহিৰ ঘৰটোৰ ফালে এবাৰ চাই তীব্ৰবেগেৰে চাইকেল চলাবলৈ ধৰিলো। চাইকেলত উঠাৰ সময়ত ভিনিহিয়ে কোৱা শুনিছিলো "এইখন তোৰ বাপেৰৰ ঘৰ নহয়, বুজিছ? কথা ভালদৰে কবি, পলাশক নিন্দা কৰাৰ অধিকাৰ তোৰ নাই—বুজিছ?"

বাটত যাওঁতে অতীতৰ বিভিন্ন কথা মনলৈ আহিবলৈ ধৰিলে। মনত পৰিল সেই দিনবোৰলৈ………

দেউতাৰ মৃত্যুৰ পাছত ঘৰখন পৰিচালনাৰ ভাৰ মইয়েই লব লগা হ'ল। বাইদেউ আৰু ভাইটিৰ পঢ়া খৰচ ময়েই বহন কৰিব লগা হ'ল। নিজেতো প্ৰাইমেৰী পাছ কৰিয়ে এৰিলো। কচু, জলকীয়া, বেঙেনা, লাই, মূলা আদিৰ খেতি কৰি বজাৰত বিক্ৰী কৰিছিলো। যি কেইটা পইচা পাওঁ তাৰেই ভাইটি আৰু বাইদেউৰ পঢ়াৰ খৰচ যোগাইছিলো। ভাবিছিলো বি, এ, চি এ পাছ কৰি চাকৰি কৰিব আৰু তেতিয়া আমাৰ ঘৰলৈ অলপ হলেও শান্তি আহিব। বি,এ পৰীক্ষালৈ মাত্ৰ দুদিন আছে। বাইদেৱে ক'লে "পলাশ, ঘৰত চেনি নাই. দোকানৰ পৰা চেনি এক কেজিমান আনি থৈ দিবি।" বাইদেউৰ কথাষাৰৰ অৰ্থ বুজি নাপাই মই কৈছিলো "কি তই ঘৰ চলাইছ নেকি? কি লাগে আয়ে কব নহয় মোক।" তাই তেতিয়া কথা অস্পষ্ট উত্তৰ দি ভিতৰলৈ গৈছিল সঁচাকৈ আমাৰ নিচিনা দুখীয়া মানুহৰ ঘৰলৈ কোনোবা আলহী অহাৰ কথা থাকিলে ভয়েই লাগে। ভয় মানে আলহী আহিলেতো কিবা এটা খুৱাব লাগিব। ৰঙা চাহৰ লগত চেনি অকণমান মিহলাই দিবলৈও আমাৰ সামৰ্থ্য নাই। বাইদেৱে সেই কথাকে উপলব্ধি কৰিছিল কিজানি? কথাটো ভাবি চিন্তি ভিতৰলৈ গৈ তাইক সুধিছিলো "কোনোবা আলহী আহিব নেকি অ' বাই'দেউ?" তাই তেতিয়া হাঁহি এটা মাৰি কৈছিল, "অ" আলহী আহিব, পাৰিলে কিবাবিবি যোগাৰ কৰিবি। মোৰতো দেখিছই নহয়, পৰহিলৈ পৰীক্ষা।"

এনেতে ৰিক্সাৰ টিলিঙাৰ মাতত উচপ খাই উঠিলো। আকৌ মনত পৰিল সেইদিনাৰ কথা। সিদিনা জীৱন নামৰ ল'ৰাটো আহি আমাৰ ঘৰৰ ভগাচকীখনত বহী আছিল। বাইদেৱে কৈছিল, "জীৱনদা, আমাৰ ঘৰ দেখিছেই নহয়।" জীৱনে সামান্য হাঁহিছিল আৰু কৈছিল,—"তুমি যে কি কোৱা। তেতিয়াই জীৱন বৰুৱাৰ লগত মোক চিনাকি কৰি দিছিল বাইদেৱে। জীৱন বৰুৱাৰ ঘৰ শেনছোৱা পুখুৰীত। স্থানীয় স্কুলতে শিক্ষকতা কৰে। মই নমস্কাৰ দিছিলো।

আমাৰ গাঁৱৰ পৰা কলেজলৈ প্ৰায় সাত-কিলোমিটাৰ বাট। বাইদেৱে গাঁৱৰ মন্দাকিনী, সুব্ৰতাহঁতৰ লগত বাচত কলেজলৈ অহা যোৱা কৰিছিল। এদিন লাইন বাচখন বেয়া হৈছিল। সেইদিনা মন্দাকিনী আৰু সুব্ৰতা কোনোবা ভিনিহিয়েকৰ ঘৰলৈ গৈছিল। উপায় নাপাই বাইদেৱে খোজেৰে ঘৰলৈ অকলশৰীয়াকৈ আহি আছিল। এনে এটা সময়ত এজনী গাভৰু ছোৱালী আলিবাটত………। মৰণক শৰণ কৰি বাইদেউ আহি আছিল। এনেতে এখন এম্বেচেদৰ গাড়ী আহিছিল। বাইদেৱে হাত দাঙি ৰাখিছিল সেই গাড়ীখন। তাতে বহি আছিল জীৱন বৰুৱা। সেইদিনাই বাইদেউৰ জীৱন বৰুৱাৰ লগত চিনাকি হৈছিল। ক্ৰমান্বয়ে বাইদেউ আৰু জীৱনৰ মাজত সম্পৰ্ক আগবাঢ়িব ধৰিছিল।

এদিন জীৱন বৰুৱাৰ লগত বাইদেউৰ বিয়া হৈ গ'ল। এজন ধনীমানী ভিনিহি পালো। গাড়ী-ঘোঁৰা, খেতি-পথাৰত বলী, তাতে আকৌ চাকৰিটো, এনে মানুহলৈ বিয়া দিবলৈ পাই আয়ে বেছ সুখ অনুভৱ কৰিছিল। ধনী আছিল যদিও জীৱন বৰুৱা দুখীয়াৰ প্ৰতি দয়াশীল আছিল। সেই বাবেই আমাৰ নিচিনা মানুহৰ ছোৱালী বিয়া কৰাবলৈ কোনো সংকোচবোধ কৰা নাছিল। পৃথিৱীত দুবিধ ধনী মানুহ আছে। এবিধে চল-চাতুৰীৰে ধন সংগ্ৰহ কৰে আৰু দুখীয়াৰ প্ৰতি পুহি ৰাখে ঘৃণাভাৱ আৰু আনবিধ—দুখীয়াৰ প্ৰতি দয়াশীল।


গৰ্ভত সন্তানৰ আশংকা থকা নাৰীৰ মনত সামান্য হলেও এটা ভয় ভাৱ থাকে। এবছৰৰ পাছত বাইদেউৰো মনতসেই ভয়ে ঠাই পাইছিল। এদিন তেনে এটা সময় হ'ল। ডাক্তৰ মাতি অনা হ'ল। আইকো ভিনিহিয়ে আহি লৈ গ'লহি। পিছে বাইদেউ আৰু সন্তানটো কোনো জীয়াই নাথাকিল। সন্তান জন্ম হোৱা ঠাইতে বাইদেউৱে চিৰদিনলৈ চকু মুদিলে। আমাক কন্দুৱাই বাইদেউ গুচি গৈছিল।

ভিনিহিয়ে দ্বিতীয় বিবাহ কৰিলে। ভিনিহিয়ে মৰাণ হায়াৰচেকেণ্ডাৰী স্কুলত চাকৰি পালে। সেইবাবে ভিনিহিয়ে শেনচোৱা পুখুৰীৰপৰা মৰাণলৈ যাবলগা হ'ল। নিজৰ পত্নীও নগৰীয়া ছোৱালী সেইবাবে নগৰত বিশেষ অসুবিধা নহ'ল। ভিনিহিৰ এই নতুন বাইদেউৰ লগত কথা হবলৈ প্ৰায় গৈ থাকো। মনতে ভাবো নিজৰ বাইদেউতো নাইয়েই সেইবাবে নতুন বাইদেউৰ ওচৰতে নিজৰ বাইদেউৰ স্মৃতিকণ জীয়াই থাকক। গাঁৱৰ শাক-পাচলিও বাইদেউৰ মৰমতে কেতিয়াবা যোগান ধৰো। নতুন ভিনিহিক পাই খুলশালিয়েক মালা প্ৰায় সিহঁতৰ ঘৰলৈ আহি থাকে। এদিন মালাৰ লগত বাইদেৱেই চিনাকি কৰি দিলে। কিন্তু, কি আচৰিত মালা এজনী ধনী ঘৰৰ ছোৱালী, কলেজীয়া, তথাপি তাই মোৰ লগত ইমান ভালদৰে কথা পাতে। গাঁৱৰ কথা সুধি সুধি মোক ব্যতিব্যস্ত কৰি তোলে। বাইদেউৰ লগত মালাৰ চৰিত্ৰ নিমিলে। বাইদেউৰ দৰে দুখীয়াক দুখীয়া

আৰু ধনীক ধনীৰ দৰে ব্যৱহাৰ নকৰে। মালাৰ মানত ধনী যি দুখীয়াও সি। মালাৰ এই ব্যৱহাৰত মই মুগ্ধ হওঁ। মোৰ দৃষ্টিত মালা এজনী আদৰ্শ ছোৱালী। কিতাপৰ কথা-বোৰ পঢ়ি অকল পৰীক্ষা পাছ কৰাৰ লক্ষ্যই মালাৰ নহয়, মালাই তাক পালনো কৰে। কিন্তু মালাৰ আৰু মোৰ মাজৰ কথা বতৰাতো কোনো প্ৰেম ফুটি নুঠে। তথাপি বাইদেউৰ ইয়াত সন্দেহ। সেইবাবেই হয়তো আজি ভিনিহি আৰু বাইদেউৰ মাজত কাজিয়া সূত্ৰপাত হৈছে। বাইদেউৰ দৃষ্টিত মই এক অলাগতিয়াল পদাৰ্থ।

আজি মই বাইদেউৰ ঘৰৰপৰা চিৰদিনৰ বাবে বিদায় লৈ ঘৰলৈ উভতি আহিছো। এনে এটা দিনতে মোৰ নিজা বাইদেউৰ মৃত্যু হৈছিল কিজানি? আজি উপলব্ধি কৰিছো নিজৰ বাই-দেউ থকা হলে ইমান দুখৰ বোজা লৈ ভিনি-হিৰ ঘৰৰপৰা উভতি আহিব নালাগিলেহেঁতেন। আজি ভিনিহি আৰু আমাৰ মাজৰ সমন্ধ শেষ।

ঘৰ পাওঁতে গধূলি হ'ল। নগুলাডাল খুজি সোমাই গ'লো। দেখিলো, আয়ে গধূলি সাজৰ বাবে শাক বুটলিছে। আইক উদ্দেশ্যে ক'লো "আই আজি মই ভাত নাখাওঁ, অকল তহঁতৰ বাবে শাক আনিলেই হব।" চোলা পেণ্ট সলাই চাইকেলখন মুচিলো। চাইকেলখন ভিতৰত সুমুৱাই থৈ নৰেনৰ পৰা লোৱা টকা-কেইটা দি থৈ আহিলোগৈ। ভৰিকেইটা ধূই চাওত পৰিলো। আয়ে ওচৰলৈ আহি বাই-দেউহঁতৰ ভাল-বেয়া সুধি গ'ল। মই একো উত্তৰ নিদি একেষাৰে ক'লো—"আজিৰ পৰা ভিনিহিৰ লগত আমাৰ সম্পৰ্ক শেষ।" আই চক খাই উঠিল। মই সকলো কথা ক'লো। কেনেকৈ মোক লৈ বাইদেউ-ভিনিহিৰ মাজত কাজিয়া আৰম্ভ হৈছে। আয়ে শুনি স্তব্ধ গ'ল সকলো। অলপ পৰৰ পাছত আয়ে ভাইটিক চিঞৰি কলে "ভাইটি, আজি ভাত নালাগে খাব দেই।" ভাইটিয়ে সুধিলে, "কেলেই?" আয়ে উচুপি উচুপি ক'লে "আজি বায়েৰৰ মৃত্যু দিন।" মই উচপ খাই উঠিলো। বাই-দেউৰ ছবিখন বাৰে বাৰে মনলৈ আনিবলৈ ধৰিলো। অলপ পাছতে আয়ে চাকিটো নুমু-ৱাই দি মোৰ চাংখনৰ খুটাটোত আউজিলে। ভাইটিৰ কোঠাটোৰ চাকিও নুমাই গ'ল। ● ●





॥ গল্প ॥

# চিকিৎসা

শ্ৰীঅসীম কুমাৰ ওজা

লোদোৰ পোদোৰকৈ প্ৰাতক বোৱাৰী-জনীৰ কামে কামে ছবছবীয়া জীয়েকজনীও গৈ আছে। জগত সম্বল হল একমাত্ৰ ছাগলী-জনী বেচি পোৱা দুকুৰি পাঁচ টকা। চন্দিকা তাইৰ নাম। মানে চন্দ্ৰিকা গগৈ। লোহিত ড্ৰাইভাৰৰ ঘৈণীয়েক। চন্দিকাৰ খোজবোৰ নেযাঁও নথওঁ, তাই মহাচিন্তাত পৰিছে ইয়ালৈ আহিছে। জামুগুৰি গাৱঁৰ অতিকে ধুনীয়া বোৱাৰীজনীৰ এতিয়া আগৰ ৰূপ নাই। তাইৰ মহা বিপদ। লোহিতৰ অসুখ। মৰেনে থাকে ঠিক নাই; এইখন চিভিল হাস্পিতালতে দুমাহ থাকিল। তাকো লোহিতৰ অফিচাৰে পোৱাৰ বাবেহে। পিচে নাৰ্চৰ খেচ্‌খেচনিত আৰু ডাক্তৰৰ অমনোযোগিতাৰ ফলত লোহিতৰ বেমাৰ বেয়াৰ ফালেহে চাল খালে। তাক লৈ যাব-লৈ ক'লে। এতিয়া লোহিত জামুগুৰিত আছে মৰণলৈ ক্ষণ গণি গণি। কোনোবাই কয় তাৰ প্ৰসাৰৰ দোষ, কোনোবাই কয় তাব যকৃ-তৰ দোষ। অৰ্থাৎ কোনো ডাক্তৰেই মনপুতি নেচালে কাৰণে লোহিতৰ বেমাৰটো কি হব পাৰে, চন্দিকাই কব নোৱাৰিলে। কালিহে তাইৰ মনটো মৰি গ'ল। তাই আহিছিল লোহিতৰ অফিচাৰ মদন শৰ্মাৰ ওচৰলৈ। শৰ্ম্মাই কলে যে যি দুমাহ লোহিত চৰকাৰী চিকিৎসালয়ত আছিল, সেই দুমাহ যাৰ চিকিৎসাত আছিল, তেখেতৰ এখন চাৰ্টিফিকেট্‌ পালেহে লোহিতে যোৱা দুমাহৰ দৰ্মহা পাব। পিচে লোহিত ড্ৰাইভাৰ হোৱাৰ আশা নাই। সি মানুহটো দিনে দিনে ছাৰিহে গৈছে, দেখিলেই ভাৱ হয় যে ই নোৱাৰে। সেইকাৰণে কালি লোহিতে কলে, "চন্দিকা তোৰ বৰ কষ্ট হৈছে নহয়? তোক দেখি মোৰ যে কিমান দুখ লাগিছে।" তাই কলে, তই এইবোৰ নেভাৱিবিচোঁন চব্‌ ঠিক হৈ যাব। আচ্‌পতালৰ ডাক্তৰটোৰ চাৰ্টিফিকেট্‌ পালেই তোৰ দৰ্মহাটো পোৱা যাব। সেই টকাৰে তোক ডিবৰুলৈ নিম। ইয়াত চিবিলত বহুতৰে বেমাৰ ভাল নহয়, তোৰো নহল। কিন্তু ডিবৰুত ডাঙৰ ডাঙৰ ডাক্তৰবোৰৰ কথাই সুকীয়া, দেখিলি নহয় মানিকৰ বেমাৰ ভাল নহয় বুলি ইমাৰ ডাক্তৰে কৈছিল, কিন্তু ডিব-ৰুত দেখোন ভাল হ'ল।" ইমান কোৱাৰ পাচতো লোহিতৰ মনটো পাতল নহল। ৰোগ-টোও পাতল পাতল নেলাগিল। কাৰণ ৰোগৰ যন্ত্ৰণা কি বস্তু ডাক্তৰেও নুবুজে, চন্দিকায়ো নুবুজে, শাৰিৰীক যন্ত্ৰণা ভগাবটা কৰিব নোৱাৰি। সেয়েহে অতি ভাগৰুৱা মাতেৰে লোহিতে কলে "একো লাভ নহব, চন্দিকা, মোৰ কাৰণে মাটি বিক্ৰী গল। অথচ মৰাহেঁতেন ভাল আছিল। ইন-চিওৰৰ তিনিহাজাৰ টকা পালিহেঁতেন।"

এইবুলি কোৱাৰ লগে লগে চন্দিকাই হুবাহুৰে কান্দিলে। তাই কিন্তু নিজৰ মত নলৰালে। চাৰ্টিফিকেট্‌ নিবলৈ চৰকাৰী

হস্পিটেল পালেহি।

সাক্ষীৰ গৰালৰ দৰে ঘেৰা ঠাইত অসাধাৰণ উচ্চতাৰ চকীত বহি থকা আদহীয়া বয়সৰ ফাৰ্মাচিষ্টজনক সুধিলে "ডাক্তৰক, মানে এই যে পেটৰ চিকিৎসা কৰে সেই ডাক্তৰজনক ক'ত পাম ?

"পেটৰ অসুখ চোৱাজনেও চায়। নামটো মনত নাই ?"

"নাই চাৰ,' একেবাৰে মনত নাই। কিবা বৰুৱা বুলি জানো।" "বৰুৱা উপাধি থকা কেইবাজনো ডাক্তৰ আছে। তোমাক কোনজন লাগে ?" মোৰ মানুহটোক চিকিৎসা কৰাজনক। আটাইবোৰ ডাক্তৰৰ ভিতৰত যিজন অসমীয়া "কাষৰ চুলিবোৰ পকিছে, মুখখন দ্বন্দ্বৰী ভিৰোতাৰ দৰে। ৰোগীক গালি পৰাৰ নিচিনাকৈ কথা কয়।"

"অ' বুজিছো, ডাক্তৰ নিতান্ত বৰুৱা"

ফাৰ্মাচিষ্টজনে ডাক্তৰ নিতান্ত বৰুৱা কোনফালে আছে দেখুৱাই দিলে। অলপ সময়ৰ পাচত চন্দিকা আৰু তাইৰ জীয়েকজনী ডাক্তৰ নিতান্ত বৰুৱাৰ আগত থিয় হ'লগৈ।

"কি লাগে ? ইমান ডাওৰ সেন্দূৰৰ ফোটলৈ আহিছে ইমান ৰমক্ জমক্ চেহেৰা ! তোৰনো কি বেমাৰ থাকিব পাৰে ? মনৰ বেমাৰ ?

নহয় চাৰ, মোৰ মানুহটোৰহে বেমাৰ। ইয়াতে আছিল আপোনালোকে ভাল কৰিব নোৱাৰিম বুলি পঠিয়াই দিলে।"

"স'চা ?"

"হয় চাৰ"

"নাম ?

"লোহিত গগৈ।

'অ' বুজিলো।

কি বুজিলে চাৰ ? মানুহটো নোৱাৰিবনে কি ? "হেঃ হেঃ বুইছ, মানুহ অমৰ নহয়। এদিন ময়ো মৰিম এদিন তয়ো মৰিবি। লোহিতো মৰিব। মাত্ৰ সময়ৰহে আগপিচ্।"

চাৰ, এখন চাৰ্টিফিকেট্ লাগে। তাৰ দমহাটো পাবলৈ...............তাৰিখৰ পৰা.........তাৰিখলৈকে ইয়াত আছিল বুলি।

"কিমান আনিছ ?"

চাৰ অলপ সদয় হওঁক। আপুনিতো ডাক্তৰ, মোতকৈ ভালদৰে জানে;— মই আৰু এমাহৰ পাচত হয়টো এই সেন্দূৰৰ ফোট মুচিব লাগিব। এই ছোৱালী ঘাটমাউৰী হব"

"মানে টকা পোন্ধৰটাৰ কাৰণে চালাকী দেখুওৱা হৈছে ?" "নহয় চাৰ আজি ছাগলীজনীও বেচিলো। আৰু বেচিবলৈ একো নাই। লোহিতকটো আপুনিয়েই চিকিৎসা কৰিছিল। স'চা কথা এটা লিখিবলৈকো আপোনাক টকা লাগে ?

"নিলিখো যা, কি কৰিবি ? পাৰ যদি কোনোবা গৱৰ্ণৰৰ হতুৱাই লিখাই লগৈ।"

চন্দিকাৰ চেষ্টা অথলে গ'ল। ডাঃ নিতান্ত বৰুৱাৰ হৃদযন্ত্ৰ বৰ শক্তিশালী। মস্তিষ্কৰ শিৰা উপশিৰাও শক্তিশালী, কিন্তু কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ লগত বিবেকৰ সংযোগ বহুদিনৰ আগতেই বিছিন্ন হৈ গ'ল কাৰণে আশু বৈধব্যৰ বিধিলিপি থকা গাভৰু বোৱাৰীজনীৰ পৰা পোন্ধৰটা টকা লৈ চাৰ্টিফিকেট্ লিখি দিলে।



চাৰ্টিফিকেট্ খন চাদৰৰ আগত বান্ধি চন্দিকাই ৰণচণ্ডীৰ মূৰ্ত্তি ধৰি ডাঃ নিতান্ত বৰুৱালৈ একেথৰে চাই ৰ'ল। ডাঃ বৰুৱাই কলে, "নেযাৱ কিয় ? মিচায়ে ভিৰ কৰিছ কিয় ?" তাই মাত লগালে ডাক্তৰ বাবু আপুনি ঠিকেই কৈছিল। লোহিত মৰাই উচিত। মৰিলে সি সৰগ পাব। কাৰণ তাৰ দয়া মায়া আছে। কিন্তু ডাক্তৰ, সি আগতে মৰা উচিত আছিল। মৰাহেঁতেন তাৰ ঘৈণীয়েকৰ ইমান অপমান নহ'লহেতেন। তাৰো সন্মান ৰলহেঁতেন। সি মানুহ, কিন্তু পশুৱে মানুহক চিকিৎসা কৰা অনুচিত।

ইয়াকে শুনি ডাক্তৰ নিতান্ত বৰুৱাই তাইৰ ফালে চালে। আগত হোৱা হলে চকিদাৰক চিঞৰিলেহেঁতেন। চন্দিকাক কোঠাৰ পৰা বাহিৰ কৰি দিলেহেঁতেন।

কিন্তু তেওঁ তলমূৰকৈহে থাকিল। ছোৱালীজনীৰ সৈতে চন্দিকা ওলাই আহিল। আলিবাটত উঠি তাই হুৰহুৰীয়া ছোৱালীজনী সাৰটি ধৰি হুৰাওহুৰাওকৈ কান্দিবলৈ ধৰিলে। ছোৱালীজনীয়ে ক'লে "বৌটি নেকান্দিবি। পিতাই ভাল হব নহয়। ডাক্তৰে সেইখন লিখি দিছে নহয়।' "ছোৱালীজনীয়ে তাইৰ নিচিনাকৈ কান্দি পেলাব পাৰে বুলি ভাবি চন্দিকাই বহু কষ্টেৰে কান্দোন বন্ধ কৰিলে। তাই ছোৱালীজনীক হাতত ধৰি পশ্চিমফালহে গৈ থাকিল। অথচ সিহঁতৰ ঘৰ দক্ষিণফালেহে। ছোৱালীজনীয়ে সেইকাৰণে ক'লে, ".বৌটী আমি এই ফালে........"চন্দিকাই কলে, ঠিকেই আহিছো। আমি এতিয়া মলং বেজৰ ঘৰলৈ যাম।" ছোৱালীজনীয়ে সুধিলে। কিন্তু মলং বেজে জানো পিতাইক ভাল কৰিব পাৰিব ? চন্দিকাই চকুলো টুকি টুকি নিজক নিজে কোৱাৰ দৰে ক'লে—পিছে মলঙেই বাপেৰক দৰৱ জাতি দিয়া ভাল। লাগে সি মৰক বা সাজক— এৰা মানুহেহে মানুহৰ চিকিৎসা কৰিব লাগে। মানুহক পশুৱে চিকিৎসা কৰিব নেপায়। ● ●



# উপহাৰ

শৈলেন দিহিঙীয়া

মানুহজন দোকানৰ পৰা ওলাই যোৱাৰ লগে-লগে ৰমেনে মোলৈ চাই ক'লে—

"বুজিছে দাদা, মই তাৰ চেহেৰা দেখি-য়েই বুজিব পাৰিলো, সি হাম্বাৰ চাইকেল কিনিব পৰা মানুহ নহয়। তাৰ "লেকচাৰ" কি শুনিবা, ডিব্ৰুগড়ত সাতশ পয়ত্ৰিশ টকা, আমগুৰিত সাতত্ৰিশ টকা, চালা সি যেনিবা গোটেই অসমখনহে ঘূৰি............।"

মই ক'লো—

"বাদ দে ৰমেন সেইবোৰ কথা, দোকানলৈ এনে "কাষ্টমাৰ" প্ৰায় আহেই। তই এতিয়া চাইকেল কেইখন আগৰ ঠাইত ভালদৰে সজাই থ।"

অলপ আগতে চাহ কাপ খোৱা মুখখন কিবা টেঙা টেঙা লাগিছে। পকেটৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই ললো। গ্ৰাহক নাই যেতিয়া কোম্পানীলৈ আৱশ্যকীয় "পাৰ্টচ্" বোৰ পঠাবলৈ "লিষ্ট" খনকে বনোৱাটো ঠিক কৰিলো। "পেডবুক" খন উলিয়াই লিখিবলৈ ল'লো। তেনেতে ৰমেনে চিঞৰি উঠিল—

"দাদা ভিক্ষাৰী এটা আহিছে"

তললৈ মূৰ কৰিয়েই মই ক'লো—

"ড্ৰয়াৰৰ পৰা টকা এটা উলিয়াই দি দে।"

বৃদ্ধই লাহেকৈ কৈ উঠিল—"বোপা, মই অকনমান "বৰুৱা চাইকেল মাৰ্টৰ" মালিকক লগ কৰিব বিছাৰিছো।" ৰমেনে এক প্ৰকাৰে চিঞৰিয়েই উঠিল— "কি হ'ল, এটকাই কম হৈছে নেকি? মালিকক লগ কৰিলে তই একৰ লগত আৰু শূণ্য এটা পাম বুলি ভাবিছ নেকি? যা, সোনকালে ইয়াৰ পৰা। তহঁতৰ পৰা ৰক্ষা নাই "বুজিছ"! চাইকেল এখন "ফিট" কৰিবলৈ লবি, ইটো আহি চিঞৰিব "বাবু ভিক্ষা", সিটো আহি চিঞৰিব "বাবু ভিক্ষা", ভিক্ষাৰীক দিবলৈ গ্ৰাহকৰ পৰা বেলেগ টকা লওঁ বুলি ভাবিছ নেকি?

"মই ভিক্ষা কৰিবলৈ অহা নাই বোপা।" বৃদ্ধই লাহেকৈ ক'লে—

"তেনেহলে তুমি চাইকেল কিনিবলৈ আহিছা নেকি?" ৰমেনে তাচ্ছিল্যৰ সুৰত ক'লে। ৰমেনৰ চিঞৰত "লিষ্ট" বনোৱা বাদ দি বৃদ্ধ জনলৈ চাই পঠালো। মোৰ চকু থৰ হৈ গল। মানুহজন যেন মোৰ পৰিচিত, চেষ্টা কৰিছো মনত পেলাবলৈ, কিন্তু মনত পৰা নাই। বৃদ্ধৰ বয়স দাড়ি-চুলি দেখিয়েই অনুমান কৰিব পাৰি ষাঠিৰ দেউনা পাৰ হৈছে। চকু সোমোৱা, ক্ষীণ দেহ, সিয়নি এৰি যোৱা কোট চোলা, আৰু কান্ধত এটা মলিয়ন কাপোৰৰ বেগ। নাই, এনে অৱস্থাত আগতে এখেতক লগ পোৱা নাই। এখেতৰ কি এনে গুৰুত্ব পূৰ্ণ কথা আছে মোক লগ কৰাৰ, মোৰ লগত এখেতৰ সম্বন্ধই বা কি? মোৰ মনটো খেলি মেলি লাগি গ'ল।

"আহক, ভিতৰলৈ সোমাই আহক" এই বুলি কৈ মোৰ টেবুলৰ কাষৰ লোহাৰ চকীখনলৈ আঙুলিয়াই বহিবলৈ ক'লো। বৃদ্ধই মোলৈ চাই কলে—

"হেমন্ত বোপা, তুমি মোক চিনিব পৰা নাই নহয়, অৱশ্যে মোক চিনিব নোৱাৰাটোও স্বাভাৱিক। সময়ৰ সোঁতত সকলোৰে পৰিবৰ্ত্তন হয়। তোমাৰ লগত মোৰ দেখা দেখি মাত্ৰ এদিনেই হৈছিল, কিন্তু সেইদিনা তোমাৰ ওচৰলৈ মই এই অৱস্থাত, এই ৰূপ লৈ অহা নাছিলো।

"মই আপোনাক সঁচায়ে চিনিব পৰা নাই, আপোনাৰ লগত মোৰ দেখা-দেখি ........."

মই তেখেতলৈ চাই ক'লো।

"আজিৰ পৰা আঠ বছৰৰ আগত তোমাৰ দোকানৰ পৰা মোৰ ল'ৰাটোৰ বাবে এখন চাইকেল কিনিছিলো"— বৃদ্ধই কলে।

"অ' এতিয়া ভালদৰে মনত পৰিছে। আপুনি যে কৈছিল—"মোৰ লৰাটোক মই কথা দিছিলো, তই যদি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হব পাৰ, তেনেহলে তোক এখন নতুন ৰেলি চাইকেল কিনি দিম।"

"কিন্তু আজি আপোনাৰ এই অৱস্থা"

"আদৰ্শৰ বাবে হেমন্ত বোপা"

মই ক'লো—"মই আপোনাৰ কথাবোৰ ঠিক বুজিব পৰা নাই। আপোনাৰ সেই ল'ৰাটো, যাৰ বাবে আপুনি মোৰ দোকানৰ পৰা চাই-কেল কিনি পঢ়াত উৎসাহ যোগাইছিল, সি এতিয়া—"মেকানিকেল ইঞ্জিনীয়াৰ। বৰ্ত্তমান ডিগবৈ তৈল নগৰীৰ কৰ্মচাৰী চিনিয়ৰ ইঞ্জিনীয়াৰ দীপক ৰঞ্জন দুৱৰা। মেকানিকেল ইঞ্জিনীয়াৰ দীপক ৰঞ্জন দুৱৰা লো-তীখাৰ লগত জড়িত হৈ তাৰ অন্তৰখনো লোত পৰিণত হ'ল। মানবীয়তা নামৰ বিশেষণটো সি বিসৰ্জ্জন দিলে।"

"তাৰ পৰা আপুনি কোনো সহায়......"

"নলওঁ, মোৰ মৰমৰ পুত্ৰ দীপুৰ আচলতে আজি তিনিবছৰৰ আগতেই মৃত্যু হৈছে।"

"আচল কথাটো কি ভালদৰে বুজাই কওঁক চোন।" বৃদ্ধই করুণ সুৰত ক'লে— "সেইবোৰ বহুত কথা, কবলৈ গলে বহুত পলম হব। তদুপৰি তোমাৰ জানিয়েই বা লাভ কি? মই তাৰ ওপৰত মই তাৰ কথা পাহৰি যাব বিচাৰো। তোমাৰ ওচৰলৈ আজি আহিছো সহায় বিচাৰি। সেই দিনাৰ দৰে চাইকেল কিনিবলৈ নহয়। বুজিছা বোপা, মোৰ পেটত গেষ্ট্ৰিক বেমাৰ, ডাক্তৰক দেখাই-ছিলো, পঞ্চাশ টকা মানৰ ঔষধ লিখি দিছে। ঔষধ কিনিবলৈ হাতত মোৰ ফুটা-কড়ি এটাও নাই। সেয়েহে তোমাৰ ওচৰত কেইটামান টকা বিচাৰি আহিছো। তোমাৰ টকা মই এনেয়ে বিচৰা নাই। অতি সোনকালে তোমাৰ ধাৰ পৰিশোধ কৰিম। প্ৰথমবাৰৰ চিনাকীতেই তোমাৰ অন্তৰৰ উদাৰভাৱ পৰিচয় পাইছিলো। সেয়েহে মই আজি তোমাৰ ওচৰলৈ আহিলো।"

মই পঞ্চাচ টকা দি বৃদ্ধক বিদায় দিলো। তেখেতে পঞ্চাচ টকীয়া নোটখন কোটৰ জেপত ভৰাই লাহে লাহে ৰাজপথলৈ ওলাই গ'ল।

মোৰ মনত বহু চিন্তাই জুমুৰি দি ধৰিলেহি। তেখেতে কৈ যোৱা কথা কেইষাৰে মোৰ মনত তোলপাৰ লগালে— "আদৰ্শৰ বাবে মোৰ এনে হ'ল, ইঞ্জিনীয়াৰ দীপঙ্ক ৰঞ্জন দুৱৰা লো-ভীখাৰ লগত জড়িত হৈ অন্তৰগুনো লোত পৰিণত হ'ল। "মানবীয়তা" বিশেষণটো সি বিসৰ্জন দিলে।" তেখেতৰ মুখখন মোৰ চকুৰ আগত ভাঁহি থাকিল।

পিছ দিনা ৰাতি পুৱা আঠমান বাজিছে। চহৰৰ ভীৰ কম, গাড়ী ধৰিবলৈ দুই এজন যাত্ৰী ষ্টেচনৰ ফালে গৈছে, ৰিক্সা দুখনমান অহা যোৱা কৰিছে। মাজে মাজে দুখনমান গাড়ী ভো-ভোৱাই গৈছে। হাঁহি খিকিন্দালি কৰি "কচিং-ক্লাচ" কৰা লৰা-ছোৱালীবোৰ হায়াৰচেকেণ্ডাৰীৰ ফালে গৈছে।

মোৰ দোকান খোলা প্ৰায় দুঘন্টমান সময় হৈ গৈছে। ৰমেনে ঝাড়ু মাৰি শেষ কৰিছে। দোকানৰ বস্তবোৰ সি ভাল দৰে সজাইছে। এতিয়ালৈকে কোনো গ্ৰাহক অহা নাই।

এনেতে বাৰ বছৰীয়া মান এজন লৰাই চাইকেল এখন ঠেলি আনি মোৰ দোকানৰ সন্মুখত ৰ'লহি। বাৰাণ্ডাৰ খুটাটোতে সি চাইকেলখন আঁউজাই থলে।

লগে লগে ৰমেনে চিঞৰি উঠিল— "ঐ, এতিয়াই পাম্প নেপাব, যাল্লা নাই বুজিছ, যাল্লা হোৱা নাই।"

লৰাটোৱে ৰমেনৰ কথালৈ কাণ নিদি মোৰ ওচৰলৈ সোমাই আহি কলেহি— "দাদা, এই চাইকেলখন দুৱৰা মাষ্টৰে দি পঠাইছে, আৰু লগতে এইখন আপোনালৈ চিঠি দি পঠাইছে।

মই লৰাটোৰ হাতৰ পৰা চিঠিখন প্ৰায় থাপ মাৰিয়েই ললো। খামটো ফালি চিঠিখনৰ ওপৰত চকু ফুৰালো।

মৰমৰ

হেমন্ত বোপা

মোৰ আশীৰ্ব্বাদ লবা। মই কালি অনা দৰৱ কেইটা খাই পেটৰ বিষটো কিছু উপশম পাইছো। বোপা, তোমাৰ মহৎ উপ-কাৰৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। "মোৰ লৰাটোৰ বাবে চাইকেল কিনাৰ দিনাই তোমাৰ উদাৰতাৰ পৰিচয় পাওঁ। সেইদিনা চাইকেল কিনোতে এশটকা ঘূৰাই দিছিলা, আৰু তুমি কোৱা সকলোবোৰ কথা মোৰ মনত আছে।

বোপা, কালি তুমি মোৰ কাহিনী শুনি-বলৈ বৰ ব্যগ্ৰ হৈ পৰিছিলা নহয়। কালি সময়ৰ অভাৱত কব নোৱাৰিলো, পেটৰ বিষ-টোৱেও বৰ ধৰিছিল। এই চিঠিত মোৰ কাহিনী তোমালৈ লিখি পঠাইছো।

বোপা, তুমি নিশ্চয় বুজিব পাৰিছা যে মোৰ এই কাহিনীৰ অন্তৰালত দীপু জড়িত। তোমাৰ অনুমান ঠিকেই। হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাৰ পিছত দীপুক ডিব্ৰুগড় পলি-টেক্‌নিকেলত নামভৰ্ত্তি কৰি দিওঁ। প্ৰাইমেৰী স্কুলৰ পৰা অৱসৰ লোৱাৰ পিছত পোৱা "গ্ৰেচুৱেটি" টকা কেইটাৰে তাক ডিপ্লমাধাৰী মেকানিকেল ইঞ্জিনীয়াৰ হিচাপে গঢ় দিলো। সি পাছ কৰি বেছি দিন ঘৰত বহি থাকিব লগা নহল। সি ডিগবৈ তৈল নগৰীত নিযুক্তি পালে। মই স্বস্তিৰ নিশ্বাস পেলাইছিলো।



ইঞ্জিনীয়াৰৰ পিতৃ হিচাবে গৌৰৱ অনুভৱ কৰিছিলো। কিন্তু সেই গৌৰৱ আজি তিনি-বছৰৰ আগতে এজাক ঘূৰ্ণীবতাহে উৰাই নিলে। যি দিনা জানিব পাৰিছিলো, ডিপ্লমা-ধাৰী মেকানিকেল ইঞ্জিনীয়াৰ দীপক ৰঞ্জন দুৱৰাই আৰু এটি চাকৰিত নিযুক্তি পাইছিল। তোমাৰ বুজাত ছাগৈ খেলি-মেলি লাগিছে নহয়। এৰা, খেলি-মেলি লগাতো স্বাভাৱিক। মোৰো প্ৰথমে বিশ্বাস নহৈছিল। খবৰটো পাইয়ে মই ডিগবৈ পাইছিলোগৈ। তাত গৈ গম পালো যে— মোৰ একমাত্ৰ মৰমৰ পুত্ৰ দীপক ডিপ্লমাধাৰী জুনিয়ৰ মেকানিকেল ইঞ্জি-নীয়াৰ দীপক ৰঞ্জন দুৱৰা, যাক মই হাই-স্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হোৱাৰ বাবে তোমাৰ দোকানৰ পৰা "ৰেলি-চাইকেল" কিনি উপহাৰ দিছিলো। সি বৰ্ত্তমান ডিগবৈৰ অইল'ৰ উচ্চ পদস্থ কৰ্মচাৰী নিৰঞ্জন দত্তৰ "ঘৰ জোঁৱাই" পদত নিযুক্তি। যি দিনাখনৰ পৰা সি এনে কাম কৰিল, সেই দিনাই তাৰ লগত মই পিতা-পুত্ৰৰ সম্বন্ধ ছেদ কৰি গাড়ীত উঠিছিলো। ঘটনাৰ পিছৰ পৰা আজিলৈকে সি ঘৰলৈ অহা নাই। অৰ্থাৎ মোৰ ঘৰত তাৰ প্ৰৱেশ নিষিদ্ধ কৰি দিছো।

অ' বোপা' আচল কথাটো লিখিবলৈ পাহৰিছোঁ। তোমাৰ পৰা কিনি অনা চাইকেল-খন ঘৰত এনেয়ে পৰি আছিল। চাইকেল খন দেখিলেই দীপুলৈ মনত পৰে। সেয়েহে তাৰ স্মৃতি নিঃশেষ কৰিবলৈ পত্ৰবাহকৰ হাতত, তোমাৰ পঞ্চাচ টকা আৰু চাইকেলখন কিনাৰ দিনা এশ টকা ঘূৰাই দিছিলা, মুঠ ডেৰশ টকাৰ ধাৰ পৰিশোধ কৰিবলৈ চাইকেলখন দি পঠাইছো। চাইকেলখন ৰাখি মোক ঋণ মুক্ত কৰিবা বুলি আশা ৰাখিলো।

শুনা হেমন্ত বোপা, কেতিয়াবা মোৰ জীৱনটোৰ ওপৰত বিতৃষ্ণা জন্মে। কিন্তু জীয়াই আছো আদৰ্শৰ বাবে, মোৰ দৰে সমাজৰ পিতৃবোৰক আদৰ্শ দিবৰ বাবে। প্ৰাইমেৰী স্কুলৰ চাকৰিৰ অৱসৰ টকাৰে একমাত্ৰ পুত্ৰক ইঞ্জিনীয়াৰ ৰূপে গঢ় দি পুত্ৰৰ পৰা পোৱা প্ৰতিদান সমাজৰ পিতৃবোৰক দেখাবলৈ আদৰ্শ হিচাপে কেইদিন মান জীয়াই থাকিব বিচাৰো। বোপা চিঠিখন বৰ দীঘলীয়া হ'ল।

শেষত এজন দুৰ্ভগীয়া পৰিত্যক্ত পিতৃ হিচাপে তোমালৈ আশীৰ্বাদ জনালো।

তোমাৰ
শুভাকাংশী
জীৱন দুৱৰা

চিঠিখন পঢ়ি শেষ কৰি চাইকেল লৈ অহা ল'ৰাজনলৈ চালো। ল'ৰাজন চোন নাই। সি কেতিয়া গুচি গ'ল গমেই নাপালো। বাৰাণ্ডাত থৈ যোৱা চাইকেলখনলৈ একেথৰে চাই ৰ'লো— যি খন চাইকেল মৰমৰ পুত্ৰৰ বাবে উপহাৰ স্বৰূপে বৃদ্ধই আজি আঠ বছৰৰ আগতে মোৰ দোকানৰ পৰা কিনি নিছিল। ●

# অসমৰ জনজাতি সমস্যা আৰু ইয়াৰ সমাধানৰ পথ

● শ্ৰীবাণীকান্ত গগৈ
প্ৰবক্তা, ৰাজনীতি বিজ্ঞান বিভাগ

অসমীয়া ভাষাত যিবোৰ জনগোষ্ঠী আধুনিক বিবেচনাত অনুন্নত বা পিচপৰা সেইবোৰকে জনজাতি বুলি অভিহিত কৰা হয়। জনজাতি শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হিচাবে ট্ৰাইবেল্ শব্দটো ব্যৱহাৰ কৰা হয়। ট্ৰাইবেল্ শব্দটো ট্ৰাইব্ (Tribe) শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ হল উপজাতি। ভাষাগত দৃষ্টিকোণৰ পৰা জনজাতি শব্দটোৰ সমাৰ্থক বুলি ট্ৰাইবেল্ শব্দটো কব পৰা নহলেও জনজাতি শব্দটোৰ প্ৰতিশব্দ হিচাবে ট্ৰাইবেল্ শব্দটো ব্যৱহাৰ কৰা হয়। বৰ্ত্তমান অসমৰ বড়ো, ৰাভা, দেউৰী, লালুং, মিচিং, গাৰো আদি জনগোষ্ঠীৰ লোকক জনজাতি আখ্যা দিয়া হয়। তেনেকৈ ভাৰতৰ কুল, মুণ্ডা, চাওতাল সকলকো জনজাতি বুলি কোৱা হয়। অসমৰ জনজাতিসকল মূলতঃ মঙ্গোলীয় প্ৰজাতিৰ। অসমৰ মানুহৰ এক বৃহৎ অংশ হল— আহোমসকল। এওঁলোক মঙ্গোলীয় প্ৰজাতিৰ। বৌদ্ধ ধৰ্ম্মাৱলী আইটন্, ফাকিয়াল, তুৰুং, দোৱনীয়া, খাময়ং আদি লোক সকলো মঙ্গোলীয় প্ৰজাতিৰ।

অসমত জনজাতি সকলৰ সংখ্যা বৰ কম নহয়। ১৯৭১ চনৰ অসমৰ লোকপিয়ল প্ৰতিবেদন মতে অসমৰ মুঠ জনসংখ্যাৰ ১১% ভাগ জনজাতি লোক। অসমৰ জনজাতি সকলক যুক্তিসঙ্গত কাৰণত পৰ্বতাঞ্চল আৰু ভৈয়ামৰ বাসভুমিৰ ভিত্তিত পৃথক কৰাৰ নীতি প্ৰচলিত আছে। এই নিবন্ধত জনজাতি শব্দটো ভৈয়াম জনজাতি অৰ্থে প্ৰয়োগ কৰা হৈছে। অসমত পাৰ্বত্য জনজাতিৰ লোকসংখ্যা হল— কাৰ্বি আলঙত ১৭৭১৯৪ জন আৰু উত্তৰ কাছাৰত মুখ্য জনজাতীয় ডিমাছা জনগণৰ সংখ্যা হল ৩৯,৩৪২ জন। অসমৰ ভৈয়াম জনজাতি সকলৰ প্ৰধান শাখাসমূহৰ লোকসংখ্যা হল নিম্নৰূপেঃ বড়ো (সোনোৱাল কছাৰীকে ধৰি) ৮,৫০,০০০, মিচিং ২,৫৯,৫৫১, ৰাভা ১,৩৮,৬৩০, লালুং ৯৫,৬০৫, দেউৰী ২৩.০৮০।

(উদ্ধৃত সংখ্যাবোৰ অসম চৰকাৰৰ পৰিসংখ্যা বিভাগৰ হেণ্ডবুক (১৯৮৪)ৰ পৰা লোৱা হৈছে)

ভাৰতৰ জাতিসমূহৰ ভিতৰত নৱজাত জনজাতি আৰু গোষ্ঠীসমূহকো ধৰিব পাৰি। বিভিন্ন স্তৰত থকা বহুতো নৃ-গোষ্ঠী আৰু গোত্ৰত বিভক্ত এই জনগণৰ কাৰণে সমাজ ব্যৱস্থাৰ বিকাশৰ ধাৰা সকলো ক্ষেত্ৰতে অসমান। তেওঁলোকৰ প্ৰত্যেক জাতি আৰু নৃ-গোষ্ঠী নিজৰ ভাষা, সংস্কৃতি আৰু ঐতিহ্যৰে মহিমামণ্ডিত হৈ আছে। তেওঁলোকে অ-জনজাতি জনগণৰ ৰাজ্যবোৰত সিচঁৰিত হৈ থকা সংখ্যালঘু ৰূপে বসবাস কৰি আছে। মহামতি লেনিনৰ মতে "জাতি হৈছে বুৰ্জোৱা যুগৰ সমাজ বিকাশৰ এক অনিবাৰ্য্য গঢ়, এক অনিবাৰ্য্য ফল।" জনজাতিও তেনে সেই যুগৰেই সমাজ বিকাশৰ অন্য এটি ফল।

এতিয়া অসমৰ জনজাতি সমস্যাৰ বিষয়ে চিন্তা কৰা যাওক। অসমত বৰ্ত্তমান জনজাতি সমস্যা অতি উত্তপ্ত হৈ পৰিছে। কিছুমান জনজাতিয়ে ৰাজ্যৰ ভিতৰতে আত্ম শাসনৰ দাবী তুলিছে। অন্য এটা জনজাতি গোষ্ঠী বড়োসকলৰ 'বড়ো ছাত্ৰ সন্থাই' বড়োলেণ্ড বিচাৰিছে আৰু ইয়াৰ কাৰণে দীঘলীয়া আন্দোলনত নামিছে। পি, টি, চি, ৰ পুৰণি বেমাৰো উক দিছে। আহ্বান কৰা দীঘলীয়া বন্ধৰ কালছোৱাত অনেক হিংসাত্মক ঘটনা সংঘটিত হৈছে। ৰাজনৈতিক নেতাৰ হত্যা হৈছে, নীৰিহ নৰনাৰী মৃত্যু হৈছে, বোমা ফুটিছে, ঘৰ জ্বলিছে, স্কুলঘৰ জ্বলিছে ৰেল লাইন আতৰিছে, চৰকাৰী বিষয়া অপহৰণ হৈছে, ইত্যাদি আন্দোলনৰ নেতাসকলে এইবোৰ হিংসাত্মক ঘটনাৰ দায়িত্ব কান্ধ পাতি ল'ব খোজা নাই। তেওঁলোকে কৈছে এইবোৰ দুৰ্বৃত্তই কৰিছে। পিচে দুৰ্বৃত্তবোৰক তেওঁলোকে চিনাক্ত কৰি দিয়া উচিত। যাই হওক, আমাৰ উদ্দেশ্য জনজাতি সমস্যা আৰু সমাধানৰ কথা চিন্তা কৰাহে, আন্দোলন বৰ্ণনা কৰা নহয়।

জনজাতি সমস্যাৰ সৈতে মূলতঃ ৰাজনীতি জড়িত। এই সমস্যাৰ জটিলতা অনাৰ কাৰণ ৰাজনীতিয়েইহে। কাজেই, সমস্যাৰ সমাধান ৰাজনৈতিক দৃষ্টিকোণৰ পৰা অহা অৱশ্যম্ভাৱী।

জনজাতি সমস্যা বহুতো কাৰণত উদ্ভৱ হৈছে। যিবোৰ কাৰণত এই সমস্যা উদ্ভৱ হৈছে সেই কাৰণবোৰক কেইবা ভাগত ভগাব পাৰি। ১) সামাজিক ২) প্ৰশাসনিক ৩) অৰ্থনৈতিক ৪) ভাষিক আৰু সাংস্কৃতিক।

সামাজিক কাৰণটো গঢ়ি উঠিছে জাতিভেদ প্ৰথা আৰু ধৰ্ম্মীয় ৰীতি-নীতিক কেন্দ্ৰ কৰি। জাতিভেদ আৰু ধৰ্ম্মীয় ক্ৰিয়াকাণ্ড সামন্তবাদৰেই সৃষ্টি। জাতিভেদৰ কাৰ্য্যকাৰিতাক মনুৱে আইনসিদ্ধ কৰি থৈ গৈছে। ভাৰতৰ যি বৰ্ণাশ্ৰম ধৰ্ম্ম শূদ্ৰ, বৈশ্য, ক্ষত্ৰিয়, কায়স্থ সেয়ে জাতিভেদ সৃষ্টিৰ মূল কাৰণ। এগৰাকী নৃ-তত্ব বিজ্ঞানী ডঃ ভুবন মোহন দাসে লিখিছে— "জাতিপ্ৰথা হিন্দু-সংস্কৃতিৰ প্ৰধান অঙ্গ।" জাতিভেদ প্ৰথাই মানুহক ক্ষুদ্ৰ ক্ষুদ্ৰ অংশত বিভক্ত কৰিয়েই এৰা নাছিল, মানুহৰ মনত উচ্চ নীচ ভাৱৰো জন্ম দিছিল। ভাৰতৰ জাতিভেদ প্ৰথাৰ প্ৰতিক্ৰিয়া অনুধাৱন কৰি মহাপণ্ডিত ৰাহুল সাংকৃত্যায়নে 'নতুন মানৱ সমাজ' নামৰ কিতাপত লিখিছে— "ব্ৰাহ্মণে ভাৱে আমি শ্ৰেষ্ঠ ক্ষত্ৰিয় হীন, ক্ষত্ৰিয়ই ভাৱে আমি উচ্চ কঁহাৰ নীচ, কঁহাৰে ভাৱে আমি শ্ৰেষ্ঠ মুচি নীচ, মুচীয়ে ভাৱে আমি শ্ৰেষ্ঠ মেতৰ নীচ।" এই জাতিভেদ প্ৰথাৰেই উগ্ৰৰূপ হল অস্পৃশ্যতা। বৈদিক যুগত আৰ্য্য বহিৰ্ভূত শূদ্ৰসকলে বেদ পঢ়া নিষিদ্ধ আছিল। তপস্যাৰ অপৰাধত ৰামায়ণৰ শম্বুকক শিৰচ্ছেদ

কৰাৰ কাহিনী অনেকে জনে। এতিয়া কথা হ'ল ভাৰতৰ বৰ্ণবাদী সমাজ ব্যৱস্থাত জনজাতি সকলে কেতিয়াও সমান অধিকাৰ আৰু সামাজিক মৰ্য্যদা ভোগ কৰিব পৰা নাছিল। আমাৰ সনাতন সমাজৰ বিধানমতে তেওঁলোক জন্মগত কাৰণে বৈষম্য আৰু অৱহেলাৰ বলি হৈছে। এইবিলাক অসন্মানকৰ বৈষম্যই তেওঁলোকক বৰ্ণ বিভক্তৰ সমাজৰ মূল সুঁতিৰ পৰা আতৰাই ৰাখিছে। এই প্ৰাচীৰ আজিলৈকে খহি পৰা নাই।

জনজাতি সমস্যাৰ অন্য এটা কাৰণ অৰ্থনৈতিক। জনজাতিসকল মূলতঃ কৃষিজীৱি। কিন্তু কৃষিজীৱি হলেও তেওঁলোকৰ মাজতে মাটিহীন মানুহৰ সংখ্যা আটাইতকৈ বেছি। ১৯৪৬ চনতে অসম চৰকাৰে ২৩০০ গাৱঁক সংৰক্ষিত (বেল্ট আৰু ব্লক) বুলি ঘোষণা কৰিছিল। গাওঁ সমূহৰ মুঠ কালি হল ৩৬,৬৪,৫৫০ একৰ। এই গাওঁসমূহৰ মাটি আইনতঃ অ-জনজাতিলোকলৈ হস্তান্তৰ কৰা নিষিদ্ধ কৰা হৈছিল। কিন্তু দুখৰ বিষয়, যোৱা ৪০ বছৰত এই আইন কাৰ্য্যকৰী কৰাত চৰকাৰে আগ্ৰহ দেখুৱা নাই। জনজাতি সকলৰ হাতৰ পৰা অ-জনজাতিলোকৰ হাতলৈ মাটি হস্তান্তৰ হৈয়েই থাকিল। জনজাতি সকলৰ অৱস্থা এনেকুৱা আছিল তেওঁলোকে অ-জনজাতিলোকক মাটি বেচিবলৈ বাধ্য হৈছিল। দৰিদ্ৰতা, নিৰক্ষৰতা, অনগ্ৰসৰতা আদি কাৰণত জনজাতিসকল মাটিগিৰি মহাজন, সুদখোৰ, প্ৰবঞ্চকৰ হাতৰ পুতলা হৈ পৰিছিল।

জনজাতিসকল অশান্ত হৈ পৰাৰ ভাষিক আৰু সাংস্কৃতিক কাৰণো আছে। সংখ্যালঘুৰ ভাষা আইনৰ ক্ষেত্ৰত স্পষ্ট সাংবিধানিক নিৰ্দ্দেশ আছে। তৎসত্তেও এই বিধি আৰু নিৰ্দ্দেশ পালন কৰাত অনাহকতে চৰকাৰে পলম কৰি জনজাতি লোকসকলৰ ধৈৰ্য্যচ্যুতি ঘটাইছে। বড়ো ভাষাক শিক্ষাৰ মাধ্যম হিচাবে আগতে মানি লোৱা হৈছে যদিও প্ৰশাসনিক ক্ষেত্ৰত বড়োভাষাৰ অধিকাৰ সীমাবদ্ধ অঞ্চলত মানি লোৱাত চৰকাৰে তিনিদশক সময়লৈ অশান্তি বঢ়ালে। মিচিং, ৰাভা আৰু টিৱা ভাষাক প্ৰাথমিক স্তৰতে শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃতি দিয়াৰ আগতে চৰকাৰে চাৰিদশক কাল পাৰ কৰিলে। ভাষা আৰু শিক্ষাৰ মাধ্যম ক্ষেত্ৰত চৰকাৰৰ স্পষ্ট নীতি থকা উচিত। ইয়াৰ অভাৱত জনসাধাৰণে অশান্তি ভোগ কৰিবলগীয়া হয়। এটা সময়ত অসম চৰকাৰে ৰোমাণ লিপি মানি ললে। পিচে ১৯৭৫ চনত বড়ো সাহিত্য সভাই ৰোমাণ লিপি বিচৰি গুলি খাবলগীয়া হৈছিল। অ. গ. প. চৰকাৰে অনা-অসমীয়া স্কুলসমূহত অসমীয়া বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লৈছিল যদিও সেই সিদ্ধান্ত কাৰ্য্যকৰী কৰিব নোৱাৰিলে। সংখ্যালঘু সকলৰ মনত গভীৰ সংশয়ৰ সৃষ্টি হল। দৰাচলতে শাসক শ্ৰেণীয়ে জনজাতীয় ভাষা সংস্কৃতিৰ পৃথক সত্বা আৰু সমানাধিকাৰ যেন আন্তৰিকতাৰে মানি ল'ব পৰা নাই।

জনজাতি সমস্যাৰ বাবে প্ৰশাসনিক নীতিও জগৰীয়া নোহোৱা নহয়। প্ৰশাসনিক বা চৰকাৰী নীতি বাস্তৱিকতে শাসনত থকা দলেই গঢ়ি তোলে। চৰকাৰী নীতিমতেই



ভাৰতৰ অনুন্নত গোষ্ঠীৰ লোকসকলক দুভাগত ভাগ কৰা হৈছে— তপশীল জাতি আৰু তপশীল জনজাতি। চৰকাৰী তথ্যপাতি মতে অসমৰ শাসক গোষ্ঠীৰ নেতাসকলৰ কথাৰ মাজেদি জনজাতিৰ উন্নয়ণৰ কথা বহল ভাবে প্ৰচাৰিত হয়। আমাৰ দেশে স্বাধীনতা পোৱা ৪০ বছৰ হল; পিছে জনজাতিসকলৰ উন্নতি সম্ভৱ হৈ নুঠিল জনজাতিৰ সমস্যৰ বাবে চৰকাৰী নীতি কেনেকৈ দায়ী ইয়াৰ এটা উদাহৰণ দিওঁ। কোকোৰাঝাৰ জিলাৰ চিদলী ট্ৰাইবেল বেল্টৰ ওচৰত ঢালিগাঁৱত এটা তেল শোধনাগাৰ আৰু এটা পেট্ৰ'-কেমিকেল কমপ্লেক্স আৰু চালাকাটিত এটা তাপ বিদ্যুৎ প্ৰকল্প গঢ়ি তোলা হৈছিল। এই দুটা শিল্প কাৰখানা তৈয়াৰ কৰোতে চৰকাৰৰ এইটো অজ্ঞাত নাছিল যে চিদলী এটা ট্ৰাইবেল বেল্ট। এই দুটা শিল্প কাৰখানাৰ অসমৰ অৰ্থনীতিলৈ অৱদান আছে সন্দেহ নাই। কিন্তু এনে উদ্যোগ পতাৰ ফলত যিখিনি মানুহ চিন্নমূল হল সেই মানুহখিনিৰ জীৱিকা আৰু নিৰাপত্তাৰ বাবে চৰকাৰে কিবা বিকল্প ব্যৱস্থা ললেনে?

জনজাতি সমস্যাৰ কাৰণবোৰ দৰ্শোৱাৰ পিচত এতিয়া সমস্যাৰ সমাধান সন্দৰ্ভত চিন্তা কৰি চাব খুজিছো। পাঠকসকলে যেন মোক মাফ কৰে। সমস্যাৰ সমাধান বিচাৰি প্ৰথমেই মই চোভিয়েট দেশৰ ফালে গতি কৰিব বিচাৰিছো। চোভিয়েট দেশত ১০০ তকৈও অধিক জাতি জাত্যাংশৰ বাসভুমি। অক্টোবৰ বিপ্লৱৰ আগলৈকে সৰু সৰু জাতিবিলাকক দমন আৰু নিষ্পেষণ কৰা হৈছিল। সেইবাবেই চোভিয়েট দেশক এসময়ত সৰু সৰু জাতিসমূহৰ কাৰাগাৰ বুলি মিথ্যা আখ্যা দিয়া হৈছিল। ১৯১৭ চনৰ মহান অক্টোবৰ বিপ্লৱৰ পিচত চোভিয়েট দেশত জাতি নিষ্পেষণৰ অৱসান ঘটিছে আৰু সৰু ডাঙৰ সকলো জাতিৰে সমান অধিকাৰ প্ৰতিষ্ঠা হৈছে। চোভিয়েট দেশৰ এই জাতি সমস্যা সমাধানৰ পৰা আমিও শিক্ষা ল'ব লগা আছে বুলি ভাৱো। চোভিয়েট দেশৰ জাতি সমস্যাৰ ওপৰত বিস্তৰ আলোচনা কৰিছিল লেনিন আৰু ষ্টালিনে। ষ্টালিনৰজাতি সমস্যা সম্পকীয় লিখাবোৰ ষ্টালিন বিৰোধীয়েও গুৰুত্বপূৰ্ণ বুলি কোৱা পাইছো। এই ক্ষেত্ৰত ষ্টালিনৰ মাৰ্ক্সবাদ আৰু জাতি সমস্যা নামৰ নিৱন্ধটোলৈ আঙুলিয়াই দিব পাৰি। এই নিৱন্ধৰ শেষৰ ফালে ষ্টালিনে জাতি সমস্যাৰ সমাধানৰ পথ নিৰ্দ্দেশ কৰিছে এইদৰে—

১) জাতি সমস্যা সমাধানৰ প্ৰথম ভিত্তি আৰু চৰ্ত হল পূৰ্ণ গণতন্ত্ৰ প্ৰতিষ্ঠা।

২) জাতি সমস্যা সমাধানৰ আন এটা আৱশ্যকীয় উপাদান হ'ল আত্ম-নিয়ন্ত্ৰনৰ অধিকাৰ।

৩) আঞ্চলিক স্বায়ত্ব শাসন হল জাতি সমস্যা সমাধানৰ এটা অপৰিহাৰ্য্য চৰ্ত্ত।

৪) জাতি সমূহৰ কাৰণে সমান অধিকাৰেই জাতি সমস্যা সমাধানৰ কাৰণে আন এটা অপৰিহাৰ্য্য চৰ্ত্ত।

ষ্টালিনৰ সমাধান সূত্ৰ আগবঢ়াইছো যদিও তেখেতৰ সমাধান সূত্ৰ আমাৰ দেশৰ

বৰ্ত্তমানৰ সমাজ ব্যৱস্থাত প্ৰযোজ্য নহয়। বহুতে হয়তু কব বিদেশী সূত্ৰ আমাৰ দেশত নচলে। কিন্তু স্তালিনৰ সূত্ৰ যদি বিজ্ঞান আৰু যুক্তি নিৰ্ভৰশীল হয় তেন্তে সকলো ঠাইতে ইয়াৰ প্ৰয়োগ হবই। যদি নহয়, বুজিব লাগিব সমাজ ব্যৱস্থাৰ পাৰ্থক্য বা মতাদৰ্শগত পাৰ্থক্যৰ বাবেই নহয়। দৰাচলতে সাম্যবাদী আদৰ্শ আৰু আমাৰ দেশৰ পুঁজিপতি আৰু উচ্চ মধ্যবিত্তৰ সমন্বয়ত গঢ়ি উঠা উদাৰনৈতিক গণতান্ত্ৰিক আদৰ্শৰ মাজত বিৰাট ব্যৱধান আছে। যেই হওক, আমাৰ দেশতো স্বায়ত্ব শাসন কোনো কোনো জনজাতিক দিয়া হৈছে; যিটো নেকি জনজাতি সমস্যা সমাধানৰ মূল কথা। পিচে আমাৰ দেশত স্বায়ত্ব শাসনে বিশেষ কাম দিয়া নাই। নিদিবৰ কথাই; কিয়নো ইয়াত স্বায়ত্ব শাসনৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কথা পূৰ্ণ গণতন্ত্ৰই নাই। গতিকে আমাৰ দেশৰ জনজাতি সমস্যাৰ সমাধান আমাৰ দেশৰ অৱস্থাতেই বা আমাৰ দেশৰ মাটিতেই প্ৰধানকৈ বিচাৰিব লাগিব।


আগতে উল্লেখ কৰি আহিছো জনজাতি সমস্যাৰ এটা কাৰণ সামাজিক; যি সামাজিক কাৰণটো মূলতঃ জাতিভেদ প্ৰথা আৰু ধৰ্ম্মীয় ৰীতি-নীতিক কেন্দ্ৰ কৰি গঢ়ি উঠিছে। আমি অসমীয়া সকলে জনজাতিসকলৰ (তেওঁলোকো অসমীয়াই) প্ৰতি কোনো ধৰণৰ উচ্চ-নীচ ভাব পোষণ কৰিব নেলাগিব বা ধৰ্ম্মীয় ৰীতি-নীতিক আমাৰ মাজত বাধাৰ প্ৰাচীৰ হিচাবে ঠিয় দিবলৈ এৰি দিব নালাগিব। তেওঁলোকক আমি আন্তৰিকতাৰে বুজিবলৈ যত্ন কৰিব লাগিব। অন্য জাতি-সত্বাক দিয়াৰ দৰে তেওঁলোকক সমান মূল্য দিবলৈ কুণ্ঠাবোধ কৰিব নালাগিব। তেওঁলোকৰ প্ৰতি আমাৰ আচৰণ হব লাগিব সম্পূৰ্ণ ভাতৃত্ব সুলভ। আমি অসমীয়া সকলে যেনেকৈ অসমীয়া ভাষা কৃষ্টি জনজাতিসকলে শিকা বা আদৰ কৰা বিচাৰো তেনেকৈ জনজাতিসকলৰ ভাষা-কৃষ্টি আমি জানিবলৈ বুজিবলৈ যত্ন কৰা উচিত। মুঠতে দিয়া লোৱা বা মিলাবে মিলিবে নীতিৰ যোগেদি আমি এনে এটা পৰিবেশ ৰচনা কৰিব লাগিব যিটো পৰিবেশত আমাৰ সৈতে জনজাতিসকলৰ জাতিগত বা সাংস্কৃতিগত সমন্বয় সম্ভৱ হৈ উঠে।

ভাষাগত বা সংস্কৃতিগত প্ৰশ্নইও আজি জনজাতিসকলক অশান্ত কৰি তুলিছে। জন-সকলে তেওঁলোকৰ ভাষা কৃষ্টিৰ পুনৰুত্থান বিচাৰে। এইটো আদৰণীয় কথা। তেওঁ-লোকৰ সাংস্কৃতিক উন্নতিয়ে অসমীয়া সং-স্কৃতিৰ পথাৰখনক অধিক উৰ্ব্বৰ কৰি তুলিব। প্ৰসঙ্গক্ৰমে বিপ্লৱী শিল্পী বিষ্ণু ৰাভাৰ সাংস্কৃতিক দৃষ্টিভঙ্গীৰ কথা উল্লেখ কৰিব খুজিছো। বিপ্লৱী শিল্পী গৰাকীয়ে অসমৰ বিভিন্ন জন-গোষ্ঠীৰ সংস্কৃতি উজ্বলি উঠক— এই বাঞ্চাই কৰিছিল। ডঃ হীৰেণ গোহাঁইয়ে লিখিছে— "বিভিন্ন গোষ্ঠীৰ লোকে নিজ নিজ সাংস্কৃতিক প্ৰতিভা বিকাশৰ যোগেদি মহিমান্বিত হৈ উঠক এয়ে আছিল তেওঁৰ (বিষ্ণু ৰাভাৰ) সাধনাৰ নিহিতাৰ্থ। মুক্তি যুদ্ধত উদগনি দিবলৈ তেওঁ বড়োসকলৰ কাৰণে বহু বড়ো গীত ৰচনা কৰিছিল। বড়ো সাংস্কৃতিৰ স্বতন্ত্ৰীয়া চৰ্চাত তেওঁ সদায় উৎসাহ দিছিল। অসমৰ অন্যান্য জাতিৰ মাজত অসমীয়া কৃষ্টি প্ৰচাৰ কৰাত তেওঁ যিমান আগ্ৰহী আছিল তাতকৈ বেছি আছিল সেইবোৰ জাতিৰ সংস্কৃতি আগ্ৰহ আৰু শ্ৰদ্ধাৰে শিকি তাৰ চৰ্চাৰ দ্বাৰা অসমীয়া সংস্কৃতি সমৃদ্ধ কৰাত।" নৃ-তত্ব বিজ্ঞানী ডঃ ভুবন মোহন দাসে লিখিছে— "প্ৰত্যেক জন সমষ্টিৰ স্বকীয় বৈশিষ্ট অক্ষুন্ন ৰখাৰ অধিকাৰ আছে। অসমৰ সাংস্কৃতিক বৈশিষ্ট অক্ষুন্ন ৰাখিও সৰ্বভাৰতীয় সংস্কৃতিক চহকী কৰিব পাৰি। তেনেকৈ অসমৰ প্ৰত্যেকটো জন সমষ্টিৰ সাংস্কৃতিক বিকাশে অসমৰ সংস্কৃতি আৰু বেছি গৌৰৱোজ্বল বৈশিষ্ট্যপূৰ্ণ কৰি তুলিব।"

জনজাতি সমস্যাৰ কাৰণসমূহৰ ভিতৰত অৰ্থনৈতিক কাৰণটোৱেই আটাইতকৈ গুৰুত্বপূৰ্ণ। আগতে উল্লেখ কৰি আহিছো যে জনজাতি সকল মূলতঃ কৃষিজীৱি আৰু তেওঁলোকৰ মাজতেই মাটিহীন মানুহৰ সংখ্যা আটাইতকৈ বেছি। নিৰক্ষৰতা, অনগ্ৰসৰতা, দৰিদ্ৰতা জন-জাতি সমাজৰ আজি যেন এটা এৰাব নোৱাৰা কথা। চৰকাৰী আইন থকাৰ স্বত্তেও জন-জাতিসকলৰ মাটি অ-জনজাতিসকলৰ হস্তান্তৰ হৈয়েই আছে। ইতিমধ্যে সংৰক্ষিত অঞ্চলৰ পতিত আৰু খাচ, ৰিজাৰ্ভ আদিতো বহুতো অ-জনজাতি কৃষক খেতিবাতি কৰি বহি গৈছে। অ-জনজাতি মাটিগিৰি মহাজন আদিয়েও বহুত মাটি হস্তগত কৰিছে। এনে অৱস্থাত উপযুক্ত ক্ষতিপূৰণ দিও অ-জনজাতি খেতিয়কক উচ্ছেদ কৰা সহজ কথা নহয়। ত্ৰিপুৰাত একে ধৰণৰ সমস্যাত ৬৯ চনকে সময় সীমা ধৰি তাৰ পিচত সোমোৱা সকলক ক্ষতিপূৰণ দি অপ-সাৰণ কৰিছিল। অসম চৰকাৰেও কথাটো ভাবি চাব পাৰে। ৬৯ চনৰ পিচৰ মাটিগিৰি মহাজনক উচ্ছেদ কৰাৰ কামটো সিমান টান নহব যেন লাগে। এইবোৰ কৰিবলৈ গলে পুনৰ্বাসনৰ দৰে সমস্যাৰ সৃষ্টি নোহোৱাকৈ নেথাকে। সদ্যহতে চৰকাৰে কিন্তু এটা বিষয়ত দৃঢ় পদক্ষেপ লোৱা উচিত সেয়া হল ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটি সংৰক্ষণৰ বিধি সম্পূৰ্ণ কাৰ্য্যকৰী কৰিব লাগে আৰু নতুন অনুপ্ৰবেশ সম্পূৰ্ণ বন্ধ কৰিব লাগে। কৰ্ম্ম সংস্থানৰ বিষয়টোও যেতিয়া জনজাতি বিক্ষোভৰ অন্যতম কাৰণ শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত তেওঁলোকে পাবলগীয়া অংশ নিষ্ঠা সহকাৰে দিব লাগে।

অতি সম্প্ৰতি জনজাতীয় আন্দোলনত পৃথকত্বৰ দাবী সঘনে উচ্চাৰিত হোৱা দেখা গৈছে। বড়ো ছাত্ৰ সন্থাই পৃথক ৰাজ্যৰ কাৰণে আকৌৰ গোজ মনোভাব লোৱ পৰি-লক্ষিত হৈছে। পি. টি, চি, য়ে উদয়াচল বিচাৰিছে। কাৰ্বিসকলে ৰাজ্যৰ ভিতৰতে আত্মশাসন বিচাৰিছে। তেওঁলোকে সংবিধানৰ ২৪৪ (ক) দফা প্ৰয়োগৰ দাবী তুলিছে। কাৰ্বিকে ধৰি যি সকলে আত্মশাসনৰ দাবী তুলিছে তেওঁলোকৰ কথা বিবেচনা কৰি চাব পাৰে। কিন্তু পৃথক ৰাজ্যৰ প্ৰশ্নটো এটা জটিল প্ৰশ্ন। জনজাতিসকলৰ সমত্ব, অৰ্থনৈতিক সাংস্কৃতিক নিৰাপত্তা আৰু আত্মশাসনৰ দাবী মূলতঃ ন্যায় সঙ্গত। কিন্তু সম্পূৰ্ণ পৃথকত্বৰ দাবীক কোনো পধ্যেই সমৰ্থন কৰিব নোৱাৰি।

পৃথক হলেই জানো জনজাতি সমস্যাৰ সমাধান হ'ব ? অসমৰ পৰা আতৰি যোৱাৰ পিচত মেঘালয়, অৰুণাচল, নগালেণ্ডৰ অৰ্থনৈতিক সমস্যাৰ সমাধান হৈছে জানো ? বড়োসকলে পৃথক ৰাজ্য পালেই সেই অঞ্চলৰ পৰা জমিদাৰ, পুঁজিপতিৰ শোষণ আতৰি নেযায় বা ভূমি সমস্যাৰ আমূল পৰিবৰ্ত্তন সাধিত নহয়। এইবোৰ কথা জনজাতিসকলে দকৈ চিন্তা কৰি চোৱা উচিত। বৃহত্তৰ অসম কাহানিবাই ভাগিল। অসমৰ নামত এতিয়া আছেগৈ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যাকা ! এই সীমিত পৰিসৰৰ অসমক আমি যদি ভাষাৰ নামত জনগোষ্ঠীৰ নামত ভাগ ভাগ কৰি গৈ থাকো ভবিষ্যত পুৰুষে তথা ইতিহাসে আমাক নিশ্চয় ক্ষমা নকৰিব। আজি অসমক আৰু খণ্ডিত নোহোৱাকৈ ৰখাটো কি জনজাতীয় কি অ-জনজাতীয় প্ৰতিজন অসমীয়াৰে দায়িত্ব আৰু কৰ্ত্তব্য। ● ●





একাংকিকা নাটক

# পোহৰৰ বাট

জ্যোতি দুৱৰা

স্নাতক ১ম বাৰ্ষিক

## চৰিত্ৰ

১) বৰুৱা— এজন অফিচাৰ।

২) সুপ্ৰভা— বৰুৱাৰ পত্নী।

৩) ৰবী— বৰুৱাৰ জীয়েক ( ১৫ বছৰ )

৪) ৰাজু — বৰুৱাৰ পুতেক ( ৬ বছৰ )

[ এটা সুসজ্জিত কোঠা। একাষে এখন টেবুলত কিতাপ সজোৱা থাকে। কাষত এখন চকী। কোঠাটোৰ সোঁমাজতে এযোৰ চকী-টেবুল। টেবুলত এটা ফাইল আৰু কিছুমান কাগজ। একাষত এখন বিচনা। আঁৰ কাপোৰ উঠাৰ লগে লগে দেখা যাব বৰুৱাই সোঁমাজত থকা চকীখনত বহি টেবুলৰ ওপৰত কাগজ লৈ কিবা লিখি আছে। অলপ পাছতে ৰবী সোমাই আহে। ]

ৰবী— দেউতা তোমাক মায়ে মাতিছে।

বৰুৱা— [ মূৰ নোতোলাকৈয়ে ] কিয় মাতিছে মোক ?

ৰবী— কব নোৱাৰো।

বৰুৱা— মই এতিয়া যাব নোৱাৰো।

ৰবী— সেইটো অৱশ্যে তোমাৰ কথা।

[চঞ্চল খোজেৰে ৰবীৰ প্ৰস্থান। বৰুৱাই লিখি থাকে। এনেতে সুপ্ৰভা সোমাই আহে।

সুপ্ৰভা— তোমাৰ আৰু কাম নাই নহয়। অকল ফাইল অকল ফাইল। অফিচৰ কামবোৰকেনো আৰু কিমান কৰি নাথাকা হল বুলি। অফিচতো ঘৰতো।

বৰুৱা— ইস্ ৰাম ! কি হৈছেনো ?

সুপ্ৰভা— কি হৈছে তাক যে সুধিছা, কি নাই হোৱা তাকে নোসোধা কিয় ? ঘৰখনত আজি কি আছে, কি নাই তোমাৰ খবৰ আছে জানো ? বজাৰ কৰিব লাগে বুলি খবৰেই নাই।

বৰুৱা— কিনো বজাৰ কৰিব লাগে হে ?

সুপ্ৰভা— আজি ভাত খাবলৈকে একো নাই।

বৰুৱা— যি আছে তাকে ৰান্ধা।

সুপ্ৰভা— একো নাই বুলি কলে যি আছে তাকে ৰন্ধা হয়নেকি ? সুদা ভাত খুৱাই ল'ৰা ছোৱালীহালৰ মূৰ উৰুৱালেহে হব।

বৰুৱা— এদিন সুদা ভাত খাওঁতেই যদি মূৰ উৰে উৰক।

সুপ্ৰভা— ইস্ ! কিযে আচৰিত আৰু। অফিচৰ কথা ভাবি ভাবি ঘৰৰ কথা নভবাই হলা।

বৰুৱা— [ হাঁহি হাঁহি ] অ', তেতিয়া হলে মইহে ঘৰৰ কথা একো নভবা হলো।

সুপ্ৰভা— নাভাবাতো, তুমি অফিচৰ কামতেই ব্যস্ত।

বৰুৱা— অফিচৰ কথা ভাবোতে অফিচৰ কথা ভাবিম. ঘৰৰ কথা ভাবোতে ঘৰৰ কথা ভাবিম। অফিচে ঘৰে সানমিহলি নকৰো।

সুপ্ৰভা— চুপতি মাৰি নাথাকিবাহে। যোৱা বজাৰলৈ।

বৰুৱা— অলপ পাছত।

সুপ্ৰভা— [ অলপ বৈ ] মই কৈ কৈ মোৰ কথাবোৰ শুনোৱাব নোৱৰা হলো।

বৰুৱা— কি কথানো নোৱাৰিলা ?

সুপ্ৰভা— সদায় কব লাগেনে ? [ হুমুনিয়াহ কাঢ়ি ] মই কিবা এটা কৰিবলৈ কম, তেওঁ কৰিব বাধা। কিবা এটা লবলৈ লম, কৰিব আপত্তি। [ গহীন ভাবে খোজ চলাই ] আজি ইমান দিনে গাড়ী এখন লম লম কৈ আছো, নাই তেওঁৰ সেইফালে খবৰেই নাই।

বৰুৱা— [ হাঁহি হাঁহি ] গাড়ীখননো তোমাক কেলেই ? উঠি ঘূৰি ফুৰিবলৈহে! তাত উঠি নফুৰিলা যেনিবা কথা হলনে আৰু। [ সুপ্ৰভাই ঘোপাকৈ বৰুৱালৈ চাই আনফালে ঘূৰাই ] সেইবোৰ চখ কৰিব নালাগেহে। ইমান ডাঙৰ মানুহ নহওঁ। [ চকীৰ পৰা থিয় হৈ জেপৰ পৰা চিগাৰেট উলিয়াই এটা জ্বলায় ] ইফালে টকা-পইচাৰ কথাটোতো আছে। কৰো বুলিয়েই সকলো কাম কৰিব নোৱাৰো। ইহঁতকতো মানুহ কৰিব লাগিব। আনহাতে তোমাৰ চিনেমা চোৱা, শাৰী লোৱা আছেই। ঘৰ চলোৱাটো আছেই।

সুপ্ৰভা— অ, তোমাৰ দৰমহা টকাখিনি মোক শাৰী দিওঁতে, চিনেমা চোৱাওঁতেই শেষ হৈছে। কিন্তু কটকী ? তেওঁৰ মানুহ গৰাকীয়েও মোৰ লগতে চিনেমা চায়। নতুন শাৰীও কিনি থাকে। কিন্তু তেওঁৰতো মানুহজনে তোমাৰ দৰে কোৱা নাই, গাড়ী কিনি ঘূৰাই ফুৰাইছে।

বৰুৱা— লোকে কি কৰে, কি নকৰে সকলো ক্ষেত্ৰতে চকু দিয়াতো ভাল নহয় প্ৰভা। মোক নকবা। আৰু কটকীয়ে গাড়ী কিনিলে বুলিয়েই যে মইও কিনিব লাগিব ভাৱতো কোনো মানে নাই।

সুপ্ৰভা— কিন্তু মানে নথকাৰ কোনো কাৰণ নাই।

বৰুৱা— তাৰ মানে তুমি কি কব বিছাৰিছা ?

সুপ্ৰভা— কৈছো, কটকীয়ে গাড়ী লৈছে। তেওঁতো তোমাৰ তলত চাকৰি কৰে। সেইবাবে তুমিও গাড়ী এখন লৈ তোমাৰ মৰ্য্যাদা ৰাখা। টকা-পইচাৰ কথা কৈছা। কিয় আজিওনো টকা-পইচা কেনেদৰে আজিব লাগে তোমাক কব লাগেনে ? কটকীলৈ নোচোৱা কিয় ? তেওঁ চাকৰি দিম, অমুক সুবিধা দিম এইবোৰ কৈয়ে কিমান সুবিধা আদায় কৰে। তুমিওতো পাৰা। আজি টকাই সকলো। সেইটো নহলে মানুহে



গণ্য নকৰে। দৰমহাৰ টকাইনো কোন চাকৰিয়ালৰ জোৰেগে। চহীটোৰ বিনিময়ত বহুক্ষেত্ৰত পইচা লোৱাৰ কথা মই শুনিছো। আজিকালি ভাল মানুহ হৈ-কাম নহয় বুইছা। পৃথিবীখন তেনে দৰেই চলিছে।

বৰুৱা— [ উত্তেজিত হৈ ] তুমি কি কৈছা এইবোৰ ৰাতিপুৱাই ? সেইবোৰ কথা মোক নকবা। আৰু কটকীৰ কথা যে তুমি কৈছা সেইটো তুমি কেনেদৰে জানিলা।

সুপ্ৰভা— ইস! জনাটোহে ডাঙৰ কথা হ'ল। মুকলিভাৱে প্ৰচাৰ হোৱা নাই যদিও গুপুতে গুপুতে সকলোৱেই জানে। তেওঁ তেনে কৰেই। তুমিওতো জানা। সিদিনা চাংমাইৰ লগত পতা মই নিজেই শুনিছো।

বৰুৱা— অঁ—আজিব পৰা নকবা কিন্তু।

সুপ্ৰভা— বৰ ধৰ্ম যুধিষ্ঠিৰ ওলালেগৈ। নিজেইতো নকৰাই, আনে কলেও নুশুনা। ইফালে কোনোবাই যদি লব খোজে তাৰো বিৰুদ্ধে যাবা। তোমাক অফিচত চাংমাইৰ বাহিৰে কোনোবাই ভাল পাই বুলি ভাবিছা নেকি ? তেওঁ বিলাকতো সকলো একেই। খাৰঘৰীয়াক ধৰা পেলাই কম কষ্ট দিলানে ? ৰেকৰ্ড'ও বেয়া কৰিলা।

বৰুৱা— [ খঙেৰে। হৈছে হৈছে। মনে মনে থাকা। সেইবোৰ কৈ মোৰ মূৰ গৰম নকৰিবা।

সুপ্ৰভা— তোমাৰতো কৰিব নালাগে। মোৰটোহে গৰম কৰিব লাগে। লৰা-ছোৱালী দুটাক লাই দি দি মূৰত তুলি ল'লা। সেই অশান্তিখন মইহে পাওঁ। তুমিতো যোৱাগৈয়ে। মোৰহে মূৰ গৰম হয়।

বৰুৱা— মনে মনে থাকাহে। বাটৰ মানুহে শুনিলে কি হব।

সুপ্ৰভা— অঁ মই কি কৈছো তাৰ চিন্তা কৰাৰ তোমাৰ প্ৰয়োজন নাই। তোমাৰ চিন্তা বাটৰ মানুহে শুনিলে কি কব ? [ এনেতে ৰাজুৱে কান্দি কান্দি ভিতৰলৈ সোমাই আহে ] সেইয়া মই কৈছিলো নহয়, তুমি ইহঁতক মূৰত তুলিলা বুলি। অকনমান কথাতে কান্দিব। [ ৰাজুৰ প্ৰতি ] অই কি হৈছে ? কেলেই তেনেদৰে কান্দি কান্দি আহিছ ?

ৰাজু— [ কান্দি কান্দি ] মো-স্মো-ৰ চিলটখন উৎপলে ভাঙি পেলালে আৰু'।

সুপ্ৰভা— কালি খেলোতে চোলাটো ফালিছ, আজি চিলতখন ভাঙিছ, সদায় যে এনেদৰে এটা এটা কৰ, দেউতাৰা টকা কিবা গছত লাগিছে নে ?

বৰুৱা— ইস ৰাম! তুমি এই সৰু লৰাটোক এইবোৰ কি কৈছাহে ?

সুপ্ৰভা— তুমি লাই দিয়েই যি কৰিলা কৰিলা।

বৰুৱা— কাক কেনেদৰে কথা কব লাগে নাজানা নেকি ?

সুপ্ৰভা— মোৰ কামবোৰ তোমাৰ সহ্য নহয় নহয়! যি কৰা কৰি থাকা। মই

যাওঁ। [ প্ৰস্থান। ৰাজুৱে উচুপি উচুপি কান্দি থাকে ]

বৰুৱা— [ চকীৰ পৰা উঠি গহীন কৈ ] ৰাজু, চাওঁ এইফালে আহ। [ ৰাজুৱে ভয়ে ভয়ে ওচৰলৈ আহে ] তোৰ চিলতখন সি কেলেই ভাঙিলে ?

ৰাজু— এনেয়ে।

বৰুৱা— এনেয়ে নহয়। তই কিবা কৈছিলি।

ৰাজু— [কান্দি কান্দি ] নাইকোৱা।

বৰুৱা— মিছা নকবি, কৈছিলি।

ৰাজু— [ লাহে লাহে ] মই সিহঁতৰ টি, ভি নাই বুলিহে কৈছিলো।

বৰুৱা— তেনেধৰণে কিয় কৈছিলি ? মগৰ লৰাক কব নাপায় নহয়। আজিৰ পৰা নকবি। তেনেদৰে কৈয়ে কাজিয়া লাগি দুয়োটায়ে চিলতখন ভাঙিলি। অ শুন, এতিয়া মই বজাৰলৈ যাম তোৰ বাবে এখন নতুন চিলত আনিম। তই ভৰি হাত ধুই কিতাপ পঢ়গৈ যা। [ বৰুৱা ভিতৰলৈ সোমাই যায় ]

ৰাজু— আজিয়েই আনিবা নহয় দেউতা ? [ চকু মোহাৰি ] ৰ, উৎপল আমাৰ ঘৰৰ আগেদি যাবহে তেও। শিলগুটি মাৰি ঠেং ভাঙি পঠিয়াই দিম। [ চকু মোহাৰি বাহিৰলৈ ওলাই যায়। ববীয়ে ভিতৰৰ পৰা বাতৰি এখন হাতত লৈ চকী এখনত বহি পঢ়ে। অলপ পাছত বৰুৱা মোনা এটা লৈ ওলায় আহে। ববীয়ে মূৰ তুলি চাই ]

ববী— বজাৰলৈ যোৱা দেউতা ?

বৰুৱা— ওঁ।

ববী— সোনকালে আহিবা কিন্তু।

বৰুৱা— [ ধেমালি সুৰত ] মই জানো নহয়।

ববী— তুমি কিমান জানা মইও জানো নহয়। [ বৰুৱা হাঁহি হাঁহি ওলাই যায়। ববীয়ে পঢ়ি থাকে, এনেতে ৰাজুৱেও সোমাই আহি চিঞৰি কয় ]

ৰাজু— মা, বাহিৰত এজন মগনীয়া বৈ আছে। [ ৰাজু পুনৰ বাহিৰলৈ যায়। সুপ্ৰভা ভিতৰৰ পৰা বাহিৰলৈ যায়। বাহিৰত এজন বেমাৰী বুঢ়া মগনীয়াৰ মাত আৰু সুপ্ৰভাৰ মাত শুনা যায় ] [ নেপথ্যত ]

সুপ্ৰভা— এই মগনীয়াবোৰৰ পৰা আৰু উপায় নাই, লেঙেৰা দেখিম নে, পেঙেৰা দেখিম।

মগনীয়া— কালিৰ পৰা একো খোৱা নাই আই। ঘৰখনত বেমাৰী বুঢ়ীজনী আৰু নাতিনীজনীও লঘোনত আছে। দয়া কৰি দুপইচামান বা আন কিবা এটা দিয়া।

সুপ্ৰভা— তহঁতি দুদিন লঘোনত থাক চাৰি দিন থাক আমাৰ দৰকাৰ নাই। নিজে কাম কৰি খাব নোৱাৰ। আমাৰতো টকা কণ্টৰ মূৰতহে হৈছে। তহঁতক খুৱাবলৈ বেলেগে অৰ্জা নাই নহয়। [ ববীয়ে কি হৈছে দুৱাৰৰ ওচৰলৈ গৈ জুমি চায় ]

মগনীয়া— দেহৰ অৱস্থায়ে নাই আই। কাম কৰিম কেনেকৈ ? কিবা আছে যদি



দিয়া আই। ভগবানে আশীৰ্বাদ কৰিব।

সুপ্ৰভা— নাই নাই, তহঁতক দিবলৈ মোৰ একো নাই। কঙালবোৰ কৰবাৰ। সদায় খুজিলেইতো পাৱ। সেইবাবে কাম কৰিবলৈ এলাহ হয়।

মগনীয়া— কামনো কেনেদৰে কৰিম আই। আগতে কৰিছিলো, আজিকালি নোৱাৰো নহয়।

সুপ্ৰভা— নোৱাৰ নাখাবি। মই কেনেদৰে খুৱাম, যা যা, উঠি যা। মোৰ ভিতৰত কাম আছে।

মগনীয়া— নিদিয়া যদি যাওঁ আই। কৰবাত বিছাৰোগৈ। নহলে বুঢ়ীজনী কেনেদৰে থাকিব। [ সুপ্ৰভাই খঙেৰে সোমাই আহে। পাছে পাছে ৰাজু ববীয়ে মাকৰ পাছফালে ঠিয় হয়।

[ মঞ্চত ]

ববী— তুমি কিন্তু ভাল কাম নকৰিলা মা।

সুপ্ৰভা— মোক তহঁতে শিকাব নালাগে।

ববী— শিকাব নালাগে বুজিছো। কিন্তু তাক এটকা দিয়া হলে একো হানি নহয়। অনাহকতে কিমান টকা যায়গৈ।

সুপ্ৰভা— অনাহকতে পইচা তহঁতিহে পঠিয়াৱ যদি।

ৰাজু— কিয় চিনেমা চাওঁতে, ইটো সিটো কৰোতেই ঢেৰ টকা যায়।

সুপ্ৰভা— গোটেইখন মোৰ বিৰুদ্ধে। মইহে অকল পইচা খৰচ কৰো। তেনেকথা নকবি।

ববী— আমিতো তুমিয়েই খৰচ কৰা বুলি কোৱা নাই। চৌধুৰী খুৰা, দীপাংক মামাহঁত আহিলে তুমি চাহ-মিঠাই, জলপান আনকি ভাতও খুউৱা।

সুপ্ৰভা— অঁ চৌধুৰী, দীপাংকৰক চাহ খুউৱাতো তোৰ চকু পৰিছে।

ববী— চকু পৰা নাই। তুমি মগনীয়াজনক খেদিলা কিয় ? কোনোবা মানুহ, কোনোবা মানুহ নহয়।

সুপ্ৰভা— তাৰমানে কব খুজিছ, মই মগনীয়াটোক চৌধুৰী দীপাংকৰৰ দৰে ব্যৱহাৰ কৰিব লাগিছিল।

ববী— তেনে কৰিব নালাগে। কৰিবও পাৰা, বাৰু নকৰিলা কিবা এটাতো দি পঠাব পাৰা। খেদিলা কিয় ?

সুপ্ৰভা— ইমান সৰু ছোৱালীজনীয়ে মোৰ বিৰুদ্ধে যাব ! তহঁতক মই ইয়ালৈহে ইমান কষ্টেৰে তুলিছিলো। [ ববীক চুলিত ধৰি চৰ মাৰে। ৰবীয়ে কান্দে, সুপ্ৰভাই "হুঁ হুঁ" উচ্চাৰণ কৰি ভিতৰলৈ সোমাই যায় ]

ৰাজু— মাজনী যে কি আৰু, নিজেহে বজা। মগনীয়াকো খেদিলে, তোমাকো মাৰিলে বৰ বজা ওলাইছে।

ববী— দেউতাই মাক এনেই থং নকৰে নহয় !

ৰাজু— আজি দেউতাক কম। জানা ববীবা, মগনীয়াটোযে ইমান বুঢ়া. জেঙেৰা।

ববী— মানুহজনে কান্দো কান্দো কৰিছিলে নেকি ? [ ৰাজুৱে 'হয়' সুচক ভংগীৰে মূৰ দুপিয়ায়। এনেতে বৰুৱাই মোনাৰ সৈতে সোমাই আহে।

বৰুৱা— কি হ'ল ? তহঁতি দেওবাৰ হ'ল বুলি নপঢ়াই হলি। [ ৰবীক ] মোনাটো লৈ যা। [ ৰাজুৰ প্ৰতি ] তোৰ খবৰ কি ? নপঢ় ?

ৰাজু— জানা দেউতা, মগনীয়া এজন আহিছিল নহয়, মায়ে খেদি দিলে।

বৰুৱা— কেলেই খেদিলে ?

ৰাজু— লেঙেৰা বুলি আক'।

বৰুৱা— সেইবুলিয়েই নে ? [ সুপ্ৰভাৰ প্ৰবেশ ]

সুপ্ৰভা— মাংস নানিলা কেলেই ? মাছ যে আনিলা ?

বৰুৱা— মন গ'ল।

ৰাজু— মগনীয়া কথাটো কোৱা আক' দেউতা।

সুপ্ৰভা— [ চকু ঘোপা কৰি চাই ] তই কি কৰিছ ? পঢ়িব নোৱাৰ ? যা পঢ়গৈ। [ ৰাজুৱে ভিতৰলৈ গৈ পৰ্দাৰ ফাঁকেৰে শুনি থাকে ]

বৰুৱা— ভাত সোনকালে কৰা। মই এফালে যাওঁ।

সুপ্ৰভা— যাবা আক'। নাযাবলৈ কলেওতো যাবা। [ ৰাজু দৌৰি আহি ]

ৰাজু— ইস্ ; নাযাবলৈ কোৱা নাই। মিছা কৈছে দেউতা। নিজে খেদি দিছে।

সুপ্ৰভা— কি খেদি দিয়াৰ কথা কৈছ ?

ৰাজু— এতিয়া নিজে জানিও নজনা হলা। তুমি মগনীয়াটোক খেদা নাই ?

সুপ্ৰভা— তোৰ মূৰটো।

বৰুৱা— [ হাঁহি হাঁহি ] মই বুজিছো। সি সেইটো ভাবি আছিলে। সেইবাবে কিবা কওঁতে কিবা শুনিলে।

ৰাজু— মই মিছা শুনা নাই দেউতা। ৰবীয়েতো জানে।

বৰুৱা— হব বাৰু তই ভিতৰলৈ যা। [ ৰাজু প্ৰস্থান ] [ বৰুৱাই জোতা খোলে ]

সুপ্ৰভা— এফালে যাম বুলিলা যে কিমান সময়ত ?

বৰুৱা— এই ধৰা সোনকালেই যাম। ভাত খৰ কৰা।

সুপ্ৰভা— দেওবাৰৰ দিনাও তোমাৰ আজৰি নাইনে ?

বৰুৱা— এৰা কি কৰিবা ? [ বৰুৱাই চকীত আৰামেৰে বহে। আনখন চকীত সুপ্ৰভাই বহে। দুয়ো অলপ সময় নিৰব ]।

সুপ্ৰভা— ৰবীন্দ্ৰনীক কিন্তু শাসন কৰিব লগা হ'ল।

বৰুৱা— কিয়, কি কৰিলে তাই ?

সুপ্ৰভা— তাই ডাঙৰ সৰু কাকো নমনা হ'ল। মুখে মুখে লাগি যায়। আজি মোৰ লগত সমানে সমানে লাগিছে। [ বৰুৱা নিমাত ] সাধাৰণতে এইটো বয়সত অলপ মই মতালি হয়েই। গতিকে এতিয়াৰ পৰা চকু দিব হ'ল। তুমিহে বৰ লাই দিয়া। [অলপ ৰৈ] আজি দীপাংক, চৌধুৰীৰ কথা মোক কৈছে।

বৰুৱা— কিয় কলে ?

সুপ্ৰভা— মানে, মানে মগনীয়া এজন আহিছিলে। সেইজনক লৈয়ে তেনেকৈ ক'লে।

বৰুৱা— ৰাজুৱে মিছা কোৱা নাই। [ অলপ ৰৈ ] তুমি কিন্তু বেয়া কাম কৰিলা।

সুপ্ৰভা— [ বৰুৱালৈ চাই ] মইতো তোমাৰ মানত সদায় বেয়া কাম কৰো।



পিছে আজি কি কৰিলোঁ।

বৰুৱা— মগনীয়াক খেদিব নাপাই নহয়। ধৰি লোৱা সেইয়া তোমাৰ দেউতা।

সুপ্ৰভা— কি ? মোৰ দেউতা এজন উকিল। অথচ তুমি তেওঁক বেমাৰী মগনীয়া বনাইছা। অলপো বেয়া নালাগিল তোমাৰ ? ছিঃ ছিঃ, ডাঙৰ জোঁৱায়েক হৈ কোনোবাইনো শহুৰেকক, বাটৰ ভিকহুৰ লগত তুলনা কৰেনে ? তোমালৈ বিয়া দি দেউতায়ে কি ভুল কাম নকৰিলে। [ কান্দে ]

বৰুৱা— মই তোমাক ধৰি লবলৈহে কৈছিলোঁ।

সুপ্ৰভা — নালাগে মোক একো নকবা। [প্ৰস্থান। বৰুৱাই পায়চাৰী কৰে। অলপ পাছত সুপ্ৰভাক মাতে ]

বৰুৱা— [লাহেকৈ] চাওঁ প্ৰভা, এইফালে আহাঁ। [ সুপ্ৰভা আহে ] কথা এটা কওঁ শুনিবা

সুপ্ৰভা— কোৱা। [ দুয়ো দুখন চকীত বহে। বৰুৱাই হাত দুখন মূৰত থৈ কিবা চিন্তা কৰে। পাছত লাহেকৈ মূৰ দাঙে]

বৰুৱা-- তোমাক মই বিয়া কৰালো, তুমি মোৰ ধৰ্ম্ম পত্নী। এনে ক্ষেত্ৰত মোক সকলো বিষয়ত সহায় কৰাতো তোমাৰ কৰ্ত্তব্য।

সুপ্ৰভা— [ বৰুৱাৰ মুখলৈ চাই কিবা বুজিবৰ চেষ্টা কৰে ] মই কি কৰিব লাগে ?

বৰুৱা — মই দুখ পোৱা কিছুমান কাম নকৰিবা। তোমাক মই কিছু কথা নকম বুলিয়েই ভাবিছিলো। আজি কম। [ চকীখনত আউজি মূৰটো পাছলৈ হালি দি পাছত পোন হৈ বহি গহীনকৈ ] জানা, মই বৰ দুখত ডাঙৰ্ হোৱা। সদায় অন্যায়ৰ বিৰুদ্ধে ঠিয় দি আহিছো। কেতিয়াবা বিপদত পৰো, হতাশ নহওঁ। এটা সময়ত আমি ধনী আছিলো। তুমিতো জানাই। দেউতা আছিল ফৰেষ্ট ডিপাৰ্টমেন্টৰ ৰেঞ্জাৰ। তেওঁ কৰ্ত্তব্যৰ প্ৰতি বেলেগ সজাগ। কাকো সুবিধা দিয়া নাছিল। কেতিয়াও চোৰাং চিকাৰীৰ পৰা অসৎ সহায় নলৈছিল। আনকো বাধা দিছিল। তাৰ বাবে দেউতাই সহকৰ্মী, কেইজনমানক পুলিচত দিছিল। সিহঁতে পাছত প্ৰতিশোধ ললে। দেউতাক হত্যা কৰিলে। মই তেতিয়া সৰু। মা আৰু মই অকলশৰীয়া হলো। দেউতাৰ মৃত্যুত মায়ে কান্দি কান্দি কৈছিল।

[ নেপথ্যত— নাৰী কণ্ঠ ] সোণ তই ইয়াৰ প্ৰতিশোধ লবি। তোৰ দেউতাৰক হত্যা কৰাৰ প্ৰতিশোধ লবি লবিয়েই। তেতিয়াহে মই, তোৰ স্বৰ্গগামী দেউতা আনকি মোৰ মৃত্যুৰ পাছত মোৰ আত্মাইও শান্তি পাব। কিন্তু, সেই প্ৰতিশোধ কাৰোবাক হত্যা কৰি কাৰোবাৰ ওপৰত অন্যায় কৰি নহয়। সদায় অন্যায়ৰ বিৰুদ্ধে গৈ ন্যায় প্ৰতিষ্ঠা কৰিহে। দেউতাৰৰ নীতি অনুকৰণ কৰিবি। সেইয়ে হব তোৰ দেউতাৰৰ হত্যাকাৰীৰ ওপৰত লোৱা

বৰুৱা— তেতিয়াৰে পৰা মই মাৰ কথা মানি চলো। মাৰ মৃত্যু হোৱা আজি ১৫ বছৰ হল। কিন্তু আজিও সেই কথা মানি চলিছোঁ। মই কেনেদৰে মাক অৱমাননা কৰোঁ। অকল সেয়ে নহয়— মোৰ প্ৰতিটোপাল তেজ মোৰ শক্তি দেউতাৰ আদৰ্শৰে গঢ়া। মই কোন সতেৰে বিধবা মাকক, বিয়া দিব নোৱাৰি ঘৰতে বুঢ়ী হোৱা গাভৰু ভনীয়েকক আশ্বাস দি অহা দুৰ্ভগীয়া লৰাটোৰ পৰা টকা লওঁ। [ সুপ্ৰভা নিমাত ] পৃথিৱীত ডাঙৰ মানুহ বহুত আছে। কিন্তু ভাল মানুহৰ অভাৱ। অথচ সকলো ডাঙৰ মানুহ হব নোৱাৰে। কিছুমানেহে পাৰে। কিন্তু ভাল হবতো সকলোৱে পাৰে। কিন্তু নহয়।

সুপ্ৰভা— [ নিমাত ]

বৰুৱা— আজি যদি মোৰ চাকৰি নাথাকিলেহেতেন, মইও যদি ৰবী ৰাজুক, তোমাক নিচুকণি দি, তোমাৰ জোৰোণত দিয়া আঙঠিটো বন্ধকত দি চাকৰিৰ বাবে টকা দিলোহেতেন, তুমি সহ্য কৰিলাহেতেন? কেনেদৰে ৰবী ৰাজুক সান্তনা দিলোহেতেন? আৰু যদি মগনীয়া হলোহেতেন বেমাৰী অৱস্থাত তোমাক এৰি দুদিন লঘোণত থকা ৰবীক ৰাজুক মিথ্যা নিচুকণি দি ঘৰৰ পৰা ওলাই গলোহেতেন আৰু মোকো যদি তুমি কৰাৰ দৰে কোনোবাই ব্যৱহাৰ কৰিলেহেতেন, মইও যদি একো নাপাই উভতি আহোঁ। তুমি কেনেদৰে সহ্য কৰিবা? ৰবী ৰাজুক কি বুলি মুখলৈ চাই সান্তনা দিবা? [ সুপ্ৰভাই তল মূৰ কৰে ] সদায় কথাবোৰ নিজলৈ টানিব লাগে। তোমাৰতো মগনীয়াক সুধিব পৰা ক্ষমতা আছে। ৰবী ৰাজুক দুদিন লঘোণত থকা মাতৃ হৈ সহ্য কৰিব পাৰিবা। মাতৃ জাতি হৈ ফুল কুমলীয়া শিশুবোৰে এমুঠি ভাতৰ বাবে হাহাঁকাৰ কৰা সহ্য হব আৰু সেইয়া যদি ৰবী ৰাজু হয়?

সুপ্ৰভা— [ দুখেৰে ] তুমি এইবোৰ কি কৈছা?

বৰুৱা— ঠিকেই কৈছোঁ। দেউতাৰৰ লগত তুলনা কৰা বাবে জ্বাঙুৰ খাই উঠিলা, মই লেণ্ডেৰাই লেণ্ডেৰাই ভিক্ষা কৰিবলৈ যোৱা সহ্য কৰিবা?

সুপ্ৰভা— [ কান্দি ] আৰু নকবা।

বৰুৱা— তেতিয়া হলে মোৰ কথা মানিবা?

সুপ্ৰভা— কোৱা।

বৰুৱা— শুনা তুমি মোক অসৎ পথেৰে যোৱাৰ কথা নকবা। বৰঞ্চ নাযাবলৈ অনুপ্ৰেৰণা দিবা। ৰবী-ৰাজুক সৎ শিক্ষা দিবা।

সুপ্ৰভা — মোক তুমি ক্ষমা কৰা। সৰুৰ পৰা বেলেগ পৰিবেশত ডাঙৰ হোৱা, সেইবোৰ একো উপলব্ধি নাহে। কিন্তু এতিয়া মোৰ অনুভৱ হৈছে। মই তোমাক সদায় সহায় কৰিম। পৃথিৱী-





খন বহল দৃষ্টিৰে চাম। তোমাৰ আদৰ্শৰে ৰবী-ৰাজুক ডাঙৰ কৰিম। তুমি মাত্ৰ সোঁৱৰাই দিবা। [ অলপ ৰৈ ] তুমি মোক ক্ষমা কৰিবা। [ ৰবী-ৰাজু দুৱাৰ মুখত থিয় হয় ]

বৰুৱা— [ হাঁহি ] নাই নাই তুমি ক্ষমা কৰাৰ কথা কিয় কৈছা? তুমি বুজি পালা যেতিয়া মোৰ হৈ গ'ল। তেতিয়া হলে তুমি মোৰ সহায় হবা।

সুপ্ৰভা— হয়।

বৰুৱা— ব'লা এতিয়া ভিতৰলৈ যাওঁ। এফালে যাম বুলিছিলো নহয় দেৰি হৈ যাব। [ দুয়ো হাঁহি হাঁহি ভিতৰলৈ সোমাই যায়। ৰাজুৱে দৌৰি আহি বিচনাৰ ওপৰত উঠে ৰবীয়েও দৌৰী আহে ]

ৰাজু— চৰাই বাঁহলৈ উৰিছে।

ৰবী— উৰিছে। [ দুয়ো খেলাৰ ভজি লয় ]



# প্ৰাৰ্থনা মোৰ ঃ শীতৰ শেষ লগ্নত

শ্ৰীমতী ক্ষীৰপ্ৰভা গগৈ লাহন
অসমীয়া বিভাগ

আমি আগুৱাইছোঁ কোনকালে নেজানো
কুৱলীৰ ভিৰ ঠেলি ঠেলি ০ ০ ০
সূৰ্য্যৰ আগমনলৈ কেইমিনিট বাকী
সোণপাহি,
ঊষাৰ বাগুৰী গোহৰে
তোমাৰ নিদ্ৰাক জগাই তোলক
আমাৰ আশা জুইৰ শিখাতকৈ ৰঙা
মোক এমুঠি আবিৰ দিয়া
তোমাৰ প্ৰেমৰ,
সোণপাহি, দুহাত জুৰি এমুঠি প্ৰত্যয়
দিয়া সোণপাহি
ঘুমতি নিয়াও শীতৰ কোলাত
দুখৰ এৰাতি
আহাঁ সোণপাহি
জপিয়াই মৰোঁ সেউজীয়া টঙালি বান্ধি
ঘোলা কৰি লুইতৰ পানী
উত্তনিৰ সোঁতে সোঁতে বৈ যাওক
একেই অনুভূতি
সোণপাহি,
তুমিয়ে জগাই তোলা মোক
অৰণ্যৰ পৰা
য'ত মই শুই আছিলোঁ
আকাশী লতাৰ উমলৈ ০ ০ ০
শুকান পাতৰ খৰখৰনিত
উজাই আহে নেদেখা দেশৰ ছাঁ
তোমাৰ চেতনাৰে
তোমাৰ প্ৰত্যয়েৰে
একত্ৰিত হওঁ
এটি কোমল পুৱাৰ ০ ০ ০
প্ৰাৰ্থনা মোৰ : শীতৰ শেষ লগ্নত । ● ●



## দিহিংপৰীয়া কবি
# ঁদেৱেশ্বৰ দিহিঙ্গীয়াবৰুৱা

জন্মঃ— ১৯১৯ চনৰ চ'তৰ পূৰ্ণিমা তিথি, বৃহস্পতিবাৰ
মৃত্যুঃ— ১৯৭৩ চনৰ ২ ফেব্ৰুৱাৰী, শুক্ৰবাৰ

● শ্ৰীদেৱেশ্বৰ চাংমাই
অসমীয়া বিভাগ

"বোপায়ে শিকিলে মোৰ ৰঙালীৰো বহুকথা
আজিও সহজে কয় বগুলাত পাছ
আকণ্ঠ ভাইয়ে যদি হিন্দীৰে হৃদয় গঢ়ে
আইৰ বুকুৰ জানো ৰব কিবা সাঁচ ?" —( অৱসাদ )

যি সময়ত ৰমন্যাসিক কবিতা 'ফুল আৰু পখিলাৰ চুমাত প্ৰেমৰ ৰজিতা বিচৰাত ব্যস্ত ; যি সময়ত কবিয়ে প্ৰেয়সীৰ মুখমণ্ডলত বিশ্বৰ শ্ৰেষ্ঠতম সৌন্দৰ্য্যৰ প্ৰতীক 'তিলোত্তমা'ক বিচাৰি পাইছিল, সুন্দৰৰ আৰাধনাকে জীৱনৰ শ্ৰেষ্ঠ ৰূপে লৈ কবিসকলে জীৱনৰ কেৱল ৰম- নীয়, কমনীয়, মাধুৰী মধুৰতাৰে পূৰ্ণ ছবিখনকে বিচাৰি ফুৰিছিল, সেই সময়তেই ৰঙালী আৰু হিন্দী ভাষাৰ সম্প্ৰসাৰণবাদী গ্ৰাসৰ পৰা অসমীয়া ভাষাক ৰক্ষা কৰিবৰ বাবে বুঢ়ীদিহিঙৰ পাৰৰ পৰা এইদৰে যি জন কবিয়ে চিঞৰি উঠিছিল তেৱেঁই আছিল— দেৱেশ্বৰ দিহিঙ্গীয়াবৰুৱা।

বৰুৱাৰ কবিতা পুথি তিনিখন— 'অৱসাদ' ( ১৯৪৭ ) 'জোৱাৰ', আৰু 'পৰাজয়' ( অপ্ৰকাশিত )। ১৯৪৫ চনত বৰুৱাদেৱে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ হৈ থকা অৱস্থাতে 'চকুলো' নামৰ তেখেতৰ প্ৰথম কবিতা পুথিখনিৰ প্ৰকাশৰ চেষ্টা চলায়। এই পুথিৰ পাণ্ডুলিপি এটাত তেতিয়াৰ যোৰহাটত থকা Deputy Inspector of Schools ৰ জনৈক হৰিপ্ৰসন্ন তামুলীফুকনৰ পাতনি পোৱা যায়। পাতনি হাতে লিখা অৱস্থাতে পোৱা লিখাৰ তাৰিখ ৫/৩/৪৫। কিবা অজ্ঞাত কাৰণত 'চকুলো'ৱে সিবাৰলৈ প্ৰকাশৰ মুখ নেদেখিলে। কবিৰ ভাষাত "ঘাত-প্ৰতিঘাতৰ বিৰহত 'চকুলো' ওলাই গালেদি পৰাত পলকতেই পৰাণত 'বিননি'ৰ ৰোল উঠি হতাশৰ 'হুমুনিয়া' কাষ চাপিল আৰু এনেতেই নিৰাশাত বহু ছবিয়ে আওকাণ কৰাত 'অৱসাদ'ৰ জন্ম।" ......সাহিত্য ক্ষেত্ৰলৈ ইয়েই তেওঁৰ প্ৰথম মাঙ্গলিক অৱদান। 'অৱসাদ'— 'চকুলো', 'বিননি' আৰু 'হুমুনিয়া'ৰ সংকলিত ৰূপ। ডেকা কবিৰ স্বপ্নভঙ্গৰ

বেদনা ইয়াত অতি সুন্দৰকৈ ফুটি উঠিছে। আশাভঙ্গ বেদনা সদায়েই গভীৰ। সেই আশা ব্যক্তিগত হওক কিম্বা সামূহিকেই হওক, সেই আশা পাৰ্থিৱ প্ৰেমৰেই হওক কিম্বা দেশ প্ৰেমৰেই হওক। তেনে বেদনা সহ্য কৰিব নোৱাৰিয়েই কবি দুৰ্বাই পাহৰণি নৈৰ দাঁতিত পঁজা সাজি নীৰৱে থাকিব বিচাৰিছিল। বিহগী কবিয়ে প্ৰিয় বিহঙ্গিনীৰ সৈতে উৰা মাৰিব বিচাৰিছিল। ব্যৰ্থ প্ৰেমৰ সাগৰত সাঁতুৰি নাদুৰি ফুৰা অন্যান্য দহজন ব্যৰ্থ প্ৰেমিকৰ দৰে আমাৰ কবিয়েও প্ৰেমৰ ব্যৰ্থতাত চকুলো টোকা যেন লাগে—

য'ত মই পাতিছিলো মউ চাক সাজিবলৈ
মই য'ত মণিছিলো ৰসে ৰস ঘৰা
তাতেই ডালটি ভাগি তাতেই শগুণ পৰি
চূণৰ ফুটুক দিলে তাতে এচৰবা।

*  *  *  *  *

নোৱাৰিলে জীৱনত পুৰ্তিত শৰফালি
নোৱাৰিলে কুঁৱলীত যাব বেচি দূৰ
শীতৰ শামুক ভাঙি নিয়ৰ নিজেই মচি
পৰিব সেমেকি হায় চেলেঙো যে ওৰ।

*  *  *  *  *

কাহানিবা কালে আহি কলিজাৰ কত কথা
মোহেৰেই মচি নিলে নৰৱ একোৱো
কামৰতে কামে কামে আপোন সকলো ৰৰ
নেপাব প্ৰাণৰ মোৰ গম কোনোৱেতো।

'চকুলো' আৰু 'বিননি'ত ডেকা কবিৰ স্বপ্নবিলাসী মনৰ পৰিচয় যিদৰে পোৱা যায় পৰৱৰ্তী 'হমদুনিয়া'ত তাৰ ছিটিকণি লক্ষ্য কৰিবলগীয়াকৈ অনুপস্থিত। আশাবাদী কবিয়ে জীৱনক সুন্দৰ ৰূপত সজাই তোলাৰ সপোন দেখে, দেশ আৰু জাতিক আগুৱাই নিয়াৰ হাবিয়াস কৰে।

অসমীয়া জাতিৰ স্বকীয় পৰিচয় বিলুপ্তিৰ পথত বুলি আজি কেইবছৰমানৰ পৰা মঞ্চই মঞ্চই যি দাবী-প্ৰতিদাবী ধ্বনি মুখৰিত হৈছে, ভাবিলে আচৰিত লাগে সুদূৰ ১৯৪৭ চনতেই কবিয়ে এই দাবী অসমীয়া জাতিৰ বিবেকবান মঞ্চলৈ আগবঢ়াই দিছিল—

শুবৰ সময় নাই ভাৰতৰ ভাগৰত
নহলে নিজৰ ভাত কাউৰীয়ে খাব,



বৰঘৰ উৰুখিল বেৰেতাও খহি ৰ'ল
নহলে বেৰৰ ফুল বিদেশীয়ে চাব।

কবিয়ে স্পষ্ট ভাষাত কৈছিল— দিল্লী বহু দূৰৈত। দিল্লীলৈ মুখ মেলি চাই থাকিলে অসম আৰু অসমীয়াৰ উন্নতি কোনোদিন নহয়। বৰঞ্চ বৰ অসমৰ বৰবান্ধ কটুকটীয়া কৰাৰ সময় এতিয়া। উল্লেখযোগ্য, অসমৰ অঙ্গচ্ছেদ তেতিয়াও হোৱা নাছিল। কিন্তু সময়ে কবিৰ শঙ্কা আৰু ভয়ক সত্য বুলি প্ৰমাণ কৰিলে। দিল্লীমুখী অসমীয়া মানুহে বৰ পলমকৈ বুজি উঠিল— দিল্লী অসমৰ বহু পৰা দূৰৈত।

ভাৰতৰ ভাতলৈ নেলাগে ভাবিব তুমি
বগাই পাহাৰ গৈ চোৱা নগা চাও
নহলে অসম হেৰা ভাৰতৰ ভোৰোকাত
চেনেহ থমকি যাব হব আজি হাও।

বদৰত কোঁঠ মাৰা বৰনৈত জুম পাতা
সঙ্গীনৰ সঙ লই কামান চলোৱা
তোমাৰ অসম দেশ সোণৰ সুজলা হেৰা
অসমীয়া তুমি সদা পাকৈত ৰণুৱা।

*  *  *  *

চুকাফাৰ নাতি তুমি চাই আছা কিনো জুমি
শিৱদ'ল সৌমাৰৰ খহিলে আগত
তোমাৰ আশাৰ সোণ ধুই নিলে কোনোবাই
ৰাখা কিয় হেঙদাও হাতৰ কাষত।
তুমিয়েই অসম গঢ়ি অসমীয়া নাম দিলা
অতবোৰ অসমত তোমাৰেই দান
অৱসান অৱসাদ তোমাৰ একোকে নাই
তোমাৰেই দেখোঁ আজি শত অপমান।

কিন্তু কবিৰ এই সাৱধানবাণী ন-কৈ স্বাধীন পোৱা অসমীয়া জাতিয়ে শুনাৰ প্ৰয়োজনীয়তা উপলব্ধি নকৰিলে। দিহিঙৰ থিয় ওখ গড়াত উঠি চিঞৰা এই চিঞৰে নগা পাহাৰ, খাচিয়া পাহাৰ, লুচাই পাহাৰ, অৰুণাচলৰ গাত খুন্দা খাই প্ৰতিধ্বনি তুলি ঘূৰি আহি

দ্বিহিঙৰ খলকনিৰ সৈতে পুনৰ মাৰ গল। লাহে লাহে কবিৰ সাৱধান বাণী বাস্তৱলৈ ৰূপান্তৰিত হল। অসম শুচি সাতভনী হল। আনহাতে দ্বিখণ্ডিত স্বাধীন ভাৰতৰ ছবিখনে কবিক যেন অকণো সন্তুষ্ট কৰিব পৰা নাছিল। 'বৃহত্তম বাঙলাৰ' সৰ্বনাশী দৈত্যটোৱে অসম আৰু অসমীয়াক শান্তিৰে থাকিবলৈ নিদিব বুলি কবিয়ে সকিয়াই দিছিল এইদৰে—

অঙ্গছেদ অসমৰ            'বৃহত্তম বাঙলাৰ
পৰিণাম পালে আজি পাপৰেই বাবে
হিন্দুস্থান পাকিস্থান            ভাৰতৰ কাল হ'ল
ভাৰত কৰিব শেষ এই পাপুপাতে।
অধিক নাই।

স্বাধীনতাৰ ঠিক পিছতে ৰচনা কৰা এই ফাঁকি কবিতাই এহাতেদি কবিৰ অসন্তুষ্টি যি দৰে প্ৰকাশ কৰিছে অন্যহাতেদি 'বৃহত্তম বাঙলা'ৰ সপোনে অসম আৰু অসমীয়াক সততে অশান্তি দি থাকিব তাৰে ইঙ্গিত বহন কৰিছে। কবিৰ আশঙ্কা পৰবৰ্তী কালত আখৰে আখৰে ফলিয়ালে। কুৰি শতিকাৰ ইতিহাস ইয়াৰ সাক্ষী।

ভাষা আৰু সাহিত্য এটা জাতিৰ জীৱনীস্বৰূপ। এই ভাষা আৰু সাহিত্যত যদি অৱক্ষয় আহে— কিম্বা কিবা স্বৰূপত ইয়াৰ প্ৰগতিত বাধাৰ সৃষ্টি হয়, সেই ভাষা স্থবিৰ হৈ পৰে; সেই জাতিৰ সামগ্ৰীক গতিও স্থবিৰ হবলৈ বাধ্য। আজি ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় ভাষা হিন্দীৰ গৰাহত পৰি নিজৰ ভৱিষ্যত ভাবি আঞ্চলিক ভাষাসমূহ শংকিত আৰু চিন্তিত। কেইবছৰমানৰ পৰা হিন্দী ভাষাৰ সম্প্ৰসাৰণবাদী মনোভাৱৰ বিপৰীতে অসমীয়া ভাষাই বিষোদ্গাৰ কৰা পৰিলক্ষিত হৈছে। কিন্তু আমাৰ কবিয়ে তেতিয়াই ভাষা সাহিত্যৰ আহিব ধৰা এনে বিপদৰ উমান আমাক দিছিল। দায়বদ্ধ কবিসকলে সামাজিক দায়বদ্ধতা পালন কৰে এইদৰে—

লাজৰো লাজৰ কথা            শুনিলে শিয়ঁৰে বুকু
আজিও ভনীটি মোৰ আঁকৰী আজলী
নেজানে মাতিব মাত            আইৰ মাতকো লই
এনেতে পঢ়িব লাগে হিন্দী এপাতনি।

কবি বৰুৱাদেৱ আছিল সাম্যবাদী দৰ্শনৰ ছাত্ৰ। ব্যক্তিগতভাৱে বিষ্ণুৰাভাৰ সংস্পৰ্শলৈ অহা কবিয়ে হোজা খেতিয়ক শ্ৰমিক বনুৱাৰ কপালৰ ঘামৰ মৰ্যাদা বুজি পাইছিল। "ইয়ে আজাদী ঝুঠা হ্যায়"—বুলি যি সকলে অৰ্থনৈতিক স্বাধীনতাৰ হকে বিপ্লৱ আৰম্ভ কৰিছিল কবি বৰুৱাও সেই দলৰ অন্যতম অংশীদাৰ আছিল যেন অনুমান হয়। বনুৱাৰ দেশ, বনুৱাৰ দেশ অসমক কবিয়ে আহ্বান কৰিছে এইদৰে—



লুইতৰো ৰণ জিকে            হুঙালেও বেচ বুজে
অসম 'অসম' সঁচা দেশ বনুৱাৰ
বনুৱাৰ ৰণুৱাৰ            'দেশ' বুলি জগতত
উঠিছে জোৱাৰ দিনে ক্ৰচ জামানীত,
তুমিনো থাকিবা কিয়            আমোলৰে আলাসত
আদৰা কিয়নো কাঁহ কাণী শুকানীৰ। (জোৱাৰ)

প্ৰকাশিত অপ্ৰকাশিত কবিতা ৰাজি পঢ়ি উঠি ভাৱ হয় কবিয়ে পাৰ্থিব প্ৰেমত পৰি যিদৰে হাবুডুবু খাইছিল (পৰাজয়) একে সময়তে দেশ আৰু জাতিৰ চিন্তাই কবিক চিন্তিত কৰি তুলিছিল। সম্প্ৰীতি যি কোনো এখন সমাজৰে প্ৰগতিৰ সোপান। সেই সম্প্ৰীতিত কোনে-বাকৈ এবাৰ ঘুণে ধৰিলে তাক নিৰাময় কৰাটো দুৰূহ হৈ পৰে। শঙ্কৰ-মাধৱ আজান ফকিৰৰ দেশ অসমত সম্প্ৰীতিৰ এটা ঐতিহ্যস্বৰূপ। কিন্তু আমাৰ কবিয়ে দুখেৰে লক্ষ্য কৰিছে কিছুমান নিচেই নগণ্য কথাক লৈ গাওঁবোৰত অশান্তিৰ সূত্ৰপাত হৈছে। ইবিলাক যদি এইদৰেই এৰি দিয়া হয় তেন্তে অসমীয়া সমাজ ভাঙি ঠানবান হব। কবিয়ে কৈছে—

খোৱা নোখোৱাৰ কথা            খালেই জীৱন যোৱা
খুলিহই খাবলৈকো খিয়লা খিয়লি
সাগৰৰ ফুটুকায়ো            সাগৰকে কৰ খোজে
মইয়েই মাৰাৰ পাপ মৰেই নিয়তি।
আপোনৰে অবিশ্বাস            আপোনৰে ভিন পৰ
আপোনক আপোনেই ঘিণে চাৰনিৰে
ওপৰেদি ঢাক ঢোল            তলেদি নিগনি বিলা
বিষৰ বিচনি পাতি বিচে বাঁচনীৰে॥

সচাঁকথা, খুলিহে খাবলৈ যদি অসমীয়া মানুহে খিয়লা-খিয়লি নকৰিলেহেঁতেন, আপোন-জনক অবিশ্বাস কৰি আপোনজনকে বিষৰ বিচনিৰে বিচিবলৈ নলালেহেঁতেন, আজিৰ অসমীয়া জাতিৰ বৰ্তমানৰ এই অৱস্থা নহ'লহেঁতেন। হয়তোবা অগ্নিকবিয়েও অসমীয়া জাতিৰ 'চুলেই চাল খোৱা'— অৱস্থা দেখিয়েই চিঞৰি উঠিছিল—

জাতীয় বিদ্বেষ ৰাক্ষসী তকত
দিওঁ ইন্দ্ৰত্বক কিহেৰে তুলনা?
নাই মিল কাৰো দুৰ্মতি সন্তান
চৌধ্ৰচিত্ত, পণ্ড্ৰচিত্ত খেলেগ জাত

ইহেন জাতিক হায় কোন দিনে
দিব একতাই সাদৰ মাত। ( চিন্তানল )

দূৰদৃষ্টিসম্পন্ন এই কবিসকল সদায়েই অকলশৰীয়া। সচাঁ কথা কোৱাৰ দোষত দোষী। আমাৰ কবিসকলে যি সময়ত সমাজ জীৱনৰ বিনষ্টকাৰী শক্তিসমূহ পৰিচয় কৰাই দিছিল সেই সময়তে ইয়াক নিৰাময় কৰাৰ ব্যৱস্থা কৰা হলে—হয়তো মণিপুৰৰ 'উলূপী', নগাৰ 'লাইডন' আমাৰ পৰা আঁতৰি নগলহেঁতেন। গাঁৱৰ চুকে কোণে থোৱা নোখোৱাক লৈ নামঘৰ সমূহ থিয় হৈ সমাজৰ মিলনৰ বাধাৰ স্বৰূপ প্ৰাচীৰ ৰূপে থিয় দিবলৈ নাপালে-হেঁতেন। অসমৰ সকলো জনগোষ্ঠীয়ে আজিৰ দৰে আত্ম পৰিচয় বিচাৰি শ শ বছৰ পিছুৱাই যাব নিবিচাৰিলেহেঁতেন। কিন্তু কবিৰ আক্ষেপ আক্ষেপ হৈয়ে ৰ'ল। মনে বোৱা পুলিচিত ঘুস্কৃতিকাৰী শগুণ পৰি ভালটি ভাঙি থৈ গ'ল। কবিৰ পৰাজয়ৰ আক্ষেপো ইয়াতেই।



# গীত

শ্ৰীচক্ৰধৰ নেওগ—উপাধ্যক্ষ

ৰূপালী নদীৰ সোণালী সাকোঁ
পাৰ হৈ যায় কোন ?
ইফালে নেচাবা সিফালে নেচাবা
গতি কৰি থাকা সোণ

মনে নাচে মোৰ মনে কান্দে মোৰ
বিচাৰি হৃদি জোন
বনিজ বেহাই সাউদ উভটিব
তেজিমলানে কোন

ইকৰা পাতেৰে সাজিলো বঠা
ইকৰা পাতৰে নাও
মাজ সাগৰত নাও টলং ভটং
কৰো কি নকৰো বাও

ৰূপালী নদীয়ে গতি সলায়
সোণালী সাকোঁ ক'তে পৰি ৰয়
দূৰ অতীতৰ কোনোবা দিনৰ
সুৰ এটি মাথো ৰয়।

সম্পাদনা সমিতিৰ বিষয়ববীয়াসকল —



ঠিয় হৈ ( বাওঁফালৰ পৰা )—সৰ্ব্বশ্ৰীমধুস্মিতা দিহিঙীয়া বৰুৱা, ৰেখা কোঁৱৰ, জ্যোতি দত্ত।

বহি ( বাওঁফালৰ পৰা )— অধ্যাপক দেবেশ্বৰ চাংমাই

অধ্যাপিকা ভদ্ৰাৱতী গগৈ

অধ্যাপক সুধীৰ কুমাৰ দাস


# আমাৰ মহাবিদ্যালয় যাৰ প্ৰতিভাৰে সমুজ্জ্বল—




শ্ৰীমামণি দত্ত
১৯৮৭-৮৮ চনৰ শ্ৰেষ্ঠা মহিলা খেলুৱৈ।



শ্ৰীপূৰ্ণিমা দত্ত
শ্ৰেষ্ঠা গায়িকা (১৯৮৭-৮৮)



শ্ৰীইন্দ্ৰজিত ভৰালী
১৯৮৭-৮৮ চনৰ শ্ৰেষ্ঠ খেলুৱৈ।



শ্ৰীমুকুট গাগৈ
১৯৮৭-৮৮ চনৰ শ্ৰেষ্ঠ ভলীবল খেলুৱৈ

## ভাৰপ্ৰাপ্ত সাধাৰন সম্পাদকৰ বছেৰেকীয়া প্ৰতিবেদন

জয় জয়তে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ মোৰ পৰম শ্ৰদ্ধাভাজন শিক্ষাগুৰুবৃন্দলৈ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধবীলৈ এই চেগতে মোৰ শ্ৰদ্ধা তথা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। লগতে আলোচনীখন প্ৰকাশ কৰি উলিওৱাত দিনে ৰাতিয়ে কষ্ট স্বীকাৰ কৰা আলোচনী সম্পাদিকা বন্ধু শ্ৰীমতী মধুস্মিতা দিহিংগীয়া বৰুৱালৈও মোৰ হিয়াভৰা ওলগ যাচিলো

ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিচাবে বছেৰেকীয়া প্ৰতিবেদনখনি লিখিবলৈ আৰম্ভ কৰোঁতেই মই থমকি ৰব লগা হৈছে। কিয়নো গত বছৰটোৰ কাৰ্য্যকাল মোৰ বাবে আছিল তেনেই চমু। বছৰটোৰ (কাৰ্য্যকালৰ) আধাখিনি সময় অতিবাহিত হোৱাৰ পাছতহে মই সাধাৰণ সম্পাদকৰ দায়িত্ব বহন কৰিব লগা হৈছিল (তাৰ আগলৈকে সহকাৰী সম্পাদকৰ হিচাবেহে আছিলো) আমাৰ নিৰ্ব্বাচিত সাধাৰণ সম্পাদক বন্ধুবৰ শ্ৰীঘন গোহাঁইদেৱে চৰকাৰী চাকৰিৰ খাতিৰত মহাবিদ্যালয়ৰ পৰা আঁতৰি যাব লগা হয়। তাৰ পাছৰ গত ১৯৮৮ চনৰ মে মাহৰ পৰা সাধাৰণ সম্পাদকৰ দায়িত্ব মোৰ ওপৰত আহি পৰে।

মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ (ছাত্ৰ একতা সভা) দায়িত্ব গ্ৰহণ কৰি মহাবিদ্যালয়খনি উন্নতিৰ বাটত কিমান দূৰ সফল হলো সেইটো নাজানো। সেই বিষয়ে সকলোৱে বিচাৰ কৰি চাব। কিন্তু মহাবিদ্যালয়ৰ সামূহিক উন্নতিৰ কল্পে কতৃপক্ষৰ ওচৰত দাবী জনাই আহিছো।

আমাৰ মহাবিদ্যালয়খনিয়ে ২৩ বছৰ অতিক্ৰম কৰি গল। এই ত্ৰয়োবিংশতিতম বছৰলৈকে মহাবিদ্যালয়খনিয়ে উন্নতিৰ জখলাৰে ধীৰ গতিৰেই আগবাঢ়িব লগা হৈছে। বহুতো সমস্যাই তথা অভাৱৰ মাজতেই বছৰবিলাক অতিক্ৰম কৰিছে। সেয়েহে এই সমস্যা তথা অভাৱবিলাক দূৰীকৰণৰ কাৰণে মহাবিদ্যালয়ৰ কতৃপক্ষ আৰু ৰাজ্য চৰকাৰলৈ মোৰ প্ৰতিবেদনৰ জৰিয়তে দৃষ্টিগোচৰ কৰিলো। মহাবিদ্যালয়ৰ বহুতো অভাৱৰ ভিতৰত তলত উল্লেখ কৰা অত্যাৱশ্যকীয় অভাৱসমূহ তৎকালীন ভাৱে পূৰণ কৰিবৰ বাবে টানি অনুৰোধ জনালো।

- বৰ্ত্তমানলৈকে দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীৰ থকা মেলাৰ সুবিধাৰ বাবে ছাত্ৰ তথা ছাত্ৰী নিবাস হৈ উঠা নাই। ছাত্ৰ-ছাত্ৰী সকলৰ এই অভাৱ দূৰ কৰক।
- মহাবিদ্যালয়ৰ ওলোৱা সোমোৱা পথটো অত্যন্ত দুখলগা সেয়েহে পথটো পৰিকল্পিতভাৱে নিৰ্ম্মাণ কৰক।
- মহাবিদ্যালয়ৰ পুথি ভঁৰালৰ যি পুথিৰ অভাৱ হৈ আছে তাক দূৰ কৰি পুথিৰ সংখ্যা বৃদ্ধি কৰক।
- ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণি চ'ৰাৰ ঘৰ দুটা পকীকৰণৰ ব্যৱস্থা কৰক।
- মহাবিদ্যালয়ৰ শিক্ষকসকলৰ থকাৰ সুবিধাৰ বাবে অবাস গৃহ নিৰ্ম্মাণ কৰক।
- মহাবিদ্যালয়ৰ চৌহদৰ সুৰক্ষা ব্যৱস্থা কৰক।

⊛ মহাবিদ্যালয়ত বিজ্ঞান শাখা খুলিবৰ বাবে তৎকালীন ব্যৱস্থা কৰক।

⊛ মহাবিদ্যালয়ৰ সন্মান বিষয়ৰ ( Major ) শ্ৰেণী কোঠা বৃদ্ধি কৰক আৰু পাঠদানৰ উপযোগী কৰি তোলক।

⊛ শ্ৰেণী কোঠাবিলাকৰ মজিয়া ( Ground ) পকীকৰণ কৰক আৰু বৈদ্যুতিক পাংখাৰ ব্যৱস্থা কৰক।

তদুপৰি মোৰ কাৰ্য্যকালত গতানুগতিক যিবিলাক কৰণীয় কাম, যেনে—সৰস্বতী পূজা পতা, স্বাধীনতা দিবস, নবাগতা আদৰণি সভা আদি অনুষ্ঠানবিলাক সুচাৰুৰূপে পালন কৰা হয়।

এই চেগতে আৰু এটাৰ বিষয়ে উল্লেখ কৰাটো প্ৰয়োজন যে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-বিলাকৰ সাহিত্যৰ প্ৰতিভা বিকাশৰ কাৰণে এখনি 'প্ৰাচীৰ পত্ৰিকা' আলোচনী সম্পাদিকাৰ উদ্যম তথা চেষ্টাত প্ৰথমবাৰৰ বাবে মোৰ কাৰ্য্যকালতে উন্মোচন কৰা হয়। এই ফালৰ পৰাও আলোচনী সম্পাদিকালৈ মোৰ শলাগৰ শৰাই আগবঢ়াইছো।

**কৃতজ্ঞতা স্বীকাৰ** :— মোৰ চমু কাৰ্য্যকাল চোৱাত সাধাৰণ সম্পাদকৰ দৰে গধুৰ দায়িত্ব পৰিচালনা কৰোতে বিভিন্ন দিহা পৰামৰ্শৰে সহায় আগবঢ়োৱা শিক্ষাগুৰু উপাধ্যক্ষ শ্ৰীযুত ডম্বৰুধৰ নেওগ, অধ্যাপক ৰেব বড়া চাৰ, ছাত্ৰ একতা সভাৰ সভাপতি অধ্যাপক শ্ৰীযুত দেবেশ্বৰ চাংমাই চাৰ আৰু অধ্যাপিকা বাইদেউ সকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত প্ৰতিটো মূহুৰ্ত্ততে, প্ৰতিটো কামতে—যাৰ সহায় সহযোগ নোপোৱা হলে মোৰ কাৰ্য্য পৰিচালনাই সম্ভৱ হৈ নুঠিলহেঁতেন সেইসকল বন্ধু সৰ্ব্বশ্ৰী কবুল বৰা, মুকুট গগৈ, পূৰ্ণ ফুলকোঁৱৰ, ডেনিছ হাজৰিকা, শৈলেন দিহিংঙ্গীয়া, দেবব্ৰত গগৈ, ইন্দ্ৰজিৎ কোঁৱৰ, ৰঞ্জিত দত্ত, খুটুল দিহিংঙ্গীয়া, মনোৰঞ্জন গোহাঁই, দীপক শৰ্ম্মা, কৰুন বড়া, শৈলেন দত্ত, দেৱ দিহিঙ্গীয়া, কৃষ্ণবিকাশ চেতিয়া, দীপক গগৈ, নিৰোদ সন্দিকৈ, ভাইটি প্ৰমোদ গগৈ, শ্ৰীমতী মধুস্মিতা দিহিংগীয়া বৰুৱা, বীণা সন্দিকৈ, সন্ধ্যালি গগৈ, পঞ্চমী বড়া, বিটুমণি গগৈ, অঞ্জুমণি বড়া, হেম গোহাঁই, জ্যোতি দত্ত, ৰেখা কোঁৱৰ, শান্তনু হাজৰিকা, অঞ্জুমণি ফুলকোঁৱৰ,—এই সকলোটি-লৈকে মোৰ হিয়াভৰা শুভেচ্ছা ও ধন্যবাদ জনালো। লগতে ছাত্ৰ একতা সভাৰ মোৰ সতীৰ্থবৃন্দলৈ আন্তৰিক শুভেচ্ছা জনালো।

সদৌ শেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি আৰু নৱ নিৰ্ব্বাচিত ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকললৈ শুভেচ্ছা জনাই মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—

শ্ৰীশৈলেন ৰাজখনিকৰ
ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
ছাত্ৰ একতা সভা
১৪/১০/৮৮



## ॥ তৰ্ক সাহিত্য আৰু আলোচনী বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৮৭-৮৮ চনৰ বাবে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত বিজয়ী হৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়া সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীকে আন্তৰিক কৃতজ্ঞতা জনাইছো।

সম্পাদিকাৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়লৈ নতুনত্ব আনিবলৈ বিভিন্ন কাম কৰাৰ মানস কৰিছিলো কিন্তু চমু কাৰ্য্যকালৰ ভিতৰত যথেষ্ট বাধা বিঘিনিৰ সন্মুখীন হোৱাত সেয়া হৈ নুঠিল।

নিৰ্ব্বাচনৰ পিছত ২২/১২/৮৭ ৰ পৰা ২৬/১২/৮৭ তাৰিখলৈকে ত্ৰয়োবিংশতিতম মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মোৰ বিভাগৰ পৰা দুদিনীয়াকৈ সাহিত্য শাখাৰ প্ৰতিযোগিতাৰ লগতে তৰ্ক প্ৰতি-যোগিতাৰ আয়োজন কৰিছিলো। ইংৰাজী সাহিত্যত ভাল সহাৰি নাপালেও অসমীয়া সাহিত্যত যথেষ্ট পৰিমানে সহাৰি পাইছিলো। আমাৰ মহাবিদ্যালয়ৰ এইসকল প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত উজ্জ্বল হোৱাৰ কামনা কৰিছো।

এই সুযোগতে মোৰ দুয়োদিনৰ কাৰ্য্যসূচীৰ বিভিন্ন দিশত সহায় কৰা ছাত্ৰ একতা সভাৰ আটাইকেইটা বিভাগৰ বিভাগীয় উপদেষ্টা শিক্ষাগুৰু সকললৈ লগতে, অধ্যাপক শ্ৰীযুত আলোক গোহাঁই-চাৰ, অধ্যাপিকা দীপালী গগৈ বাইদেউ, অধ্যাপক এম. এ অব্ৰাহাম ( বৰ্ত্তমান ডিগবৈ মহিলা মহা-বিদ্যালয়ৰ প্ৰৱক্তা ) চাৰলৈ সশ্ৰদ্ধ কৃতজ্ঞতা জনাইছো।

শেষত মোৰ কাৰ্য্যকালছোৱাত কৰি অহা জ্ঞাত অজ্ঞাত ভুল ভ্ৰান্তিৰ কথা বিচাৰি আৰু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰিলো।

মধুস্মিতা দিহিঙীয়া বৰুৱা

## ॥ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

জয় জয়তে হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ১৯৮৭-৮৮ চনৰ ছাত্ৰ-ছাত্ৰী একতা সভাৰ খেল বিভাগৰ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত হোৱাৰ সুযোগ দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

'মই খেল বিভাগৰ সম্পাদকৰূপে কিমানখিনি সফলতা লাভ কৰিলো সেইয়া বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত অৰ্পণ কৰিলো। অৱশ্যে মহাবিদ্যালয়ৰ উন্নতি হকে মোৰ কাৰ্য্যকাল চোৱাত কিবা এটা কৰাৰ চেষ্টাৰ অৱহেলা কেতিয়াও কৰা নাছিলো। কাৰ্য্যকালছোৱাৰ ভিতৰত যদি ভুল হৈ গ'ল তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ এসপ্তাহমানৰ পাছতে ত্ৰয়োবিংশতিম মহাবিদ্যালয় সপ্তাহ ২২/১০/৮৭ ৰ পৰা ২৭/১০/৮৭ লৈ অনুষ্ঠিত হয়। মোৰ দায়িত্বত থকা ফুটবল আৰু ভলীবল খেল দুটা সুকলমে চলি

গ'ল । খেল দুটা অনুষ্ঠিত কৰাত যথেষ্টখিনি অসুবিধাৰ সন্মুখীন হৈছিলো যদিও মোৰ বিভাগীয় উপদেষ্টা মহোদয় শ্ৰীযুত ৰেবকান্ত বড়া চাৰ আৰু কেইজনমান বন্ধুৰ সহযোগত সকলোবোৰ বাধা বিঘিনি অতিক্ৰম কৰি খেল দুটা অনুষ্ঠিত কৰিবলৈ সক্ষম হ'লো. উক্ত খেল দুটাত যোগদান কৰা সকলোবোৰ ছাত্ৰক অভিনন্দন জ্ঞাপন কৰিলো । শ্ৰীমুকুট গগৈয়ে ভলীবলত শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে । তেখেতৰ লগতে অন্যান্য সকলোবোৰ বিজয়ী আৰু বিজিত প্ৰতিযোগীৰ পৰা সুদূৰ ভৱিষ্যতত উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শনৰ আশা ৰাখিলো আৰু সকলোটিলৈ শুভেচ্ছা জনালো ।

এইখিনিতে মহাবিদ্যালয়ৰ খেলপথাৰখনৰ প্ৰতিছবি দাঙি ধৰিব বিচাৰিছো । মহাবিদ্যালয়ৰ চৌহদৰ অন্য যিখন স্থায়ী খেলপথাৰ আছে সেইখন খেলপথাৰ তুই গুৰিৰে ভৰপূৰ । এই তুই গুৰি-বোৰ নিৰ্মূল কৰি তাত মাটি ভৰাই খেলপথাৰখন খেলৰ উপযোগী কৰিব বুলি আশা ৰাখিলো । এই-দৰে আমাৰ মহাবিদ্যালয়ৰ ফুটবল আৰু ভলীবল খেলুৱৈসকলে অনুশীলন কৰিবলৈ অসুবিধাৰ সন্মুখীন হব লগাত পৰে । এই দুটা খেল খেলিবৰ বাবে খেলুৱৈসকলক সকলো সুবিধা দি মহাবিদ্যালয়ৰ সুনাম অৰ্জন কৰিব বুলি মই আশা ৰাখিলো ।

ছাত্ৰসকলৰ প্ৰতি এটি অনুৰোধ থাকিল । আমাৰ মহাবিদ্যালয়ৰ সকলো বস্তুৰে আমাৰ নিজা বস্তুৰ দৰে ব্যৱহাৰ কৰিব লাগে আৰু সকলোখিনি নিয়মানুৱৰ্ত্তিতা মানি চলিব লাগে । সেইখিনি মানি চলি-লেহে আমাৰ লক্ষ্যত উপনীত হব পাৰিম ।

মোৰ কাৰ্য্যকালত বিভাগীয় উপদেষ্টা মহোদয় শ্ৰীযুত ৰেবকান্ত বড়া চাৰে যি সহায় আগ-বঢ়ালে তাৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰলো । লগতে মোক সকলো সময়তে সহায় সহযোগ আগবঢ়োৱা শ্ৰীইন্দ্ৰজিত কোঁৱৰ, শ্ৰীমুকুট গগৈ, শ্ৰীদীপক গগৈলৈ শলাগৰ শৰাই আগবঢ়ালো ।

সদো শেষত হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়খনিৰ সকলো দিশত উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো ।

জয়তু হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়
ছাত্ৰ শক্তি এক হওঁক
ছাত্ৰ শক্তি যুগমীয়া হওঁক ।

ধন্যবাদেৰে—

শ্ৰীদেৱব্ৰত গগৈ

## ॥ সমাজ সেৱা সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে নিতাই পুখুৰী হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৮৭-৮৮ চনৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্ব্বাচিত কৰি আপোনা-লোকলৈ সাধাৰণ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াত সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো ।



সমাজ সেৱা বিভাগৰ এই গুৰু দায়িত্ব বহন কৰি কিছু অসুবিধা অনুভৱ কৰিছিলো যদিও বন্ধু-বান্ধৱী সহযোগত, সহজে অতিক্ৰম কৰিছিলো কাৰ্য্যক্ষেত্ৰত । এই কালছোৱাত কিমানখিনি সফলতা অৰ্জন কৰিছিলো সেয়া আপোনালোকৰ বিচাৰ্য্য ।

কাৰ্য্যভাৰ গ্ৰহণৰ কিছুদিনৰ পাছতে 'মহাবিদ্যালয় সপ্তাহ' ১৯৮৭ চনৰ ২১ ডিচেম্বৰৰ পৰা আৰম্ভ হৈছিল । মহাবিদ্যালয়ৰ সপ্তাহৰ বিভাগীয় কাৰ্য্যসমূহৰ ভিতৰত তোৰণ তৈয়াৰ কৰা আদি কৰি খেল বিভাগীয় সম্পাদকক খেল পথাৰত সহায় কৰা, সঙ্গীত বিভাগৰ কাৰণে মঞ্চ তৈয়াৰ কৰা আৰু সপ্তাহ সামৰণি পৰালৈকে মোৰ সেৱা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীসকলৰ সহযোগত হৈ উঠিছিল । তাৰ ওপ-ৰিও মহাবিদ্যালয়ত বছৰত আয়োজন কৰা বিভিন্ন উৎসৱত তোৰণ নিৰ্ম্মাণ কৰিব লগা হয় ।

প্ৰতিষ্ঠা হোৱা ২৩ বছৰ অতিক্ৰম কৰি আজিও একে অৱস্থাত থকা মহাবিদ্যালয়ত অভাৱ সমূহে গা-কৰি উঠিছে আৰু এই অভাৱ সমূহ পূৰণাৰ্থে প্ৰতি বছৰে ছাত্ৰ একতা সভাই মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাই আহিছে যদিও অভাৱ সমূহ পূৰণ কৰিব পৰা নাই । নিতাইপুখুৰী অঞ্চলত একমাত্ৰ উচ্চ শিক্ষাৰ জ্ঞান মানদণ্ড এই মহাবিদ্যালয়ৰ উন্নতিৰে আমাৰ অঞ্চলটো উন্নতি, সেই-কাৰণে মহাবিদ্যালয়খনি উন্নতি হকে কৰ্তৃপক্ষক অনুৰোধ জনাও—যে মহাবিদ্যালয়ৰ চৌহদটো পকী বেৰ ব্যৱস্থা কৰি গছ-গছনি ৰোপন আৰু সৌন্দৰ্য্য বৃদ্ধি বাবে ফুলনি বাগিছা ব্যৱস্থা কৰিব লাগে, মহা-বিদ্যালয়ত এখন স্থায়ী তোৰণ নিৰ্মাণ কৰিব লাগে আৰু মহাবিদ্যালয়ৰ পৰা প্ৰধান আলিলৈকে এই পথছোৱাত এটা আলি নিৰ্মাণ কৰি বাৰিষা বতৰত বোকা পানী গচকি অহা ছাত্ৰ-ছাত্ৰী সকলক অহাত সুবিধা কৰি দিব লাগে ।

আমাৰ কাৰ্য্যকাল ছোৱাত মোক সকলো প্ৰকাৰে দিহা-পৰামৰ্শ আগবঢ়াই কৰ্ম সম্পাদনাত সহায় আগবঢ়োৱা মাননীয় শিক্ষাগুৰু শ্ৰীযুত অপূৰ্ব বৰগোহাঁই (বিভাগীয় অধ্যাপক), শ্ৰীযুত ৰেব বড়া আৰু শ্ৰীযুত লোহিত শইকীয়া চাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো । লগতে বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক হিচাপে বিবেচিত শ্ৰীমুকুট গগৈ, শ্ৰীইন্দ্ৰেশ্বৰ বৰগোহাঁই আৰু মোক সকলো প্ৰকাৰে সহায় আগবঢ়োৱা বন্ধু-বান্ধৱী সকলোলৈকে আন্তৰিক মৰম ও ধন্যবাদ আগবঢ়ালো । কাৰ্য্যকালৰ সময়ছোৱাত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ ।

শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীণ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলো ।

শ্ৰীমনোৰঞ্জন বুঢ়াগোহাঁই

## ॥ ছাত্ৰ জিৰণি চ'ৰাৰ সম্পাদকৰ প্ৰতিবেদন ॥

হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়ৰ ১৯৮৭-৮৮ চনৰ ছাত্ৰ একতা সভাৰ ছাত্ৰ জিৰণি চ'ৰা বিভাগত সম্পাদক হিচাবে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হবলৈ সুযোগ দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জনালো ।

মই জিৰণি চ'ৰা সম্পাদক হিচাবে মই কিমানদূৰ সফল হৈছিলো সেয়া বিচাৰ্য্যৰ ভাৰ আপো-লোকক অৰ্পণ কৰিলো । অৱশ্যে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাছিলো ।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ 'কলেজ সপ্তাহ' আৰম্ভ হয়। মোৰ বিভাগত থকা খেল ক্ৰমে কেৰম, ডবা, বেডমিন্টন, আৰু টেবুল টেনিছ সুকলমে অনুষ্ঠিত হৈ যায়। খেলৰত্ন অৱস্থাত যথেষ্ট বাধাৰ সন্মুখীন হৈছিলো যদিও বিভাগীয় উপদেষ্টা শ্ৰীযুত মাধৱ মহন্ত চাৰে সহায় আৰু পৰামৰ্শৰে আগবাঢ়ি যাবলৈ প্ৰেৰণা দিয়াত তেখেতৰ ওচৰত কৃতজ্ঞতা জনাইছো। লগতে বিভিন্ন দিশত যি-সহায় পৰামৰ্শৰে উৎসাহ দিয়া শ্ৰীসঞ্জীৱ গোঁহাই চাৰ আৰু শ্ৰীসুধীৰ দাস চাৰলৈও কৃতজ্ঞতা জনালো। শ্ৰীমুকুট গগৈ সকল বন্ধু-বান্ধৱীয়ে মোক সহায় সহযোগ আগবঢ়ালে তেওঁলোকলৈও ধন্যবাদ জনালো। সৰ্বশ্ৰেষ্ঠ খেলুৱৈ হিচাবে পৰিগণিত হয়। তেখেতৰ লগতে সমূহ বিজয়ী প্ৰতিযোগীলৈ মোৰ শুভেচ্ছা যাচিলো।

এইখিনিতে আপোনালোকৰ আগত অৱগত কৰিব বিচাৰিছো ছাত্ৰ জিৰণি কোঠাৰ প্ৰতিচ্ছবি খন। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ চাই জিৰণি কোঠাটো যথেষ্ট সৰু। ফলস্বৰূপে জিৰণি কোঠাত ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছা অনুসৰি ৰহা-মেলা, খেলাধূলা কৰিব নোৱাৰে। তদুপৰি কোঠাটোৰ মজিয়া-খন বেয়া। খেলৰ সামগ্ৰী হিচাবে যিকেইবিধ বস্তু মহাবিদ্যালয়ত আছে ছাত্ৰ-ছাত্ৰীৰ সংখ্যালৈ চাই নিচেই সামান্য। গতিকে কলেজ কৰ্তৃপক্ষলৈ উক্ত অভাৱ সমূহ দূৰ কৰিবলৈ টানি অনুৰোধ জনালো। ছাত্ৰ-ছাত্ৰী-সকললৈও মোৰ বিনম্ৰ অনুৰোধ—ছাত্ৰ জিৰণি কোঠাৰ ভিতৰৰ যিখিনি নিয়ম তাৰ যেন ব্যতিক্ৰম নহয় তাৰ প্ৰতিও যেন প্ৰতিগৰাকী সচেতন ছাত্ৰ-ছাত্ৰীয়ে চকু দিয়ে।

এইখিনিতে সহায় সহযোগ আগবঢ়োৱা সৰ্বশ্ৰীমুকুট গগৈ, ইন্দ্ৰেশ্বৰ বৰগোহাঁই, পুতুল গগৈ, হৰেন গগৈলৈ শলাগৰ শৰাই আগবঢ়ালো।

শেষত মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি নৱনিৰ্ব্বাচিত সম্পাদক সম্পাদিকালৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰি মোৰ প্ৰতিবেদন সামৰিলো। ইতি

শ্ৰীগোপাল চন্দ্ৰ শৰ্ম্মা

## ॥ ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতেই সমূহ ছাত্ৰ-ছাত্ৰীকে মই ধন্যবাদ জনাইছো, মোক বিনাপ্ৰতিদ্বন্দ্বিতাৰে ছাত্ৰী জিৰণি চ'ৰাৰ সম্পাদিকা ৰূপে নিৰ্বাচিত হোৱাৰ সুবিধাকণ দিয়াৰ বাবে।

১৯৮৬-৮৭ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ত মোৰ দায়িত্বত থকা খেলসমূহ আছিল বেডমিন্টন, টেবুল টেনিছ, কেৰম, আৰু ডবা। অধিকাংশ ছাত্ৰ ছাত্ৰীয়ে এই খেলসমূহত যোগদান কৰিছিল আগ্ৰহেৰে। সেই সমূহ ছাত্ৰীলৈ মোৰ হৃদয় কুঁহকৰ শুভেচ্ছা থাকিল। ছাত্ৰী জিৰণি চ'ৰাৰ খেলসমূহৰ শ্ৰেষ্ঠা খেলুৱৈৰ সন্মান লাভ কৰিছিল শ্ৰীমামণি দত্তই। আন আন বিজয়ী প্ৰতিযোগীসকলৰ নাম তলত উল্লেখ কৰা হৈছে।

মহাবিদ্যালয় স্থাপন হোৱা আজি ২৩ বছৰ হ'ল যদিও জিৰণি চ'ৰাৰ অৱস্থা তথৈবচ বুলি ক'লে বেয়া নুগুনি। জিৰণিৰ সমস্ত ছাত্ৰীসকলৰ মানসিক আনন্দৰ বাবে উপযুক্ত পৰিৱেশ



ছাত্ৰী জিৰণি চ'ৰাত নাই। তাৰোপৰি খেলৰ সকলো সামগ্ৰী যথাসময়ত পোৱা নেযায়। বিশেষকৈ টেবুল টেনিছ খেলৰ সামগ্ৰীবোৰ ছাত্ৰী জিৰণি চ'ৰাই দেখিয়েই পোৱা নাই। গতিকে কৰ্তৃপক্ষই যেন এই অভাৱসমূহ দূৰ কৰি ছাত্ৰীসকলৰ সামান্য কল্যাণ সাধে তাৰ বাবে অনুৰোধ পুনৰ বাৰ কৰিলো।

মোৰ কাৰ্য্যকালত মই ভবাৰ দৰে জিৰণি চ'ৰাৰ উন্নতি হৈ নুঠিল। অৱশ্যে উন্নতিৰ চেষ্টাত মই কোনো দিন কৃপণালি কৰা নাছিলো। ছাত্ৰ একতা সভাৰ হৈ জিৰণি চ'ৰাৰ উন্নতিৰ বাবে আবে-দন কৰা হৈছিল; কিন্তু সেয়া হ'ল বৃথা চেষ্টা। মোৰ কাৰ্য্যকালত যদি মোৰ ইচ্ছাৰ বাহিৰে কিবা ভুলত্ৰুটি হৈ গৈছে সকলোৰে যেন ক্ষমাৰ দৃষ্টিৰে চায় তাৰ প্ৰতি অনুৰোধ থাকিল।

ছাত্ৰী জিৰণি চ'ৰাৰ খেলসমূহ মহাবিদ্যালয় সপ্তাহৰ ২২, ২৩, ২৪/১২/৮৭ তাৰিখৰ ভিতৰত খেলুৱা হৈছিল। উপদেষ্টা শ্ৰীযুক্তা ক্ষীৰপ্ৰভা গগৈ বাইদেউৱে সহায় কৰিছিল। পূৰ্ণ সহায় আৰু পৰামৰ্শ আগবঢ়াই মোক উপকৃত কৰি তোলা শ্ৰীযুত ডম্বৰুধৰ নেওগ, সুধীৰ দাস, মাধৱ মহন্ত, অৰুণ গোহাঁই—এই সকল শিক্ষাগুৰুৰ ওচৰত মই চিৰকৃতজ্ঞ।

প্ৰতি ক্ষেত্ৰতে সহায় কৰা ৰণজু গগৈ আৰু মঞ্জু বৰগোহাঁইৰ লগতে আন বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছাৰ লগত ধন্যবাদো থাকিল অফুৰন্ত।

অৱশেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে কামনা কৰিলো আৰু নৱনিৰ্ব্বাচিত সম্পাদক-সম্পাদিকাসকললৈ আন্তৰিকতাৰে অভিনন্দন যাচিলো।

ছাত্ৰ শক্তি যুগমীয়া হওঁক। ইতি

শ্ৰীঅঞ্জুমণি ফুলকোঁৱৰ

## ॥ কৃষ্টি আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতেই অসম মাতৃক বিদেশী কবলৰ পৰা উদ্ধাৰ কৰিবৰ হকে যিসকল সুযোগ্য সন্তানে আইৰ বুকু শূণ্য কৰি গ'ল, সেইবীৰ শ্বহীদসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনালোঁ।

১৯৮৭-৮৮ চনৰ মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত মোক যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিনা প্ৰতি-দ্বন্দ্বিতাৰে কৃষ্টি আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰিলে, সেই সদোটিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মই কাৰ্য্যভাৰ গ্ৰহণ কৰা পিছত সকলো প্ৰকাৰে দিহা পৰামৰ্শ তথা সহায়-সহযোগ আগবঢ়োৱা, মোৰ বিভাগৰ উপদেষ্টা মাননীয় শ্ৰীযুত সঞ্জীৱ গোহাঁইদেৱ আৰু মোৰ বন্ধুপ্ৰতীম ভাৱপ্ৰাপ্ত সাধাৰণ সম্পাদক শৈলেন। খাজখনিকৰ ইন্দ্ৰেশ্বৰ বৰগোহাঁই, শৈলেন দত্ত, কৰুণ বড়া, মুকুট গগৈ, ইন্দ্ৰজিত কোঁৱৰলৈ মোৰ আঁচুতীয়া অন্তৰৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাত বিভিন্ন বিভাগৰ কাৰ্য্যভাৰ গ্ৰহণৰ কেইদিনমানৰ পিছতেই প্ৰতিযোগিতাও অনুষ্ঠিত হয়। বছৰটোৰ শ্ৰেষ্ঠা কৃষ্টি আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ লগতে, কৃষ্টি আৰু সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভি-নায়িকা হিচাবে নিৰ্বাচিত হয় শ্ৰীপূৰ্ণিমা দত্ত। আনহাতে একাংকিকা নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ অভি-গায়িকা হিচাবে নিৰ্বাচিত হয় শ্ৰীপূৰ্ণিমা দত্ত।

নেতাৰ বঁটা লাভ কৰে শ্ৰীঅমূল্য বুঢ়াগোহাঁই আৰু মনোৰঞ্জন বুঢ়াগোহাঁইয়ে।

যাইকিনহওঁক, আমাৰ মহাবিদ্যালয়ত থকা বাদ্য-যন্ত্ৰকেইপদ মই অত্যন্ত শোচনীয় অৱস্থাত পাইছিলো যদিও পাৰ্য্যমানে চেষ্টা কৰি মেৰামতি কৰাই বাদ্য-যন্ত্ৰকেইপদ সচল কৰি তোলাত সফল হলোঁ। বৰ্ত্তমান মহাবিদ্যালয়ত থকা বাদ্য-যন্ত্ৰকেইপদেই যথেষ্ট নহয়, সময়ত বাদ্য-যন্ত্ৰৰ বাবেই যথেষ্ট অসুবিধাৰ ভোগ কৰিব লগা হয়। সেয়ে, মই আশা ৰাখিছো, বৰ্ত্তমান মহাবিদ্যালয়ত অভাৱ হৈ থকা প্ৰয়োজনীয় সামগ্ৰী সমূহত অনতি পলমে মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষই তথা নৱনিৰ্ব্বাচিত ছাত্ৰ একতা সভাই দৃষ্টি নিক্ষেপ কৰি উপযুক্ত কাৰ্য্যব্যৱস্থা হাতত লয় যেন।

সদৌ শেষত মোৰ অজ্ঞাতে মোৰ বিভাগৰ কাৰ্য্যসূচী সফল ৰূপায়ন কৰাত যিসকল শিক্ষাগুৰু তথা বন্ধু-বান্ধৱীয়ে অকুণ্ঠভাৱে সহায় সহযোগ আগবঢ়ালে, তেওঁলোকলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে দৃষ্টি আৰু সংগীত বিভাগৰ উজ্জ্বল ভবিষ্যতৰ কামনাৰে মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো। ইতি—

শ্ৰীকুবুল বড়া
সম্পাদক, কৃষ্টি আৰু সাংস্কৃতিক বিভাগ
হেমচন্দ্ৰ দেৱগোস্বামী মহাবিদ্যালয়



# ১৯৮৭-৮৮ চনৰ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন বিভাগৰ প্ৰতিযোগিতাৰ ফলাফলসমূহ

## সাহিত্য বিভাগ

১। কবিতা আবৃত্তিঃ—

ক) অসমীয়া— ১ম : স্মীথ হাজৰিকা
২য় : ৰঞ্জু গগৈ
৩য় : লোহিত গগৈ

খ) ইংৰাজী— ১ম : বিবেচিত নহল
২য় : পূৰ্ণিমা দত্ত
৩য় : অসীম ওজা

উদগণি বঁটা মধুস্মিতা দিহিঙীয়া বৰুৱা

গ) অসমীয়া (স্বৰচিত) ১ম : বিবেচিত নহল
২য় : মধুস্মিতা দিহিঙীয়া বৰুৱা
৩য় : জ্যোতি ডুৱৰা

ঘ) ইংৰাজী (স্বৰচিত)
উদগণি বঁটা : অঞ্জুমণি ফুলকোঁৱৰ
থানু দিহিঙীয়া

২। অসমীয়া কবিতা ঃ—
১ম : মধুস্মিতা দিহিঙীয়া বৰুৱা
২য় : শৈলেন দিহিঙীয়া
৩য় : অঞ্জুমণি ফুলকোঁৱৰ

৩। থিতাতে লিখা কবিতা (অসমীয়া)ঃ—
১ম : অঞ্জুমণি ফুলকোঁৱৰ
২য় : প্ৰতিভা বৰুৱা
৩য় : খগেন গোহাঁই

৪। গল্প ঃ—
১ম : শৈলেন দিহিঙীয়া
২য় : মধুস্মিতা দিহিঙীয়া বৰুৱা
৩য় : অঞ্জুমণি ফুলকোঁৱৰ

৫। ৰচনা ঃ—
১ম : মধুস্মিতা দিহিঙীয়া বৰুৱা
২য় : ৰেখা কোঁৱৰ
৩য় : জ্যোতি ডুৱৰা
দিব্য বৰা

৬। প্ৰবন্ধ ঃ—
১ম : মধুস্মিতা দিহিঙীয়া বৰুৱা
২য় : ঋতুমণি গগৈ
৩য় : পঞ্চমী বৰা

৭। একাংকিকা নাট (পাণ্ডুলিপি) ঃ—
১ম : ঋতুমণি গগৈ
২য় : জ্যোতি ডুৱৰা
৩য় : নিৰোদ গোহাঁই

৮। আকস্মিক বক্তৃতা ঃ—
১ম : বিবেচিত নহল
২য় : স্মীথ হাজৰিকা
৩য় : যাদৱ বৰগোহাঁই

৯। তৰ্ক ঃ—
১ম : স্মীথ হাজৰিকা
২য় : শৈলেন দিহিঙীয়া
৩য় : জ্যোতি ডুৱৰা

১০। কুইজ—

১ম (ক) শাখা : বিপুল গোহাঁই
হিৰণ্য কুমাৰ দাস
খগেন গোহাঁই
যাদৱ বৰগোহাঁই

(খ) শাখা : মুকুট গগৈ
ৰেখা কোঁৱৰ
মধুস্মিতা দিহিঙীয়া বৰুৱা
স্মীথ হাজৰীকা

২য় দল—
শৈলেন দিহিঙীয়া
পূৰ্ণিমা দত্ত
ৰঞ্জনা বৰগোহাঁই
আৰতি ৰাজখনিকৰ

উদগণি বঁটা :
ৰঞ্জু বৰা
নিৰোদ গোহাঁই

## ছাত্ৰী জিৰণী কোঠা

**চিংগল কেৰম :—**
চেম্পিয়ন— মামণি শৰ্ম্মা
ৰানাৰ্চ্— ৰূপাঞ্জলী গগৈ

**ডাব'ল কেৰম :—**
চেম্পিয়ন— মামণি দত্ত
লক্ষী দত্ত
ৰানাৰ্চ্— ৰেখা কোঁৱৰ
মঞ্জু বৰগোহাঁই

**ডৱা :—**
চেম্পিয়ন— মামণি দত্ত
ৰানাৰ্চ্— মধুস্মিতা দিহিঙীয়া বৰুৱা

**বেডমিন্টন :—**
চেম্পিয়ন— মামণি দত্ত
ৰানাৰ্চ্ — মধুস্মিতা দিহিঙীয়া বৰুৱা

**টেবুল টেনিচ :—**
চেম্পিয়ন— শেৱালী দত্ত
ৰানাৰ্চ্ — পূৰ্ণিমা দত্ত

## ক্ৰীড়া বিভাগ

**ল'ৰা ১০০ মিটাৰ দৌৰ :—**
১ম : ইন্দ্ৰেশ্বৰ ভঁৰালী
২য় : উৎপল বৰুৱা
৩য় : বণি মোহন দত্ত

**ল'ৰা ২০০ মিটাৰ দৌৰ :—**
১ম : ইন্দ্ৰেশ্বৰ ভঁৰালী
২য় : উৎপল বৰুৱা
৩য় : বণি মোহন দত্ত



**ল'ৰা ৪০০ মিটাৰ দৌৰ :—**
১ম : ইন্দ্ৰেশ্বৰ ভঁৰালী
২য় : উৎপল বৰুৱা
৩য় : বণি মোহন দত্ত

**ল'ৰা ৮০০ মিটাৰ দৌৰ :—**
১ম : খেলন দাস
২য় : ইন্দ্ৰেশ্বৰ ভৰালী
৩য় : বণি মোহন দত্ত

**ল'ৰা ১৫০০ মিটাৰ দৌৰ :—**
১ম : ভবেশ্বৰ বড়ি
২য় : যোগেন গগৈ
৩য় : লম্ভিত ফুকন
৪ৰ্থ : জয়ন্ত দত্ত

**ল'ৰা জেভলিণ :—**
১ম : সুনীল শইকীয়া
২য় : প্ৰমোদ চেতিয়া
৩য় : নৱ কুমাৰ পাতৰ

**ছোৱালী ১০০ মিটাৰ দৌৰ :—**
১ম : মামণি দত্ত
২য় : জুনু হাজৰিকা
৩য় : ফুলেশ্বৰী পাংগিং

**ছোৱালী ২০০ মিটাৰ দৌৰ :—**
১ম : মামণি দত্ত
২য় : জুনু শইকীয়া
৩য় : ফুলেশ্বৰী পাংগিং

**ছোৱালী ৪০০ মিটাৰ দৌৰ :—**
১ম : মামণি দত্ত
২য় : জুনু শইকীয়া

**ছোৱালী ৮০০ মিটাৰ দৌৰ :—**
১ম : ক্ষীৰদা দাস
২য় : মামণি দত্ত
৩য় : সান্তনা হাজৰিকা
৪ৰ্থ : শেৱালী দত্ত

**ছোৱালী জেভলিন :—**
১ম : ফুলেশ্বৰী পাংগিং
২য় : সান্তনা হাজৰিকা
৩য় : মামণি দত্ত

**ছোৱালী ডিচ্কাচ্ :—**
১ম : ফুলেশ্বৰী পাংগিং
২য় : কবি বৰুৱা
৩য় : লোকেশ্বৰী সন্দিকৈ

**ছোৱালী চটপুট :—**
১ম : ফুলেশ্বৰী পাংগিং
২য় : মামণি দত্ত
৩য় : মামণি দত্ত

**ল'ৰা ৫০০০ মিটাৰ দৌৰ :—**
১ম : ভবেশ্বৰ বড়ি
২য় : উৎপল বৰুৱা
৩য় : কৰ্পেশ্বৰ গোহাঁই
৪ৰ্থ : ইন্দ্ৰেশ্বৰ ভঁৰালী
৫ম : লম্ভিত ফুকন
৬ষ্ঠ : সুনীল গোহাঁই
৭ম : জয়ন্ত দত্ত
৮ম : যোগেন গগৈ

**ল'ৰা ডিচ্কাচ্ :—**
১ম : সুনীল শইকীয়া
২য় : দিলীপ দিহিঙীয়া
৩য় : জয়ন্ত দত্ত

**ল'ৰা চটপুট :—**

১ম : দেবব্ৰত গগৈ

২য় : প্ৰমোদ চেতিয়া

৩য় : চুচেন গগৈ

**ল'ৰা হাইজাম্প :—**

১ম : সুনীল শইকীয়া

২য় : উৎপল বৰুৱা

৩য় : জীৱন সন্দিকৈ

**ছোৱালী হাইজাম্প :—**

১ম : জুন্ন হাজৰিকা

২য় : মামণি দত্ত

৩য় : শান্তনা

**শ্ৰেষ্ঠ প্ৰতিযোগী :—**

মামণি দত্ত

ইন্দ্ৰেশ্বৰ ভঁৰালী

**ভলীবল :—**

বিজয়ী দ'ল : স্নাতক ১ম বাৰ্ষিক

বিজিত দ'ল : উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক

শ্ৰেষ্ঠ ভলীবল খেলুৱৈ—মুকুট গগৈ





# HEMCHANDRA DEVAGOSWAMI COLLEGE MAGAZINE

## ( ENGLISH SECTION )

1987-88

EDITOR

**MADHUSMITA BARUAH**

# HEMCHANDRA DEVAGOSWAMI COLLEGE MAGAZINE

## English Section

## : CONTENTS :


- Editorial
- Religion and Society ( Relevance of religious festivals ) P.— 1
  : Sudhir Das
- East Land Flash ( Poem ) P.— 5
  : Debabrata Gogoi
- Melic of My Heart ( Poem ) P.— 6
  : Ajit Kumar Behera
- Thoughts of a Sceptic ( Poem ) P.— 7
  : Syam Daniel
- The Son ( Poem ) P.— 7
  : Anjumani Phulkonwar
- Epitaph ( Poem ) P.— 8
  : Monisha Borboruah


●●●

# *Editorial*

Generally in publishing the English section of a College Magazine one comes accross two constraints—financial and lack of standard articles from students. They have stopped writing anything in English other than the answers in Examination. This trend has crept into our educational system when political expendiency was upper most on the minds of our policy framers. Should a student only read and learn his mother tongue ? Should n't he broaden his out look by the help of an international language ? But that does not mean that one should ignore his mothertongue. Development of regional languages is equally important. But a change in the medium of instruction should be systematic and adequately buttressed by proper infra-structural support such as standard refference books, text books, training facilities for teachers and many other such things. Unfortunately, it is found that state governments just declare a particular language as the media of instruction one fine morning without taking the matter of infra-structural support into consideration. That is where the essence of the present problem of 'depriciated degrees' lies. Learning should be above cheap sentimentalism. Its undeniable fact that most of the Modern Indian Languages are quite underdeveloped to be taken as medium of instruction in higher education level, yet governments after governments keep on commiting this mistake repeatedly which is a gross injustice to learners as well as to society. A rich language like English (Which is not foreign to us after two hundred years of British rule ) certainly would equip the student in a better way to broaden his out-look and give him a competiative edge.

In the face of leething financial stringency we have managed to bring up this issue of the college magazine. We express our heart-felt gratefulness to our Principal Mr. C. S. Rajkumar for releasing the requisite funds. We are also greateful to the members of staff and the students who co-operated with their original articles. Putting our best efforts amidst a serious resource crunch we have put up this form of the magazine before you and we are ready for your garlands or brick-bats, both.

**Madhusmita Dehingia Baruah**
*Editor.*

# *Editorial*

Generally in publishing the English section of a College Magazine one comes accross two constraints—financial and lack of standard articles from students. They have stopped writing anything in English other than the answers in Examination. This trend has crept into our educational system when political expendiency was upper most on the minds of our policy framers. Should a student only read and learn his mother tongue ? Should n't he broaden his out look by the help of an international language ? But that does not mean that one should ignore his mothertongue. Development of regional languages is equally important. But a change in the medium of instruction should be systematic and adequately buttressed by proper infra-structural support such as standard refference books, text books, training facilities for teachers and many other such things. Unfortunately, it is found that state governments just declare a particular language as the media of instruction one fine morning without taking the matter of infra-structural support into consideration. That is where the essence of the present problem of 'depriciated degrees' lies. Learning should be above cheap sentimentalism. Its undeniable fact that most of the Modern Indian Languages are quite underdeveloped to be taken as medium of instruction in higher education level, yet governments after governments keep on commiting this mistake repeatedly which is a gross injustice to learners as well as to society. A rich language like English (Which is not foreign to us after two hundred years of British rule ) certainly would equip the student in a better way to broaden his out-look and give him a competiative edge.

In the face of leething financial stringency we have managed to bring up this issue of the college magazine. We express our heart-felt gratefulness to our Principal Mr. C. S. Rajkumar for releasing the requisite funds. We are also greateful to the members of staff and the students who co-operated with their original articles. Putting our best efforts amidst a serious resource crunch we have put up this form of the magazine before you and we are ready for your garlands or brick-bats, both.

**Madhusmita Dehingia Baruah**
*Editor.*

# RELIGION AND SOCIETY
## ( Relivance of Religious Festivals )

Sudhir Das
Lecturer in English

Man came into this world approximately fifty thousand years back and lived in different types of societies created by him according to the suitability of time and occupation. They lived in tribes or groups when they were hunters. Agriculture was discovered between six thousand B. C. to four thousand B. C. With the advent of agriculture man enjoyed some degree of liesure which was previously not *that* in the hunting profession. That is the beginning of religion. It crept into the mind of primitive man in the form of an ambiguous belief. Natural phenomena over-awed him and he started thinking in terms of a supernatural power controlling the nature and the universe as well. Religious gatherings and community worship took *route* since then.

Since then, till the time civilization reached city stage, religion played a vital role in human life. Cities came up near and around religious places. Temples played a significant role in the life of Man in that society. Temples were considered as the nerve centres of society. It was the educational institution, the bank and place of worship of the area at the same time.

This is how, we may assume temples of Hinduism came into existence and played quite an influential role in the life of Man. But later on different civilizations emergied in different parts of the world and people followed different set of vituals which in later era became fall fledged religions such as Hinduism, Christianity, Jewism, Islam etc. A closer study confirms

the facts that all these faiths preach the same ideals, but insist on following different means to attain salvation. Otherwise all are just same.

Coming to the modern age, with the advent of different religions and sects, the spitrituality in human beings have not enhanced rather it has become perversed. Communal riots, religious hatred and many other such maladies as the results. The strongest of the strange thing is, religion instead of preaching universal traternity shows the seeds of despairity and hatred among human beings.

In the context of inter community harmony religious festivals should have have served two purposes—(1) to inject spiritualism in to the heart of the follower periodically so that his spiritual battery gets charged and functions properly. reform him if he has strayed from the path of righteousness, (2) In the modern context it should also promote inter-religion harmony. But unfortunately this is found that religious festivals fast in accomplishing any of these two above purposes. The only thing religious festivals are observed for is merry making. Just like sporting events are organised between two countries to promote friendship but most of that time end up creating more animosity. Same is the case with the religious festivals. It we take a simple fact into consideration this will be proved beyond doubt the futility of religious festivals. Take for example, crores of people attend Kumbh Mela, Ratha Yatra, Durga Puja, lakhs go to Haj every year and millions observe Christmas with gay abandon in India, but how many of them get reformed or become altruistic as the religions preach ? Had it been so, India by now, would have been free from all social maladies because people here are most religious. But that is not to be.

Secondly, festivals of one religion creates a sense of insecurity in the minds of the people of minority community living in that area. And provide the spark



which helps the fire of communal hatred to turn to everything into ash

All festivals more or less are sheer waste of money and devoid of any spiritual gain It is mainly a gathering of sinners who feel that by paying a visit to a particular religious gathering or place they would be able to wash away all their mis deeds from their conscience.

Although. religious festivals serve no constructive purpose yet no body would think of banning them because it will incur a heavy loss Businessmen run them and organise them because it is profitable. Result shur commercialisation at religion.

These festivals increase the orthodox influence of religious fundamentalism and the blind, gullible common man is carried away by this which is quite detrimental to the progress and evolution of modern society.

Fundamentalists may putforth the argument that Utsavs or Festivals are an essential part of social life and it rejuvenates the dull and tedious life of people. But this argument ignores the changing time, social values and above all the present life style of the modern man. If festivals does not serve any purpose what-so-ever then why do they recure with tedius frequency. There is some where a need for them. Mechanical modern soeiety with its complex problems gives every man a sense of insecurity and the helpless, desperate man finds some sort of emotional support from God. Similarly, the rural man. though he does not lead a life as problamatic and complex as his Urban Counter Part, his over dependance on nature drives him to take shelter under the shield of religion.

In the modern context religion should be one's personal affair, confined to the four walls of his house. It should not be ostantatious as it is taken for granted at present. Religion is just like a shaving blade, one can use it both ways, to pick other's

pocket or have a shave to spuice up his personality. I am not favouring a ban on religion, that would amount to curtailing one's personal liberty, or stifeling one's faith by brute force. But I deam it fit to suggest in the present context that one should search insight his own heart for spiritual solace rather than making vain and expensive trips to the place of worship. ●●








## EAST LAND FLASH

Debabrata Gogoi
Ist Yr T. D. C.

In my summer dream came
Only you and you
Your tickling smiles, rarely,
Made me forget my consciousness.

Your blacken brows,
And the gloomy well-shaped fore head,
With the illustrious spongy nose
Can I foreget ! Can never I?

The innocent look it was
Entangl'd my confusing mind,
And not enough time to find
Your's immatur'd mind or mine.

The morning so cool and bright,
The lilies and dahlias do smile,
But your smiles still made me beli've
Forster's East is East.' ●●

# MELIC OF MY HEART

Ajit Kumar Behera
Lecturer in English.

The carling careless hair, wet
With the sport've sweat,
The dim'ing setting rays
Made her dazzle like the pearls
Spreading over a black'n morel.

The charm within her ; and
Her deep little drooping eyes
And the plane, insate, spongy nose
Betw'en her well-shap'd brows,
A pure delight I lov'd and lov'd.

Her tiffling smiles echoed,
Echoed within me, making me
Move in my imagine world
Where the Angels never reach
And I reached there

Her golden responsive necklace neck,
By the sportive stripped dicky,
Wrap'd her half as
Ever happy and delight
As a wave dancing on the sea.

## Thoughts of a Sceptic

Syam Daniel

Where was the hidden
Hamlet in me for so long ?
It came when there is
A battle
Between my passion
And my reason.
The desease Ram
Suffered from
How can I,
A mere human,
Be freo from ?
Am I Othello
With the Soul of Hamlet ?
She Sachi, Sita
Radha or Meera ?
" To be or not to be " is not
The question here.
Question is
Am I an ever changing Indra
Or a Worldly Rama
Or a promiscuous Krishna ?
That remains to be answered. ●●

## THE SON

Miss Anjumani Phulkonwer
T. D. C. 1st Year.

In a small town,
near by Dihing,
Lived a mother
and her only son,
He was brilliant
and virtuous
But was poor and unfortunate.

In the army he joined
because he hoped
His mother would get
peace and food.
Mother and motherland
he can serve both.

In a battle
he got killed,
The mother was unaware
he would return on Bihu
thought the mother.
But her wast
remained a wait for ever. ●

# APITAPH

Miss Monisha Borboruah.

One stilly night
I woke up
Some sweet memory appeard my heart
My heart full of tears.
Tears come down
I back again—
Where I was born
What charming the past is !!!
My friends and I am—
Walking freely,
Thinking happily.
Now I alone in this vast world.
There is no corner—
Where I rest
What a dynamic life it is. ●●

